● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**



আপুনি এটা জীৱনেই পাব। গতিকে যদি ইয়াক ভালকৈ জীয়াব পাৰে তেন্তে এটা জীৱনেই যথেষ্ট।

মে' ৱেষ্ট
*মাৰ্কিন অভিনেত্ৰী*

৭ ছবছৰত চীনৰ পাৰমাণৱিক অস্ত্ৰৰ সংখ্যা ৭০০ লৈ বৃদ্ধি
১৫ আজি টীম ইণ্ডিয়াৰ দ্বিতীয় অগ্নিপৰীক্ষা
৪ দৰ্শন আৰু বিজ্ঞানৰ সংঘাত আৰু সমন্বয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৯তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৮ কাতি ১৪২৮ ভাস্কৰাব্দ ৫ নৱেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 5 November 2021 মূল্য ঃ ৯.০০ টকা

## কোনে কাঢ়ি নিয়ে আইৰ মুখৰ মাত

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



নিজৰ মাতৃভাষাত কথা কোৱা আৰু নিজৰ মাতৃভাষাত শিক্ষালাভ কৰাটো মানৱীয় অধিকাৰ। ইউনেস্ক'ৱে মাতৃভাষাত কথা কোৱা আৰু শিক্ষা লাভ কৰাক মানৱীয় অধিকাৰ বুলি ঘোষণা কৰিছে। যিমানেই ক্ষুদ্ৰ জাতি নহওক কিয়, তেওঁলোকে নিজৰ মাতৃভাষাত শিক্ষা লাভ কৰাটো তেওঁলোকৰ অধিকাৰ। তেওঁলোকৰ আপোন মাতৃভাষাত ভাৱৰ ১০ পৃষ্ঠাত চাওক

■ জম্মু-কাশ্মীৰ সীমান্তত সেনাৰ স'তে দীপাৱলীৰ আনন্দ উদ্‌যাপন নৰেন্দ্ৰ মোদীৰ ■ প্ৰতিৰক্ষা খণ্ডত সমৃদ্ধিশালী হৈছে ভাৰত ঃ প্ৰধানমন্ত্ৰী ■ প্ৰস্তুত কৰিছে তেজছ বিমান-অৰ্জুন টেংকৰ দৰে যুদ্ধাস্ত্ৰ

# যুদ্ধাস্ত্ৰ ৰপ্তানিৰে শক্তিশালী হ'ব অৰ্থনীতি



*জম্মু-কাশ্মীৰৰ ৰাজৌৰিৰ নৌচেৰা ছেক্টৰত নিয়োজিত সেনা জোৱানৰ স'তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী।*

■ ছহিদ ব্ৰিগেডিয়াৰ মহম্মদ ওছমানৰ স্মাৰকত শ্ৰদ্ধাঞ্জলি অৰ্পণ ■ অচিৰে ভাৰতে অস্ত্ৰ ৰপ্তানিকাৰী দেশৰূপে বিশ্বতে প্ৰতিষ্ঠা লাভ কৰিব ■ ভাৰতমাতাৰ ৰক্ষাকবচ সেনা জোৱান

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৪ নৱেম্বৰ ঃ** বিগত সাত বছৰে জম্মু-কাশ্মীৰ সীমান্তত দীপাৱলী উদ্‌যাপন কৰি আহিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ভাৰতীয় সেনাৰ স'তে উদ্‌যাপনৰ বিগত সাত বছৰীয়া ৰীতি অব্যাহত ৰাখি আজিও সীমান্তলৈ গৈ দীপাৱলী উদ্‌যাপন কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে। সেনাৰ পোছাক পৰিধান কৰি জম্মু-কাশ্মীৰৰ ৰাজৌৰিৰ নৌচেৰা ছেক্টৰত নিয়োজিত সেনা জোৱানৰ স'তে উৎসৱৰ আনন্দ বিতৰণ কৰি চাকি জ্বলাই, নিজ হাতেৰে মিঠাই খোৱালে মোদীয়ে। বিগত তিনি সপ্তাহ ধৰি ৰৌজৰি আৰু পুঞ্চ জিলাৰ সীমান্তৱৰ্তী অঞ্চলৰ জংঘলত অনুপ্ৰৱেশকাৰী পাকিস্তানী সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সেনাই অভিযান চলাই আছে। এই অভিযানত কে'বাজনো সেনা নিহত হৈছে। প্ৰধানমন্ত্ৰীয়ে আজি এই প্ৰসংগ উত্থাপন কৰি ভাৰতীয় জোৱানসকলৰ কৰ্মদক্ষতা আৰু দায়বদ্ধতা আৰু শৃংখলাবদ্ধতাৰ ভূয়সী প্ৰশংসা কৰি কয়, 'আপোনালোকৰ শক্তিয়ে দেশৰ নিৰাপত্তা নিশ্চিত কৰিছে। সেনা জোৱানসকলে ভাৰত মাতাৰ ৰক্ষাকবচ।' তেওঁ সেনা জোৱানসকলক আপোন পৰিয়াল বুলিও কয়। ১০ পৃষ্ঠাত চাওক

## সত্ৰীয়া মৰ্যাদাৰে শেষকৃত্য সম্পন্ন

## পঞ্চভূতত বিলীন সংগীত নাটক একাডেমী বঁটা প্ৰাপক বায়ন

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৪ নৱেম্বৰ ঃ** বৰপেটা সত্ৰৰ ভীমা বায়ন বংশৰ বৰবায়ন, বৰপেটা সত্ৰ শাখা সত্ৰ সমাজ, অসমৰ দ্বাৰা সত্ৰভূষণ উপাধিৰে সন্মানিত, সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক তথা সংগীত নাটক একাডেমী বঁটা প্ৰাপক জগন্নাথ বায়নৰ নশ্বৰদেহ পঞ্চভূতত বিলীন হ'ল। বৰপেটা সত্ৰৰ কে'বাশতাধিক ভকতৰ ১০ পৃষ্ঠাত চাওক

■ সতৰ্ক কৰি দিলে বিশ্ব স্বাস্থ্য সংস্থাই

## ইউৰোপত পাঁচ লক্ষৰ মৃত্যুৰ সম্ভাৱনাৰে পুনৰ ক'ভিডৰ তাণ্ডৱৰ আশংকা



■ নিউজ ব্যুৰ'

**জেনেভা, ৪ নৱেম্বৰ ঃ** কৰ'না ভাইৰাছৰ বাবে ইউৰোপত পুনৰ কমেও পাঁচ লক্ষ মানুহৰ মৃত্যু হ'ব পাৰে। এই আশংকা ব্যক্ত কৰিছে বিশ্ব স্বাস্থ্য সংস্থাই। আজি 'হু'ৰ তৰফৰ পৰা জনোৱা হৈছে যে পুনৰ ক'ভিড-১৯ৰ সংহাৰী ৰূপ দেখা পাব পাৰে বিশ্বই। 'হু'ৰ ইউৰোপ শাখাৰ আঞ্চলিক ছয় পৃষ্ঠাত চাওক

## আঠ নৱেম্বৰৰ পৰা দুদিনীয়া উচ্ছেদ অভিযান চলিব লামডিঙত

এডিজিপি সিঙৰ পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**লংকা, ৪ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লামডিং বনাঞ্চলত বেদখলকাৰীক উচ্ছেদ কৰা হ'ব বুলি ঘোষণা কৰাৰ পাছতে তৎপৰ হৈছে অসম আৰক্ষী প্ৰশাসন। ছয় পৃষ্ঠাত চাওক

■ নিৰ্ধাৰিত সময়ৰ পূৰ্বে কাম সম্পূৰ্ণ হোৱা দিছপুৰৰ উৰণীয়া সেতু উদ্বোধন ড° হিমন্ত বিশ্বৰ

## মন্ত্ৰীয়ে টকা নাখাও বুলি ক'লেই যেনিবা, সেয়া জানো বন্ধ হৈছে! মুখ্যমন্ত্ৰীৰ প্ৰশ্নত ৰহস্যৰ সৃষ্টি

■ ১০ দিনৰ ভিতৰত আৰক্ষী থানাৰ দালালৰাজৰ অন্ত পেলাবলৈ নিৰ্দেশ ■ নিৰ্ধাৰিত আৰক্ষী বিষয়াই এজাহাৰ নিলিখি বাহিৰত থকা বিশেষ মানুহে লিখে ■ গুৱাহাটীত কে'বাখনো উৰণীয়া সেতু-উদ্যান নিৰ্মাণৰ ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ঘোষণা কৰে যে ৰাজ্যৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ত দালাল নোহোৱা কৰাৰ পাছত এইবাৰ আৰক্ষী থানাবোৰত চলি থকা দালালৰাজৰ অন্ত পেলোৱা হ'ব। মহানগৰীৰ ছুপাৰ মাৰ্কেট অঞ্চলত নিৰ্মাণ কৰা নতুন উৰণীয়া সেতু আজি উদ্বোধন কৰি দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয় যে সকলো থানাৰে বাহিৰত এজাহাৰ লিখা মানুহ থাকে। নিয়ম মতে এজাহাৰ লিখিব লাগে উপ-পৰিদৰ্শক আৰু অন্যান্য নিৰ্দিষ্ট বিষয়াই। তাৰপাছত কিয় থানাৰ বাহিৰত ১০ পৃষ্ঠাত চাওক



## দিচাংমুখত দুখন গাঁৱৰ বাসিন্দাৰ সংঘৰ্ষত উত্তাল পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ৪ নৱেম্বৰ ঃ** দিচাংমুখ আৰক্ষী চকীৰ অন্তৰ্গত লেপাই দীঘল গৰিয়লি গাঁৱৰ জোলাটুপ তিনিআলিত যোৱা নিশা দুটা দলৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। দুখন গাঁৱৰ বাসিন্দাৰ মাজত সংঘটিত ছয় পৃষ্ঠাত চাওক

## প্ৰব্ৰজিত শ্ৰমিকক শুকান ৰেছন যোগানৰ সিদ্ধান্ত ল'লে কেবিনেটে

পুৰোহিত-নামঘৰীয়াক ১৫ হেজাৰকৈ এককালীন সাহায্য ■ ২৮ নৱেম্বৰৰ পৰা মাইক্ৰ'ফাইনেন্সৰ ঋণ লোৱা মহিলাক ঋণ মুক্তিৰ চেক দিয়া হ'ব



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ লক্ষ্যৰে ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা মহিলাসকলক ঋণ ৰেহাইৰ প্ৰক্ৰিয়া অৱশেষত অহা ২৮ নৱেম্বৰৰ পৰা ৰাজ্য চৰকাৰে আৰম্ভ কৰিব। আজি অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। অৱশ্যে প্ৰথম পৰ্যায়ত যিসকল মহিলাই ঋণ লৈ বেংকৰ লগত লেনদেন অব্যাহত ৰাখিছে তেওঁলোকক প্ৰথমতে চেকযোগে উদগনিমূলক ১০ পৃষ্ঠাত চাওক

■ আজিৰ পৰাহে ৰাজ্যত কৰ কৰ্তনৰ ফলত পেট্ৰ'লৰ মূল্য ১২ টকা আৰু ডিজেলৰ মূল্য ১৭ টকা হ্ৰাস পাব

## ৰাজহৰ পৰিমাণ হ্ৰাস হোৱাত উন্নয়নমূলক কাৰ্যত প্ৰভাৱ পৰিব



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** পেট্ৰ'ল আৰু ডিজেলৰ ওপৰত সংযোজিত ৰাজ্যিক কৰৰ এটা অংশ অসম চৰকাৰে কৰ্তনৰ সিদ্ধান্ত লোৱাৰ ফলত ৰাজ্যৰ উন্নয়নমূলক কাম-কাজত প্ৰভাৱ পৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মন্তব্য কৰে। ইয়াত এক অনুষ্ঠানত সাংবাদিকক মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চৰকাৰে পেট্ৰ'ল-ডিজেলৰ কৰৰ পৰা আহৰণ কৰা পুঁজি উন্নয়নমূলক কাৰ্যতো ব্যয় কৰি আহিছে। তেনে ক্ষেত্ৰত প্ৰতি লিটাৰ ডিজেল আৰু পেট্ৰ'লত ৰাজ্যিক কৰৰ অংশ হিচাপে সাত টকাকৈ হ্ৰাসৰ সিদ্ধান্তই ৰাজহ ১০ পৃষ্ঠাত চাওক

## দলঙৰ অভাৱত বাগ্‌সাৰ উল্টে খুন্দা নৈত আবদ্ধ এম্বুলেঞ্চ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৪ নৱেম্বৰ ঃ** বাগ্‌সাৰ খাৰিজা বিজনীৰ বাৰাপেটা মিলন বজাৰ-বৰপেটাৰোড সংযোগী পথত থকা উল্টে খুন্দা উপনৈত আজি বহুসময় ধৰি আবদ্ধ হৈ পৰে এখন এম্বুলেঞ্চ। উক্ত স্থানত থকা জৰাজীৰ্ণ কাঠৰ দলংখন ভাঙি পকী দলং নিৰ্মাণৰ কাম আৰম্ভ কৰিছিল বিভাগীয় কৰ্তৃপক্ষই। অথচ যোৱা চাৰিটা বছৰে নিৰ্মাণ সম্পূৰ্ণ হৈ নুঠিল পকী দলংখনৰ। যাৰ বাবে পানীৰ মাজেৰে বিপদসংকুলভাৱে উপনৈখন



পাৰ হ'ব লওঁতেই নৈখনত আবদ্ধ হৈ পৰে এএছ-১৯চি-৫৩৮৮ নম্বৰৰ এম্বুলেঞ্চখন। বহুসময়ৰ পাছত স্থানীয় লোকৰ অশেষ চেষ্টা আৰু এখন ট্ৰেক্টৰৰ সহায়ত ছয় পৃষ্ঠাত চাওক

টোকাত নাম উল্লেখ আছিল ধৃত কৰ্মচাৰীৰ

## ভুক্তভোগীৰ আত্মহত্যাৰ গোচৰত তেজপুৰত মণ্ডল গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৪ নৱেম্বৰ ঃ** ভূমিকেন্দ্ৰিক প্ৰৱঞ্চনাৰ বলি হৈ আত্মহত্যা কৰিবলগীয়া হোৱা তেজপুৰৰ এক ঘটনা সন্দৰ্ভত আৰক্ষীয়ে লাট মণ্ডল পৰাগ বৰাক গ্ৰেপ্তাৰ কৰিছে। কালি তেজপুৰৰ ছয় পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২০° |
| ডিব্ৰুগড় | ৩০° | ১৯° |
| দিল্লী | ২৭° | ১৯° |
| কলকাতা | ৩২° | ২৩° |
| মুম্বাই | ৩৪° | ২৮° |
| চেন্নাই | ২৮° | ২৫° |
| বাংগালুৰু | ২৭° | ২০° |
| শ্বিলং | ২১° | ১১° |

৪ নৱেম্বৰ, ২০২১

দেৱব্ৰত শইকীয়াৰ ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনত শপতনামা চৰকাৰৰ ■ ১৪ ডিচেম্বৰত পুনৰ শুনানি

## নথিপত্ৰ পৰীক্ষাৰেহে গৰুখুঁটিত উচ্ছেদিতক সংস্থাপিত কৰিব চৰকাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৪ নৱেম্বৰ ঃ** বেদখলৰ অভিযোগত গৰুখুঁটিৰ পৰা উচ্ছেদিত হোৱা লোকসকলৰ নথিপত্ৰ পৰীক্ষাৰ পাছত চৰকাৰৰ নীতি অনুসৰি যোগ্য বিবেচিত হ'লে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব বুলি অসম চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ক অৱগত কৰিছে। উচ্ছেদিত লোকসকলক সংস্থাপনৰ ক্ষেত্ৰত চৰকাৰৰ নীতিৰ সন্দৰ্ভত অসম বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দাখিল কৰা এক ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ উত্তৰত এই স্থিতি ছয় পৃষ্ঠাত চাওক

■ ইউপিপিএল নেতাসহ পলাতক তিনি

## কিশোৰীক ধৰ্ষণৰ অপচেষ্টা গাপ দিবলৈ প্ৰলোভন-হত্যাৰ ভাবুকিৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ৪ নৱেম্বৰ ঃ** উৎসৱৰ পৰিৱেশৰ মাজতে কোকৰাঝাৰত সংঘটিত হৈছে এক নাৰকীয় কাণ্ড। ধৰ্ষণৰ পৰা কথমপি ৰক্ষা পৰিল কোকৰাঝাৰ চহৰৰ এগৰাকী নাবালিকা। এই ঘটনাত ইউপিপিএল দলৰ এজন স্থানীয় নেতাও জড়িত থকাৰ অভিযোগ উঠিছে। ইয়াৰ সমান্তৰালকৈ উঠিছে ঘটনা গাপ দিয়াৰ বাবে ভুক্তভোগী পৰিয়ালক ধনৰ প্ৰলোভন আৰু হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ। এই ঘটনা সংঘটিত হৈছে কোকৰাঝাৰ চহৰৰ মাগুৰমাৰীত।

আৰক্ষী সূত্ৰই জনোৱা মতে, যোৱা ৩১ অক্টোবৰত মাগুৰমাৰী গাঁৱৰ এগৰাকী সপ্তম শ্ৰেণীৰ ছাত্ৰীক শিঙিমাৰী গাঁও নিবাসী ছয় পৃষ্ঠাত চাওক



*পোহৰৰ উৎসৱ দীপাৱলীৰ আনন্দ উদ্‌যাপন কৰি কটন বিশ্ববিদ্যালয় আৱাসৰ ছাত্ৰীয়ে প্ৰজ্বলিত কৰিছে মাটিৰ চাকি।*

## চেঙা তেল



*সৌজন যে চাহাব পাৰ হৈ গ'ল, পাঁচ বছৰ আগতে মন্ত্ৰীৰ স'তে আহিছিল আলপৈচান ধৰিবলৈ!*

ভাৰত-চীন সীমান্তৰ গ্লেচিয়াৰত ভূমিকম্প ■ কামেঙৰ উৎপত্তিস্থলীৰ সমীপত প্ৰবল ভূমিস্খলন

বৃহৎ পৰিমাণৰ বোকা -শিল খহি পৰিছে নৈখনত ■ পৰিস্থিতি আজিও অপৰিৱৰ্তিত হৈয়ে আছে

## ভূমিস্খলনৰ বাবে বিপদ ঘটিছে জীয়াভৰলীৰ



**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৪ নৱেম্বৰ ঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ অন্যতম প্ৰধান উপনদী অসমত জীয়াভৰলী তথা অৰুণাচল প্ৰদেশত কামেংৰূপে জনাজাত নৈখনৰ চুবুৰীয়া ৰাজ্যৰ উৎপত্তি স্থলৰ সমীপতে হোৱা প্ৰবল ভূমিস্খলনৰ বাবেই পানী ঘোলা হৈছে। লগতে ইয়াত অক্সিজেনৰ মাত্ৰা হ্ৰাস পাইছে আৰু স্বচ্ছতা প্ৰায় নোহোৱা হৈছে। অৰুণাচল প্ৰদেশৰ পূব কামেং জিলা প্ৰশাসনে শেহতীয়াকৈ কামেঙৰ জলৰাশি বোকাময় হৈ পৰা সন্দৰ্ভত এই তথ্য প্ৰকাশ কৰিছে। প্ৰশাসনৰ তথ্য অনুসৰি সাগৰ পৃষ্ঠৰ পৰা ছহেজাৰ তিনিশ মিটাৰ উচ্চতাত কামেং নৈত বৃহৎ পৰিমাণৰ বোকা আৰু শিল খহি পৰাৰ ফলতে এই ঘটনা সংঘটিত হয় আৰু বৃহৎ পৰিমাণৰ বোকা নৈখনৰ নামনি অংশলৈ বৈ ১০ পৃষ্ঠাত চাওক

## গুৱাহাটীৰ পৰা লখিমপুৰলৈ যাত্ৰা আৰম্ভ হ'ল ৭২ আসনযুক্ত বিমানৰ

■ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠত আজি সেৱা মুকলি ■ অসমৰ মন্ত্ৰী-সাংসদৰ লগতে যাত্ৰী অৰুণাচলৰ মন্ত্ৰী টাকি টেগু



**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৪ নৱেম্বৰ ঃ** আজিৰে পৰা পুনৰ আৰম্ভ হ'ল গুৱাহাটী আৰু লখিমপুৰৰ মাজত পোনপটীয়া বিমানসেৱা। ব্যক্তিগত খণ্ডৰ বিমান পৰিবহণ সংস্থা ফ্লাইবিগে এই সেৱা আৰম্ভ কৰিছে। আজি বিয়লি ৪-৪০ বজাত বৰঝাৰৰ পৰা লীলাবাৰীলৈ ফ্লাইবিগৰ প্ৰথমখন বিমানে উৰা মাৰে। মুখ্যমন্ত্ৰী ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৫ নৱেম্বৰ, ২০২১ শুকুৰবাৰ পৃষ্ঠা তিনি

## মেছেৰভিটা নাচিৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি গঠনত অনিয়ম

**অধ্যক্ষ-স্কুল পৰিদৰ্শকৰ বিৰুদ্ধে অভিযোগ**

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ৪ নৱেম্বৰ ঃ** গোৱালপাৰাৰ লক্ষীপুৰস্থ মেছেৰভিটা নাচিৰীয়া উচচতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতি গঠন প্ৰক্ৰিয়াত অনিয়ম হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই সংক্ৰান্তত স্থানীয় ৰাইজে যোৱা ছয় অক্টোবৰত এখন লিখিত অভিযোগ দাখিল ছয় পৃষ্ঠাত চাওক

## আঢ়ৈ লাখ শ্ৰমিকৰ ভিতৰত কাম পালে মাত্ৰ পাঁচ শতাধিকে

■ নগাঁৱত সাতমাহত এনৰেগাৰ কাম নাপালে প্ৰায় ২৮ হেজাৰ জৱকাৰ্ড শ্ৰমিকে ■ এনৰেগাৰ কাম কৰিও নিয়মীয়াকৈ লাভ নকৰে মজুৰিৰ ধন




*নৱনিৰ্মিত উৰণীয়া সেঁতুত পিক নেপেলাবলৈ ৰেডিঅ' গপছপৰ সজাগতা, মহানগৰীত বৃহস্পতিবাৰে।*

বিশেষ সংবাদদাতা

**নগাঁও, ৪ নৱেম্বৰ ঃ** অশৈলীগত কামৰ প্ৰতি আগ্ৰহী গ্ৰাম্যঞ্চলৰ প্ৰতিটো পৰিয়ালৰ প্ৰাপ্তবয়স্ক লোকসকলক এটা বিত্তীয় বৰ্ষত কমেও এশদিনৰ মজুৰি ভিত্তিক নিশ্চিত নিয়োগৰ সুবিধাৰে গ্ৰামাঞ্চলত জীৱন ধাৰণৰ নিৰাপত্তা বৃদ্ধিকৰণেই মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আইন এম জি এনৰেগাখনৰ উদ্দেশ্য। কিন্তু নগাঁও জিলাত সেই ছয় পৃষ্ঠাত চাওক

■ প্ৰশাসনে বন্ধ কৰিলে বিপণী

## মৰিগাঁৱত প্ৰশাসনৰ নিৰ্দেশনা আওকাণ কৰি বিক্ৰী উচ্চ শব্দ প্ৰাবল্যৰ আতচবাজী

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৪ নৱেম্বৰ ঃ** ৰাজ্য চৰকাৰে দেৱালী উপলক্ষে আতচবাজীৰ ক্ষেত্ৰত জিলা প্ৰশাসনক ইখনৰ পাছত সিখনকৈ নিৰ্দেশনা দিয়াৰ পাছতো মৰিগাঁৱত কালিৰে পৰা মুকলিভাৱে ৰকেট জাতীয় সামগ্ৰীৰ লগতে উচ্চ শব্দ প্ৰাৱল্যৰ আতচবাজী বিক্ৰী হোৱাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অৱশ্যে ইয়াৰ মাজতে আজি সন্ধিয়া চহৰখনত অবৈধভাৱে আতচবাজী বিক্ৰী কৰা কে'বাখনো দোকানত অনুজ্ঞাপত্ৰবিহীন সামগ্ৰী জিলা প্ৰশাসনে জব্দ কৰে। মৰিগাঁও জিলা প্ৰশাসনৰ পৰা অনুজ্ঞাপত্ৰ লোৱা আৰু অনুজ্ঞাপত্ৰ নোলোৱা বহুকেইখন ব্যৱসায়িক প্ৰতিষ্ঠানে দীপাৱলী উপলক্ষে চহৰখনত আতচবাজীৰ ব্যৱসায় কৰা ব্যৱসায়ীসকলে প্ৰদূষণ ছয় পৃষ্ঠাত চাওক

■ ঘৰৰ ভিতৰত নিৰ্মাণ শৌচাগাৰ, শৰীৰ চৰ্চা কেন্দ্ৰ

## আৰক্ষীত কৰ্মৰত ভ্ৰাতৃৰ একাউণ্টত সোমাল এনৰেগাৰ ধন

অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ৪ নৱেম্বৰ ঃ** নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত মেৰবিল পঞ্চায়তৰ সভাপতি জোনটি বড়াই জব কাৰ্ডৰ নামত সংঘটিত কৰিছে ব্যাপক দুৰ্নীতি। প্ৰাপ্ত অভিযোগ অনুসৰি, উক্ত পঞ্চায়তত অগপ দলৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি সভাপতিৰ আসনত জয়ী হোৱা আৰু বৰ্তমান অসম জাতীয় পৰিষদত যোগদান কৰা বড়াই দীৰ্ঘদিন ধৰি পঞ্চায়তখনত চলাই আহিছে ব্যাপক দুৰ্নীতি আৰু স্বজন তোষণৰ নীতি। সভাপতিজনৰ দুৰ্নীতি ইমানেই শিপাইছে যে তেওঁ আনকি অসম আৰক্ষীত কৰ্মৰত নিজৰ ভ্ৰাতৃৰ নামো তেওঁৰ পৰিয়ালৰ থকা এনৰেগাৰ এএছ১৭-০১৩-০০৪-০২৫-১৩ নম্বৰ জব কাৰ্ডত সন্নিবিষ্ট কৰি হাজিৰা কৰা দেখুৱাই দীৰ্ঘদিন ধৰি চৰকাৰী ধন আত্মসাৎ কৰি আহিছে। ছয় পৃষ্ঠাত চাওক

## হাউলীত আৰক্ষীৰ জালত জুৱাৰী

অগ্ৰদূত বাৰ্তা

**হাউলী, ৪ নৱেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত দীপাৱলীৰ সুযোগ লৈ একাংশ জুৱাৰীয়ে জুৱাৰ বজাৰ গঢ়ি তুলিছে। হাউলীতো একাংশ জুৱাৰীয়ে জুৱা খেল আৰম্ভ কৰিবলৈ লওঁতেই তৎপৰ হৈ পৰিছে আৰক্ষী। যোৱা নিশা হাউলী থানাৰ আৰক্ষীয়ে হাউলী মৈৰামাৰাত খেল আৰম্ভ কৰোতেই জুৱা খেলৰ কিছু সামগ্ৰী সহ জুৱাৰী এজনক হাতে লোটে কৰায়ত্ত কৰে। ধৃত জুৱাৰীজন হাউলী মৈৰামাৰাৰ আনোৱাৰ হুছেইন (২৭)। ইতিমধ্যে হাউলী আৰক্ষীয়ে জুৱাৰীজনৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ আসাম গেমিং এণ্ড বেটিং ১৪১৫ ধাৰাত হাউলী থানাত ৬২৬/২১ নম্বৰত এটা গোচৰ ৰুজু কৰি আদালতত হাজিৰ কৰোৱাত আদালতে জেলা হাজোতলৈ প্ৰেৰণ কৰে।

## মাটিৰ দালালক গ্ৰেপ্তাৰত ব্যৰ্থ আৰক্ষী

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ৪ নৱেম্বৰ ঃ** যোৱা ২০ ছেপ্টেম্বৰত ৰাজ্যজুৰি অসম আৰক্ষীয়ে মাটিৰ দালালৰ বিৰুদ্ধে চলোৱা অভিযানৰ সময়ত বিহপুৰীয়াত আৰক্ষীয়ে প্ৰদীপ মজুমদাৰ নামৰ এজন মাটিৰ দালালক গ্ৰেপ্তাৰ কৰিছিল যদিও আব্দুল কালাম আহমেদ নামৰ আন এজন দালাল পলাই সাৰিবলৈ সক্ষম হৈছিল। যোৱা ২১ ছেপ্টেম্বৰত পলাতক মাটিৰ দালাল কালামৰ বাসগৃহত অভিযান চলাই বিহপুৰীয়া আৰক্ষীয়ে দ'ম দ'ম মাটিৰ কাগজ পত্ৰ জব্দ কৰিছিল যদিও আজি পৰ্যন্ত বিহপুৰীয়া পৌৰ সভাৰ কৰ্মচাৰী তথা মাটিৰ দালাল কালামক বিহপুৰীয়া আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহ'ল। শেহতীয়াকৈ বিহপুৰীয়া পৌৰ সভাই এইজন মাটিৰ দালালৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তথা বিহপুৰীয়া পৌৰসভাৰো কাৰ্যবাহী বিষয়াৰ দায়িত্বত থকা ঋতুৰাজ বৰদলৈয়ে মাটিৰ দালাল কালামৰ বিৰুদ্ধে কোনো ধৰণৰ শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰাত ক্ষুব্ধ হৈছে ৰাইজ। ছয় পৃষ্ঠাত চাওক

## ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া, শিক্ষা, নৃত্য প্ৰতিযোগিতাত উজলিল আঠ ছাত্ৰ-ছাত্ৰী

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৪ নৱেম্বৰ ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়া, নৃত্য আৰু এন ই ই টি পৰীক্ষাত শিৱসাগৰৰ আঠ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা দেখুৱাই সফলতা অৰ্জন কৰি ৰাজ্যখনৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ক্ৰীড়াৰ ক্ষেত্ৰখনত অল ইণ্ডিয়া কুংফু প্ৰতিযোগিতা আৰু স্কুল গেমছ অৰিয়েণ্টছন শিবিৰত বিভিন্ন শাখাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই শিৱসাগৰৰ ছয় খেলুৱৈয়ে তিনিটা সোণ আৰু তিনিটা ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। ছাব জুনিয়ৰ ল'ৰাৰ শাখা ৪৪ কেজি শাখাত গৌতম চাংমাই আৰু ৫১ কেজি শাখাত সপোন দুৱৰাই সোণৰ পদক লাভ কৰাৰ লগতে ৫১ কেজি শাখাত ৰূপৰ পদক লাভ কৰে ঋষভ ফুকনে। অনূৰ্ধ্ব-১৯ৰ ল'ৰাৰ ৫৬ কেজি শাখাত ৰঘুনন্দন কুমাৰে সোণৰ পদক লাভ কৰাৰ বিপৰীতে ছোৱালীৰ ৫২ কেজি শাখাত চিম্পিৰাণী মহন আৰু ৪৬ কেজি শাখাত স্নিগ্ধা কোঁৱৰে ৰূপৰ পদক লাভ কৰি অসমৰ লগতে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ইয়াৰ উপৰি প্ৰতিযোগিতাৰ মাজতেই ৰেফাৰীৰ প্ৰশিক্ষণ সমাপ্ত কৰে জিলাখনৰ তিনি প্ৰশিক্ষক জালালউদ্দিন আহমেদ, সুৰেন বৰ্মন আৰু সত্যজিত মহনে। ইফালে, সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা এন ই ই টি পৰীক্ষাত সদ্যঘোষিত ফলাফলত শিৱসাগৰৰ জিছান তৌছিফে সফলতাৰে উত্তীৰ্ণ হোৱা বতৰাই উৎফুল্লিত কৰিছে শিৱসাগৰবাসীক। এইবাৰ এন ই ই টি পৰীক্ষাত অৱতীৰ্ণ হোৱা ১৬ লাখ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত জিছানে ৭৫৯৭ ৰেংক লাভ কৰিছে। শিৱসাগৰ দৰবাৰ চুকৰ তামিজ আহমেদ আৰু জৰ্জিনা ৰহমানৰ পুত্ৰ জিছানে চলিত বৰ্ষৰ জে ই মেইনছ পৰীক্ষাতো সৰ্বভাৰতীয় পৰ্যায়ৰত ৯১১ ৰেংক লাভ কৰি ছয় পৃষ্ঠাত চাওক

■ কামপুৰৰ সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাৰ অভিনৱ প্ৰয়াস

## ১০ বছৰে কামপুৰত নিতৌ এঘণ্টাকৈ মাইকযোগে সুধাকণ্ঠৰ গীতৰ প্ৰচাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ৪ নৱেম্বৰ ঃ** কাইলৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ মৃত্যু দিৱস। ড° হাজৰিকাৰ মৃত্যুৰ দিনাৰ পৰা কামপুৰৰ এজন সাংবাদিকে চলাই আহিছে এক নিৰলস প্ৰচেষ্টা। সাংবাদিক সমৰেন্দ্ৰ নাৰায়ণ বৰাই কামপুৰ নগৰৰ বজাৰত সুধাকণ্ঠৰ গীতসমূহ মাইকযোগে প্ৰচাৰ কৰি এক অভিনৱ প্ৰয়াস কৰি আহিছে। বিগত ২০১১ৰ পাঁচ নৱেম্বৰৰ ড° হাজৰিকাৰ মহাপ্ৰয়াণৰ দিনৰ পৰাই প্ৰতিদিনে এঘণ্টাকৈ কামপুৰ নগৰত গীতসমূহ মাইকযোগে তেওঁ প্ৰচাৰ কৰি আহিছে। ড° হাজৰিকাৰ মৃত্যুৰ সময় বিয়লি ৪-৩৭ বজাৰ লগে লগে মাইকত বাজি উঠে 'মানুহে মানুহৰ বাবে' আদি সুধাকণ্ঠৰ কালজয়ী গীত। বিগত ১০ বছৰ ধৰি সাংবাদিকজনে কামপুৰ নগৰবাসীক সুধাকণ্ঠৰ গীত শুনাই এক নজিৰ সৃষ্টি কৰিছে। সুধাকণ্ঠৰ গীতসমূহ বিশেষ পদ্ধতিৰে বাণীবদ্ধ কৰি প্ৰতিদিনে প্ৰচাৰ কৰি আহিছে। বতাহ-বৰষুণ বা প্ৰতিকূল পৰিস্থিতি হ'লেও সাংবাদিক বৰাই গীতসমূহ প্ৰচাৰ কৰাক এক দায়িত্ব আৰু কৰ্তব্যৰূপে পালন কৰি আহিছে। বিয়লিৰ এই সময়খিনি উপভোগ কৰিবৰ বাবে প্ৰতিজন কামপুৰীয়া ৰাইজে অপেক্ষা কৰি থাকে। কামপুৰৰ ৰাইজে সুধাকণ্ঠৰ সুমধুৰ গীত শুনি সেই সময়ছোৱাত মানসিক অৱসাদ দূৰ কৰি আহিছে।

## আগমনীত বৃহৎ পৰিমাণৰ নিচাজাতীয় দ্ৰব্য জব্দ ঃ ধৃত এক

অগ্ৰদূত বাৰ্তা

**আগমনী, ৪ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনী থানাৰ আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই বৃহৎ পৰিমাণৰ নিচাজাতীয় দ্ৰব্যসহ এজন লোকক আটক কৰে। আগমনী আৰক্ষীয়ে কোচবিহাৰৰ পৰা ধুবুৰী অভিমুখে আহি থকা এএছ১৭বি-৬৫২৭ নম্বৰৰ যাত্ৰীবাহী বাছ এখনেৰে বৃহৎ পৰিমাণৰ নিচাজাতীয় দ্ৰব্য কঢ়িয়াই অনাৰ খবৰ লাভ কৰে। গোপন সূত্ৰৰ আধাৰত লাভ কৰা খবৰৰ ভিত্তিত আগমনী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আমিনুৰ ৰহমানৰ নেতৃত্বত আৰক্ষীৰ দলে আগমনী ছয় পৃষ্ঠাত চাওক

## শালমাৰাত শোকাৱহ পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**দুমুনিচকী, ৪ নৱেম্বৰ ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত শালমাৰাত আজি দিনৰ প্ৰায় ১-৩০ বজাত সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত ভাৰতীয় বায়ুসেনা বিভাগত কৰ্মৰত বহিঃৰাজ্যৰ এগৰাকী মহিলা কৰ্মচাৰী থিতাতে নিহত হয়। আনহাতে, মহিলাগৰাকীৰ স্বামীক ছয় পৃষ্ঠাত চাওক

## ঘগ্ৰাপাৰত সাত বছৰে অসম্পূৰ্ণ সুধাকণ্ঠৰ স্মৃতিত নিৰ্মিত মঞ্চ-উদ্যান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৪ নৱেম্বৰ ঃ** সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত পূৰ্বৰ কংগ্ৰেছ চৰকাৰে ২০১৪ত অসমৰ প্ৰতিখন উন্নয়ন খণ্ড অঞ্চলত একোখন ড° ভূপেন হাজৰিকা মুকলি মঞ্চ আৰু উদ্যানক বাবে ৰূপায়ণ কৰা অভিলাষী আঁচনিখন ৰাজ্যৰ বিভিন্ন ঠাইত ৰূপায়ণ কৰিছিল। নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৩ নম্বৰ ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত অঞ্চলত ঘগ্ৰাপাৰ হাইস্কুল ৰূপায়ণ হোৱা আঁচখিন প্ৰহসনত পৰিণত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে ২০১৪ তে তদানীন্তন নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই উক্ত আঁচনিখনৰ আধাৰশিলা স্থাপন কৰিছিল। অৱশ্যে চৰকাৰৰ গ্ৰামোন্নয়নৰ এম জি এনৰেগাৰ ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'ব লগা ড° হাজৰিকাৰ মঞ্চ আৰু উদ্যানখন বিগত প্ৰায় সাত বছৰে অসম্পূৰ্ণ হৈ থকাত বৃহত্তৰ অঞ্চলটোৰ অন্যান্য সংগঠনৰ লগতে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ছয় পৃষ্ঠাত চাওক

**শীঘ্ৰে মুকলিৰ দাবী যুৱ-ছাত্ৰ পৰিষদৰ**



## ঢকুৱাখনাত পথ দুৰ্ঘটনাত নিহত অভিযন্তা

**তিনিজনক মূমূৰ্ষু অৱস্থাত উন্নত চিকিৎসাৰ বাবে প্ৰেৰণ**

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৪ নৱেম্বৰ ঃ** ঢকুৱাখনা মহকুমাৰ সোণাৰী চাপৰি আৰক্ষী চকীৰ অন্তৰ্গত সোমদিয়া দলত আজি সন্ধিয়া ৭-৩০ বজাত পথ দুৰ্ঘটনাত কনিষ্ঠ অভিযন্তা বাপী দত্ত (৩২)ৰ মৃত্যু হোৱাৰ লগতে তিনিজন গুৰুতৰভাৱে আহত হয়। নিহত লোকজন কমলাবাৰী চিভিল তিনিআলিৰ বাসিন্দা তথা লোক নিৰ্মাণ বিভাগৰ কনিষ্ঠ অভিযন্তাৰ লগতে আহত তিনিজন হ'ল কমলাবাৰী দৰিয়া গাঁৱৰ ৰিকি বৰুৱা, ওপৰ কাটনি গাঁৱৰ উৎপল শইকীয়া আৰু দৰিয়া অংকিত বাল্মিকী। বৰ্তমান সংকটজনক অৱস্থাত গড়মূৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ পাছত উন্নত ছয় পৃষ্ঠাত চাওক



সত্যমেব জয়তে

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত
সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱৰ
দশম মৃত্যু বাৰ্ষিকী উপলক্ষে
।। ৫ নৱেম্বৰ, ২০২১ তাৰিখে পুৱা ১০-০০ বজাত ।।
জালুকবাৰীস্থিত ড° ভূপেন হাজৰিকাদেৱৰ সমাধিক্ষেত্ৰত

স্মৃতি তৰ্পণ আৰু সৰ্ব ধৰ্ম প্ৰাৰ্থনা অনুষ্ঠান

ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰা হ'ল।

জনসংযোগ/ডি/৮৭৯৭/২১

সঞ্চালক
সাংস্কৃতিক পৰিক্ৰমা, অসম

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৮ কাতি ১৪২৮ ভাস্কৰাব্দ ৫ নৱেম্বৰ ২০২১



# হীনমন্যতাই কাৰণ

অসমীয়া সমাজখনেই সমন্বয়ৰ সমাজ। বিভিন্ন ধৰ্মাৱলম্বী, ভাষা-ভাষী লোকৰ সমন্বয়ত এইখন সমাজ গঢ়ি উঠিছে। এইটো মনত ৰখা উচিত যে ভাষা, ধৰ্ম যিয়েই নহওক, ভাৰতীয় নাগৰিকসকলক দ্বিতীয় শ্ৰেণীৰ লোক হিচাপে গণ্য কৰাৰ কাৰো অধিকাৰ নাই। বহুতেই ইংৰাজী মাধ্যমৰ শিক্ষাই অসমীয়া ভাষাৰ ক্ষতি কৰিছে বুলি সততে চৰ্বিত-চৰ্বণ কৰা শুনিবলৈ পোৱা যায়। কিছু সংখ্যকে আকৌ চৰ চাপৰিতহে অসমীয়া ভাষাৰ অস্তিত্ব থাকিবগৈ বুলিও কোৱা শুনো; কিন্তু আন ঠাইৰ লগতে চৰ চাপৰি অঞ্চলত ঘূৰি ফুৰি দেখিছো যে সেইবোৰ অঞ্চলতো ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ দ্ৰুতগতিত সম্প্ৰসাৰণ ঘটিছে। ইংৰাজী ভাষাৰ আগ্ৰাসনৰ সমস্যাটো অসমৰেই কেৱল নহয়, ভাৰতবৰ্ষৰ সকলো থলুৱা ভাষা-ভাষীৰ বাবেই ই সমস্যা হৈ উঠিছে। তৎসত্ত্বেও হিন্দীকে ধৰি প্ৰায়বোৰ ভাষা-ভাষীৰ সংখ্যা বৃদ্ধি পাই গৈ আছে।

আমাৰ মূল ত্ৰুটি হ'ল— অশেষ চেষ্টা কৰাৰ পাছতো ৰাজ্যভাষা প্ৰয়োগৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা প্ৰয়োজনীয় উদ্যোগ লোৱা নহ'ল। অসমীয়া ভাষীৰ সংখ্যা হ্ৰাস হোৱা বুলি অযথা হৈ চৈ কৰাসকলে চৰকাৰী কাৰ্যালয়ত ৰাজ্যিক ভাষা প্ৰয়োগৰ ওপৰতহে গুৰুত্ব দিয়া উচিত। অসম চৰকাৰৰ অধিকাংশ বিষয়া-কৰ্মচাৰীয়েই থলুৱা লোক, তেনেস্থলত ৰাজ্য ভাষা ব্যৱহাৰ নকৰাটোৱে কি সূচায়? তেনেদৰে ব্যৱসায়-প্ৰতিষ্ঠান আদিৰ নাম ফলকত স্থানীয় ভাষা ব্যৱহাৰৰ ক্ষেত্ৰত অনীহা প্ৰকাশ কৰি অহা হৈছে।

সময়ে সময়ে অসমীয়া ভাষীৰ সংখ্যা হ্ৰাস হোৱা লৈ বিতৰ্ক হোৱা দেখা যায় যদিও এই হ্ৰাসৰ গতি ৰুদ্ধ কৰি কিদৰে সংখ্যা বৃদ্ধি কৰাটো সম্ভৱ, সেই লৈ চিন্তা-চৰ্চা কৰা দেখিবলৈ পোৱা নাই। অসমীয়া ভাষীৰ সংখ্যা সম্প্ৰতি হ্ৰাস হোৱাৰ বাবে যেন অন্য ভাষাহে জগৰীয়া, তাকেই প্ৰতিপন্ন কৰিবলৈ লোৱা দেখা গৈছে।

হীনমন্যতাৰ হেতুকেই অসমীয়া চৰকাৰী কৰ্মচাৰীৰ পৰা বিষয়ালৈকে মাতৃভাষাৰ প্ৰতি অনীহা আৰু ইংৰাজীৰ প্ৰতি বিশেষ আকৰ্ষণ দেখিবলৈ পোৱা যায়; অথচ অসমৰ বাহিৰৰ আটাইবোৰ ৰাজ্যৰেই চৰকাৰী কাম-কাজত থলুৱা ভাষাহে ব্যৱহাৰ হয়। তেনেদৰেই বাংগালুৰু, চেন্নাই আদি মহানগৰীসমূহৰ ব্যৱসায়-প্ৰতিষ্ঠানসমূহৰো নামফলক ৰাজ্যিক ভাষাত লেখা দেখিবলৈ পোৱা যায়। দৰাচলতে আমাৰ কোনো এগৰাকী মুখ্যমন্ত্ৰীয়েই এই ক্ষেত্ৰত দৃঢ়তা প্ৰদৰ্শন কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰা নাই। মুখ্যমন্ত্ৰীয়ে ৰাজ্যিক ভাষাত চৰকাৰী টোকা লিখা আৰম্ভ কৰিলে নিশ্চয় অন্যান্য মন্ত্ৰী আৰু বিষয়াসকলেও অসমীয়াতেই লিখিলেহেঁতেন। মুখ্যমন্ত্ৰীয়ে চৰকাৰী নথি-পত্ৰত ৰাজ্যিক ভাষাত টোকা লিখা আৰম্ভ কৰি প্ৰশংসনীয় নিদৰ্শন দাঙি ধৰিব পাৰে। আমি এইটোও লক্ষ্য কৰিছো যে অনা অসমীয়া উচ্চপদস্থ বিষয়াসকলে ৰাজ্যিক ভাষা ব্যৱহাৰ কৰিবলৈ আগ্ৰহী যদিও অসমীয়া বিষয়াসকলকেই এই ক্ষেত্ৰত পিছপৰি থকা দেখা যায়। গতিকে জনসাধাৰণে ৰাজ্যিক ভাষা ব্যৱহাৰ নকৰাৰ ক্ষেত্ৰত এইসকল বিষয়া-কৰ্মচাৰীৰ পৰা কৈফিয়ৎ বিচৰাটোহে বাঞ্ছনীয়।

অসমত বসবাস কৰি থকা ভাৰতীয় নাগৰিক, যিসকলৰ মাতৃভাষা অসমীয়া নহয়, তেওঁলোকক আমি জোৰপূৰ্বক কেতিয়াও অসমীয়া ভাষী কৰিব নোৱাৰো। সততে খিলঞ্জীয়াৰ অধিকাৰ দাবী কৰিবলৈ গৈ এচামে অসমত বসবাস কৰি থকা লোকসকলৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিছে। অসমীয়াই সততা আৰু চৰিত্ৰৰ বলেৰেহে সেইসকলক মূলসুঁতিলৈ অনাটো সম্ভৱ; কিন্তু এচাম দুষ্কৃতিকাৰীয়ে নানাৰকমৰ ভাবুকি প্ৰদৰ্শনেৰে সংকীৰ্ণতা প্ৰকাশ কৰি অসমীয়া সংস্কৃতিৰ বিকাশত আঘাত হানিছে আৰু গুণী অসমীয়াক লজ্জানত কৰিছে। সেই আৱৰ্জনাসমূহ আঁতৰ কৰিব পাৰিলেহে অসমীয়া ভাষী হ'বলৈ সকলোৱে ইচ্ছা প্ৰকাশ কৰিব। বল প্ৰয়োগেৰে নহয়, আমাৰ সাধুতা, একাগ্ৰতাৰে সকলোকে আঁকোৱালি লোৱাৰ মানসিকতাৰ ওপৰতহে অসমীয়াৰ ভৱিষ্যত নিৰ্ভৰ কৰিব।

# দৰ্শন আৰু বিজ্ঞানৰ সংঘাত আৰু সমন্বয়


## য'তেই দৰ্শনৰ শেষ, তাতেই বিজ্ঞানৰ আৰম্ভণি


দৰ্শন আৰু বিজ্ঞানৰ মাজত প্ৰত্যক্ষ বা অপ্ৰত্যক্ষ, প্ৰকাশ্য বা অপ্ৰকাশ্য— যেনে ধৰণৰেই হওক এটা সংঘাত বা দ্বন্দ্ব বহুকালৰ পৰাই চলি আহিছে। প্ৰাচীন কালৰ বহু দাৰ্শনিকেই একেধাৰে স্থূলভাৱে হ'লেও বিজ্ঞানীও আছিল, তথাপি এনে সংঘাত আছিলেই। ইয়াৰ বিপৰীতে অৱশ্যে দুয়োবিধকে সনা-পোতোকা কৰাৰো প্ৰচেষ্টা চলিছিল। পৰমাণু তত্ত্বৰ প্ৰৱৰ্তক কণাড, সংখ্যাতত্ত্বৰ দাৰ্শনিক কপিল আদি আছিল দাৰ্শনিক-বিজ্ঞানী। একেদৰে গ্ৰীক দাৰ্শনিক ডিম'ক্ৰিটাছ, প্লেটো, এৰিষ্টট'ল আদিৰ নাম ল'ব পাৰি। দাৰ্শনিক ভাৱনাৰে উদ্বুদ্ধ হৈ এৰিষ্টট'লে পৃথিৱী বিশ্বব্ৰহ্মাণ্ডৰ কেন্দ্ৰত আৰু সূৰ্যকে ধৰি বাকী সকলোবোৰেই পৃথিৱীক কেন্দ্ৰ কৰি ঘূৰে বুলি দিয়া 'বৈজ্ঞানিক' তত্ত্বই প্ৰায় দুহেজাৰ বছৰ ধৰি মানুহৰ মন আচ্ছন্ন কৰি ৰাখিছিল। মহাভাৰতৰ 'ভৃগু-ভৰদ্বাজ সংবাদ'ত ভৰদ্বাজৰ প্ৰশ্নৰ উত্তৰত ভৃগুৱে কৈছিল যে স্থাৱৰ (উদ্ভিদ)-জংগম (প্ৰাণী) সকলো জীৱই পাঞ্চভৌতিক। কৰ্ণ 'আকাশ' মা-নাসিকা 'পৃথিৱী (ক্ষিতি)' ময়ী, জিভা 'জল' (অপ) ময়ী, ত্বক 'বায়ু' (মৰুৎ) ময়ী আৰু চকু 'অগ্নি' (তেজ) ময়ী। ভৰদ্বাজে সুধিলে যে বৃক্ষৰনো চকু, কাণ আদি পঞ্চ জ্ঞানেন্দ্ৰিয় ক'ত আছে! বৃক্ষই নেদেখে (চকু নাই), নুশুনে (কাণ নাই), গন্ধ, ৰস আৰু স্পৰ্শানুভূতিও গছৰ নাই। তেনেহ'লে স্থাৱৰ বৃক্ষ কেনেকৈ পাঞ্চভৌতিক হ'ব?

ভৃগুৱে বুজালে— বৃক্ষৰ শৰীৰৰ পৰমাণুবোৰ নিবিড়ভাৱে সংযুক্ত হৈ থাকিলেও তাৰ মাজতো আকাশ বা শূন্য স্থান বা ব্যোম আছে, সেইবাবেই গছৰ ভিতৰৰ পৰাই ফল-ফুল আদিৰ উৎপত্তি হয়। বৃক্ষৰ শৰীৰত তাপ আছে বাবে পাত, ফুল, ছাল আদি শুকাই যায়। লাজুকীলতা ছুলেই জঁই পৰি যায়, অৰ্থাৎ বৃক্ষৰ স্পৰ্শৰ অনুভূতি আছে। বতাহ, অগ্নি, বজ্ৰ আদিৰ শব্দত গছৰ পাত বিশীৰ্ণ হয়, তাৰ মানে গছে শুনে। লতাবোৰে সঠিকভাৱেই আগবাঢ়ি অন্যত সাবটি ধৰে, তাৰ মানে গছৰ চকু আছে। গছৰ বেমাৰ হ'লে ধূপ-ধূনা জ্বলাই ধোঁৱা দিলে আৰোগ্য হয়, অৰ্থাৎ বৃক্ষই নিজৰ ঘ্ৰাণ শক্তিৰে ধোঁৱাৰ গোন্ধ লৈ বেমাৰ ভাল কৰে। এনেদৰে ভৃগুৱে আন কিছু উদাহৰণ দি বুজাই দিলে যে স্থাৱৰ বৃক্ষও পঞ্চভূতেৰে গঠিত, ইয়াৰো চকু, কাণ, নাক, জিভা আৰু ছালৰূপী সক্ৰিয় জ্ঞানেন্দ্ৰিয়বোৰ আছে।

মহৰ্ষি ভৃগুৰ যুক্তি বিজ্ঞানসন্মত; আধুনিক বিজ্ঞানৰ ধাৰণা মতে এইবোৰ অৱশ্যেই স্থূল আৰু আদিম যুক্তি। তথাপি এনে ঋষিক বিজ্ঞানী বুলিবই পাৰি। পিছে এনে লোক একে সময়তে দাৰ্শনিকো হোৱাৰ কাৰণে এনে যুক্তিবোৰক দাৰ্শনিক বা আধ্যাত্মিক ধাৰণাৰে ঈশ্বৰ, আত্মা আদিলৈ টানি নিছে ব্যাখ্যাবোৰৰ পাছতে।

প্ৰাচীন কালত যিকোনো ঘটনা বা প্ৰপঞ্চক পৰীক্ষা, পৰ্যবেক্ষণ, সিদ্ধান্ত, সূত্ৰবদ্ধকৰণ আদিৰ যোগেদি 'বিজ্ঞানসন্মত'





কৰি তুলিবলৈ জ্ঞান আৰু পৰীক্ষা-নিৰীক্ষাৰ সুবিধা কম আছিল বাবে এইবোৰৰ লগত 'দৰ্শন' যোগ কৰি ব্যাখ্যা দিবলৈ চেষ্টা কৰাটো তেনেই স্বাভাৱিক আছিল। বিশ্বব্ৰহ্মাণ্ডৰ বিশালতাৰ বিষয়ে জনাৰ কথা বাদহে পৃথিৱীৰেই বিভিন্ন ঠাইৰ মাজত (যেনে— বিভিন্ন মহাদেশবোৰৰ মাজত পাৰস্পৰিক) যোগাযোগ নাছিল; আমেৰিকা, অষ্ট্ৰেলিয়া ধৰণৰ ঠাইবোৰৰ বিষয়ে ভাৰতৰ ঋষি-মুনিয়ে (উদাহৰণস্বৰূপে) জনাটো সম্ভৱ নাছিল।



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

এনে পৰিস্থিতিত কেইহেজাৰমান বছৰৰ আগলৈকে হিমালয় অঞ্চল স্বৰ্গ, উত্তৰ ভাৰত মৰ্ত্য আৰু দাক্ষিণাত্যক পাতাল বুলি 'ত্ৰিভুৱন'ৰ জ্ঞান দিয়া হৈছিল। বিজ্ঞানৰ অতিকৈ উন্নতি হোৱাৰ দিনতো মানুহে বিশ্বব্ৰহ্মাণ্ডৰ বিশালতাৰ বিষয়ে ভালেখিনি কথা জানিলেও কোটি কোটি গ্ৰহ-নক্ষত্ৰৰ ভিতৰত মানুহৰ দৰে বা তাতোকৈ উন্নত বা তলখাপৰ জীৱ আছেনে নাই, তাকো জানিবলৈ সমৰ্থ হোৱা নাই। সেয়েহে দৰ্শনে বাস্তৱ আৰু অবাস্তৱ কল্পনা কিছুমানেৰে বিজ্ঞানৰ লগত একেশাৰীতে আগবাঢ়িবলৈ প্ৰয়াস কৰিছে। বিজ্ঞান আৰু দৰ্শনৰ মাজত পাৰ্থক্য উলিয়াব পৰা হোৱা দিনবোৰত সেইবাবে দাৰ্শনিকে কৈছে— 'য'তেই বিজ্ঞানৰ শেষ, তাতেই দৰ্শনৰ আৰম্ভণি।' একেদৰে বিজ্ঞানীয়েও কয়— 'য'তেই দৰ্শনৰ শেষ, তাতেই বিজ্ঞানৰ আৰম্ভণি।'

প্ৰাচীন কালৰ পৰা দুহেজাৰ বছৰমান আধুনিক কাললৈ আগুৱাই আহিলেও দেখা যাব যে কিছু বিজ্ঞানী, বিশেষকৈ পদাৰ্থ বিজ্ঞানী (লগতে জ্যোতিৰ্বিদ) দাৰ্শনিকৰ ৰূপতো আৱিৰ্ভূত হৈছে। যেনে— আৰ্ণেষ্ট মেক (অষ্ট্ৰিয়া, ১৮৩৮-১৯১৬), জেমছ জীনছ (ব্ৰিটিছ), এডিংটন (ব্ৰিটিছ), হাইজেনবাৰ্গ (জাৰ্মান), শ্ৰ'ডিঞ্জাৰ আদি। ঊনবিংশ শতিকাৰ শেষ ভাগৰ পৰা (ডাৰউইনৰ ক্ৰমবিকাশ তত্ত্ব এই সময়তে ওলাইছিল) বিংশ শতিকাৰ প্ৰথম দুটামান দশকলৈ পৰীক্ষামূলক বিজ্ঞানৰ দ্ৰুততৰ বিকাশ হৈছিল, যাৰ ফলত পদাৰ্থ বিজ্ঞানৰ (লগতে জীৱবিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, ৰসায়ন বিজ্ঞান আদিৰো) বিপুল পৰিমাণৰ বৈপ্লৱিক পৰিৱৰ্তন ঘটিছিল। এইবোৰ সময়তে মেক্স প্লাংকৰ কোৱান্টাম তত্ত্ব, হাইজেনবাৰ্গৰ অনিশ্চয়তাৰ সূত্ৰ, শ্ৰ'ডিঞ্জাৰৰ তৰংগ সূত্ৰ, আইনষ্টাইনৰ বিশেষ আৰু সাধাৰণ আপেক্ষিকতাবাদ আদিও আৱিষ্কৃত হৈছিল। লক্ষ্যণীয়ভাৱে ঊনবিংশ শতিকাৰ শেহভাগত পদাৰ্থ বিজ্ঞানীৰ মনলৈ একপ্ৰকাৰ জড়তা আহিছিল, কাৰণ তেওঁলোকৰ ধাৰণা হৈছিল যে বিশ্বব্ৰহ্মাণ্ডৰ সকলো ঘটনা নিউটনৰ বলবিদ্যাৰে ব্যাখ্যা কৰিব পাৰি, গতিকে বিশ্ব ৰহস্যৰ বিষয়ে পদাৰ্থ বিজ্ঞানৰ আৰু নতুনকৈ জানিব লগা একো নাই, সকলোবোৰ জনা হৈ গৈছে। তেনে সময়তে কোৱান্টাম তত্ত্বকে ধৰি ওপৰত উল্লেখ কৰা তত্ত্ববোৰ আৱিষ্কৃত হৈ সকলোকে জোঁকাৰি পেলালে, কাৰণ নিউটনৰ বলবিদ্যাৰে সীমিত ভৰ আৰু বেগত আৱদ্ধ বস্তুৰ বিষয়েহে জানিব পাৰি। অতি ক্ষুদ্ৰ (পৰমাণু স্তৰত), অতি বৃহৎ (যেনে কৃষ্ণ গহ্বৰ), অতি বেগী (যেনে পোহৰ বা ইয়াৰ ওচৰ-পাঁজৰে গতি কৰা) বস্তুৰ ক্ষেত্ৰত কোৱান্টাম আৰু আপেক্ষিকতাবাদহে প্ৰযোজ্য হয়। সেইবোৰতো 'অনিশ্চয়তা' আছে। গতিকে পদাৰ্থ বিজ্ঞানে এইবাৰ নতুন জগত এখনক গৱেষণাৰ আধাৰ কৰি ল'লে।

ওপৰত নাম দিয়া দাৰ্শনিক বিজ্ঞানীকেইগৰাকীয়ে (লগতে আন বহুতেই) 'পৰীক্ষাগাৰ'ৰ ভূমিকা নথকা দাৰ্শনিক ৰচনাত নানা ধৰণে ভাৱবাদী আৰু আধ্যাত্মবাদী দাৰ্শনিক সিদ্ধান্ত প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰিছিল। এওঁলোকৰ লগতে আন্তৰ্জাতিক খ্যাতিসম্পন্ন পদাৰ্থ বিজ্ঞানী ফ্ৰিটজফ কাপুৰাই 'দি তাও অৱ ফিজিক্স' নামৰ এখন গ্ৰন্থত আধুনিক পদাৰ্থ বিজ্ঞানে বিশ্বজগত সম্পৰ্কে 'মায়াবাদী' তত্ত্বৰ পোষকতা কৰিছে বুলিছিল

। হিন্দু, বৌদ্ধ, চীনৰ তাও, কনফুচীয় ইত্যাদি দৰ্শনৰ অনেক উদ্ধৃতি দি বুজাব খোজা হৈছে যে পদাৰ্থ বিজ্ঞানে প্ৰাচীন দৰ্শনৰ ফালে গতি কৰিছে। সাংখ্যৰ ভাষাৰ প্ৰকৃতি প্ৰধান নে বৈজ্ঞানিক ভাষাৰ বৃক্ষ প্ৰধান? জগতখন শিৱ আৰু শক্তিৰ সমন্বয়, শংকৰাচাৰ্যৰ ভাষাত জগতখনেই মায়া, কেৱল ব্ৰহ্মহে সত্য। হিন্দু ধৰ্মৰ দৰ্শনত থকা পৰস্পৰ বিৰোধী 'বাদ'বোৰ পদাৰ্থ বিজ্ঞানৰ তত্ত্বৰ ব্যাখ্যাৰ বাবেও অনা হৈছে। একেকেইখন উপনিষদ মন্থন কৰি শংকৰাচাৰ্য, শংকৰদেৱ, ৰামানুজ, বল্লভাচাৰ্য আদিয়ে দ্বৈতবাদ, অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈতাদ্বৈতবাদ আদি বহু বাদ উলিয়াইছিল, যিবোৰ এটাৰ লগত আনটো নিমিলে। কাপৰাৰ গ্ৰন্থইও দৰ্শন আৰু বিজ্ঞানৰ সনা-পোতোকাৰ যোগেদি খেলিমেলিৰ সৃষ্টি কৰিছে, পদাৰ্থ বিজ্ঞান যেন দৰ্শনৰ যমজ ৰূপহে।

প্ৰাচীন শাস্ত্ৰবোৰত অলৌকিক কাহিনীৰ উপস্থাপনা কৰাৰ দৰে কাপৰাইও নিজৰ অভিজ্ঞতাৰে এটি 'মায়াবাদী' গল্পৰ অৱতাৰণা কৰিছে। তেওঁ এদিন সমুদ্ৰৰ পাৰত নিশ্চিন্ত মনেৰে বহি থকাৰ সময়ত হঠাতে তেওঁৰ মনৰ চকুৱে দেখিলে যে তেওঁ পৰীক্ষাগাৰত পোৱা অভিজ্ঞতাৰ অণু-পৰমাণু, মহাজাগতিক ৰশ্মি আদি সকলো মিলি মহাজাগতিক নৃত্যৰ ছন্দৰে যেন নৃত্য কৰিবলৈ ধৰিছে। তেওঁ উপলব্ধি কৰিলে যেন হিন্দু শাস্ত্ৰৰ শিৱই তেওঁৰ সমুখত বিশ্বৰ ছন্দেৰে নাচিব লাগিছে। তেওঁৰ 'আকস্মিক' অলীক দৰ্শনে বুজাই দিলে যেন সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডই বিশেষ তৰংগৰে দুলি থাকে, যি দোলন বৃহত্তৰ বিশ্ব সত্তাৰ পৰা ক্ষুদ্ৰতম অণু-পৰমাণুলৈকে বিস্তৃত। পদাৰ্থৰ দ্বৈত ভূমিকাৰ তৰংগ আৰু কণাৰ ৰূপ শ্ৰ'ডিঞ্জাৰে বোধহয় এইদৰেই বুজাইছিল।

ঘটনাটোৱে বিষ্ণু ৰাভাৰ 'বিশ্বৰ ছন্দে ছন্দে/মহানন্দে আনন্দে/ নাচা নাচা তমোহৰদেউ নাচা' গীতেৰে কৰা তাণ্ডৱ নৃত্যলৈ মনত পেলাই দিয়ে। হিন্দু শাস্ত্ৰই কয়, প্ৰলয় কালত সংহাৰকৰ্তা শিৱই বিশেষ ছন্দেৰে তাণ্ডৱ নৃত্য কৰে, যি ছন্দৰ হেনো তথাকথিত 'মহাজাগতিক ছন্দ'ৰ লগত

**প্ৰাচীন কালৰ কল্পনা, অধ্যাত্মিক দৰ্শন, মায়াবাদ, ৰহস্যবাদ আদিৰ লগত পদাৰ্থ বিজ্ঞানৰ আধুনিক ৰূপ একেই, অৰ্থাৎ প্ৰাচীন কালৰ দৰ্শনেই সকলোবোৰ আৱিষ্কাৰ কৰি থৈ গৈছিল প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে, আধুনিক পদাৰ্থ বিজ্ঞানে সেইবোৰ পুনৰ আৱিষ্কাৰহে কৰিছে**

মিল আছে। ১৯২৮ মানত বোধহয় কলাগুৰুৱে গীতটো ৰচিছিল, তেওঁ আছিল পদাৰ্থ বিজ্ঞানৰ ছাত্ৰ। সেই সময়ত ইতিমধ্যে কৈ অহা পদাৰ্থ বিজ্ঞান আৰু দৰ্শনৰ ধাৰণাৰ সনা-পোতোকা কৰিছিল এচাম সফল বিজ্ঞানীয়ে, য'ত মহাজাগতিক ছন্দৰ ধাৰণাও আছিল। ৰাভাই কলকাতাত থাকি সেই সময়ৰ বিজ্ঞানৰ এই আচহুৱা ৰসৰ স্বাদ পায়েই 'বিশ্বৰ ছন্দে ছন্দে-তমোহৰ মহাদেৱক নচুৱাইছিল' বুলি ভাবিলে ভুল নহ'বও পাৰে। এয়া সম্পূৰ্ণৰূপে আমাৰ নিজস্ব ধাৰণা, ইয়াৰ বেলেগ কোনো আধাৰ নাই।

হাইজেনবাৰ্গৰ অনিশ্চয়তাৰ সূত্ৰমতে পদাৰ্থৰ দুটা সম্পৰ্কিত ধৰ্মৰ মান একে সময়তে সম্পূৰ্ণ সঠিকভাৱে জুখিব নোৱাৰি। যেনে— এটা গতি কৰি থকা বস্তুৰ গতিবেগ আৰু স্থান একে সময়তে জুখি উলিয়াব নোৱাৰি। সম্পূৰ্ণ শুদ্ধভাৱে, অৰ্থাৎ গতিবেগ বা স্থান নিৰ্ণয়ত সামান্যভাৱে হ'লেও ভুল থাকিবই। চাক্ষুস আৰু স্থূল জগতখনত জোখৰ ভুল তেনেই সামান্য হোৱাৰ বাবে ধৰিব নোৱাৰি যদিও পৰমাণুৰ দৰে সূক্ষ্ম বস্তু তথা প্ৰচণ্ড গতিবেগৰ ক্ষেত্ৰত এই ভুল ধৰা পৰে। অৰ্থাৎ বেছি স্থূলভাৱে ক'বলৈ গ'লে জগতত নিশ্চিত বুলি কোনো কথা নাই। আইনষ্টাইনে এই সূত্ৰ মানিব খোজা নাছিল; কিন্তু জীৱনৰ শেষলৈকে সূত্ৰটোৰ ভুল উলিয়াবলৈ চেষ্টা কৰিও বিফল হৈছিল। সি যি কি নহওক, এই অনিশ্চয়তাৰ ধাৰণাক 'ব্ৰহ্ম সত্য, জগত মিথ্যা' ধৰণৰ দাৰ্শনিক ধাৰণাৰ লগত মিলোৱা হ'ল, জীৱনৰ নিশ্চয়তা নথকাৰ লগতো কথাবোৰ খাপ খালে, গতিকে দাৰ্শনিক ধাৰণাৰ জয়গান গোৱাত এচাম বিজ্ঞানী, বিশেষকৈ পদাৰ্থ বিজ্ঞানী ব্যস্ত হ'ল। ইয়াৰ লগতে আহিল আইনষ্টাইনৰ আপেক্ষিকতাবাদ, যিটোৱে নিউটনীয় বল-বিদ্যাৰে নিৰ্মিত ভৌত বিজ্ঞানৰ ভেঁটি থৰক-বৰক কৰি দিলে। এই সূত্ৰমতে বিশ্বৰ সকলোবোৰেই আপেক্ষিক, পৰম বুলি কোনো কথা নাই। হিন্দু বা আন দৰ্শনেও কয় যে বিশ্বব্ৰহ্মাণ্ডৰ সৰ্বশক্তিমান, সৰ্ববিৰাজমান, সৃষ্টিকৰ্তা তথাকথিত ঈশ্বৰজনহে একমাত্ৰ 'পৰম', বাকী সকলোৱেই 'তেওঁৰ পৰিপ্ৰেক্ষিতত আপেক্ষিক।' কথাটো এনেকুৱা হয় যেন প্ৰাচীন কালৰ কল্পনা, অধ্যাত্মিক দৰ্শন, মায়াবাদ, ৰহস্যবাদ আদিৰ লগত পদাৰ্থ বিজ্ঞানৰ আধুনিক ৰূপ একেই, অৰ্থাৎ প্ৰাচীন কালৰ দৰ্শনেই সকলোবোৰ আৱিষ্কাৰ কৰি থৈ গৈছিল প্ৰকৃতি আৰু বিশ্বব্ৰহ্মাণ্ড সম্পৰ্কে, আধুনিক পদাৰ্থ বিজ্ঞানে সেইবোৰ পুনৰ আৱিষ্কাৰহে কৰিছে।

এজন যুক্তিবাদীয়ে ব্যংগভাৱে কোৱাৰ দৰে— 'বিশ্বব্ৰহ্মাণ্ডৰ স্বৰূপ সম্বন্ধে বিগত প্ৰায় তিনি হেজাৰ বছৰ ধৰি মানৱিক জ্ঞান আৰু চিন্তা-চেতনাই এখন সমতল ক্ষেত্ৰত বৃত্তাকাৰে ঘূৰি আছে, আৱিষ্কাৰবোৰৰ যেন পুনৰাবৃত্তিহে কৰিছে।' বৰ্তমানৰ গোড়া হিন্দুত্ববাদীসকলে এনে এটা ধাৰণাকে বিয়পাই দিব খুজিছে। যিটো ধাৰণাই এশ বছৰমানৰ আগতে ব্যাপকভাৱে কিছু লোকৰ মনত খোপনি পুতিছিল। সৰু কালৰ পৰাই ধৰ্মবিশ্বাস মানুহৰ মনত এনেদৰে সুমুৱাই দিয়া হয় যে সফল পদাৰ্থ বিজ্ঞানীয়েও ধাৰণাবোৰৰ পৰা সহজে ওলাই আহিব নোৱাৰে।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

**খো লা ম ঞ্চ**

# অসমীয়াৰ বৰ্ণাঢ্য সাজ-পাৰবোৰ হেৰাই যাব নেকি?



**যেতিয়া** অসমীয়া মহিলাসকলে শাৰী পিন্ধিবলৈ আৰম্ভ কৰিছিল, তেতিয়াই যশস্বী কণ্ঠশিল্পী জয়ন্ত হাজৰিকাই গীতৰ মাজেৰে অসন্তোষ প্ৰকাশ কৰি গাইছিল '....মেখেলা-চাদৰৰ আদৰ আজি নাই, শাৰীয়ে অসমীয়াৰ গাত শোভা পায়, শাৰী পিন্ধা দেখি লোকে হাঁহিব খুজিলে মই কোৱা কামটি কৰিবা...'। তেতিয়াৰ সময়ত মেখেলা-চাদৰ এৰি শাৰী পিন্ধা দেখি সৰ্বভাৰতীয় হোৱা বুলি ফিচিঙা-ফিচিং কৰিছিল, হাঁহিছিল। আৰু এতিয়া! এতিয়া অসমীয়া ছোৱালী/মহিলাৰ গাত পেন্ট, টি চাৰ্ট, প্লাজো। মেখেলা-চাদৰ এলাগী হ'ল। পৰিৱৰ্তনৰ ধুমুহাই অসমীয়া মহিলাৰ গাৰ পৰা মেখেলা-চাদৰ উৰুৱাই নি ক'ৰবাত পেলাই দি আন্তৰ্জাতিক পোছাক আমি পিন্ধাই দিলে। সকলো উটি গ'ল পৰিৱৰ্তন নামৰ ধুমুহাত। আমি যেন উটি-ভাহি ফুৰিছো পৰিৱৰ্তনৰ নামত।

আগৰটো ভাল বুলি আঁকোৱালি লৈ নিজৰটো বৰ্জন কৰা বুলি অসমীয়া জাতিৰ বদনাম আছে। সেয়া ভাষাৰ ক্ষেত্ৰতে হওক, সংস্কৃতিৰ ক্ষেত্ৰতে হওক বা সাজ-পোছাকৰ ক্ষেত্ৰতে হওক, আমি সহজতে নিজৰটো এৰি আনৰটো আঁকোৱালি লওঁ। আমাৰ সুৱদি সুৰীয়া অসমীয়া ভাষাটো এৰি চাহাবৰ ভাষাটো শিকি চাহাব হ'বলৈ যাওঁ। ফলত আমি চাহাবটো হ'ব নোৱাৰোৱেই, আমি ভাল অসমীয়াও হ'ব নোৱাৰি হাঁহিয়াতৰ পাত্ৰ হওঁ। তথাপি যেন আমাৰ চেতনা নাই। শংকৰ-মাধৱে দি যোৱা বৰগীত-নৃত্য-ভাওনাৰ দৰে চহকী সংস্কৃতি আমি আনক কিমান বিলাব পাৰিছেশ। অসমীয়া জাতি-উপজাতিৰ বাৰে ৰহনীয়া লোকগীত, লোকনৃত্যৰে সমৃদ্ধ সংস্কৃতিৰ ফালে পিঠি দি আমি বিজতৰীয়া সংস্কৃতিৰ প্ৰতি আকৃষ্ট হৈ পৰিছো।

নিজৰ সাহিত্য-সংস্কৃতি বাদ দি কোনো জাতিয়ে আত্মপৰিচয় জীয়াই ৰাখিব নোৱাৰে। নিজৰ সকীয়া পৰিচয় দাঙি ধৰিব নোৱাৰে। ভাষা যেনেকৈ এটা জাতিৰ পৰিচয়, স্বকীয় সাজ-পাৰো এটা জাতিৰ গৌৰৱ, স্বকীয় পৰিচয়। বাঙালী মহিলা বুলি কোৱাৰ লগে লগে যেনেকৈ স্বকীয় ভংগিমাৰে শাৰী পিন্ধা মহিলা এগৰাকীৰ ছবি চকুৰ আগত ভাহি উঠে, ঠিক তেনেকৈ অসমীয়া মহিলা বুলি ক'লেও মেখেলা-চাদৰ পৰিহিত মহিলা এগৰাকীৰ ছবি চকুৰ আগত ভাহি উঠে। সেয়া অসমীয়া মহিলাৰ স্বকীয় পৰিচয়। কেইবছৰমান আগতে আমি ছিংগাপুৰলৈ যাওঁতে তাৰ প্ৰমাণ পাইছিলো। ছিংগাপুৰ দৰ্শনৰ সময়ত শ্ৰীমতীয়ে মুগাৰ মেখেলা-চাদৰ পিন্ধি আছিল। মই লক্ষ্য কৰিছিলো, প্ৰায়ভাগ মানুহে তেওঁৰ ফালে ঘূৰি ঘূৰি চাইছিল। কেইজনীমান মহিলাই ওচৰলৈ আহি তেওঁৰ সাজযোৰ লিৰিকি-বিদাৰি চাই সুধিছিল— Are you from Assam? তেওঁ মানে শ্ৰীমতীয়ে গৰ্বেৰে 'ইয়েছ' বুলি কৈছিল। আমি গৰ্ববোধ কৰিছিলো অসমীয়া শিপিনীৰ গৌৰ মুগাৰ মেখেলা-চাদৰযোৰৰ আদৰ দেখি। তাতকৈ বেছি গৌৰৱবোধ কৰিছিলো মেখেলা-চাদৰ পিন্ধা বাবে বিদেশতো অসমীয়া বুলি চিনি পোৱা বাবে। সেই মেখেলা-চাদৰৰ আদৰ আজি কমি আহিছে। অগত্যা বিয়া-সবাহ, পূজা-পাৰ্বণ বা ধৰ্মীয় অনুষ্ঠানতহে পিন্ধ দেখা যায় আৰু অসমীয়া ছিৰিয়েলত আৰু চিনেমাত। চিনেমা আৰু ছিৰিয়েলত আদৰ্শ অসমীয়া বোৱাৰীৰ ভাওঁ দিবলৈ কিন্তু মেখেলা-চাদৰ পিন্ধে। পিছে সেইজনী অভিনেত্ৰীক বাস্তৱ জীৱনত মেখেলা-চাদৰ পিন্ধা দেখা নাযায়। পিন্ধিলেও খুব কম সংখ্যকেহে পিন্ধে। পিন্ধাসকলক গাঁৱলীয়া বা আউট্‌দেটেড বুলি ভাবে বহুতে। গাঁৱতো নতুন চামে মেখেলা-চাদৰৰ নামেই নুশুনে।

অকল মহিলাসকলেহে নে পুৰুষসকলেও ধূতি-চোলা পিন্ধিবলৈ এৰিছে। চুৰিয়াৰ কথা

**দাসো কলিতা,** *লেখক*

নক'লোৱেইবা। নতুন চামৰ ডেকাসকলেতো ধূতি পিন্ধিবই নাজানে। বিয়াৰ দিনা দৰা হৈ যাবলৈও লোকে পিন্ধাই দিব লাগে ধূতিখন। আধুনিকতা মানে নিজস্বতা বিসৰ্জন দিয়া কেতিয়াও নহয়। নিজস্ব সাজ-পাৰ, নিজস্ব ভাষা, নিজস্ব সংস্কৃতিৰেহে আমি আমাৰ পৰিচয় দিব লাগিব। এটা সমৃদ্ধ জাতি হিচাপে পৰিচয় দিব লাগিব।

অসমীয়া পাট-মুগাৰ কাপোৰে বিশ্ব জয় কৰিছে। বিশ্ব দৰবাৰত আমাৰ পাট-মুগাৰ কাপোৰৰ আদৰ দেখিলে গৌৰৱত আমাৰ বুকু ফুলি উঠে; কিন্তু আধুনিকতাৰ ধামখুমীয়াত সেই বৰ্ণাঢ্য সাজবোৰ হেৰাই যাব নেকি বাৰু আমাৰ মাজৰ পৰা? হেৰাই যাব নেকি ধূতি-কূৰ্তা, চেলেংচাদৰ, চুৰিয়া, ৰিহা-মেখেলা-চাদৰৰ দৰে অসমীয়া বৰ্ণাঢ্য সাজ-পাৰবোৰ? আধুনিকতাৰ প্ৰবল ঢৌ দেখি, পৰিৱৰ্তনৰ ছুনামি দেখি এই অমংগলীয়া চিন্তাবোৰ মনলৈ আহিছে।

*ফোন ঃ ৯৪৩৫৩০৫০৫৫৬*

# জয়পুৰৰ দিৱালী

## অসম, পশ্চিমবংগকে ধৰি কিছু অঞ্চলত বিশ্বাস কৰে যে দেৱী পাৰ্বতীয়ে মা কালিৰ ৰূপত অসুৰক বধ কৰিছিল


**দিৱালী!** পোহৰৰ উৎসৱ দীপাৱলী অথবা দীপান্বিতা। দীপাৱলী হৈছে ভাৰতৰ আটাইতকৈ ডাঙৰ আৰু প্ৰধান উৎসৱ। হিন্দু, বুদ্ধ, জৈন আৰু শিখ সম্প্ৰদায়ৰ বাবে দীপাৱলী এক আধ্যাত্মিক উৎসৱ।

ভাৰতৰ বিভিন্ন প্ৰান্তত দীপাৱলী পালনৰ কাৰণ ভিন্ন হ'লেও সকলোৰে উদ্দেশ্য মূলতঃ আসুৰিক শক্তিক দমন কৰি শান্তি স্থাপন কৰা। হিন্দু ৰীতি অনুসৰি কাতিৰ অমাৱস্যা তিথিত দীপাৱলী পালন কৰা হয়। উত্তৰ ভাৰতীয়সকলৰ মতে, ৰামচন্দ্ৰই ১৪ বছৰ বনবাস সম্পূৰ্ণ কৰাৰ লগতে ৰাৱণক বধ কৰি সীতা, লক্ষ্মণ আৰু হনুমানৰ স'তে অযোধ্যালৈ উভতি অহাৰ আনন্দতে ৰাজ্যবাসীয়ে দীপাৱলী পালন কৰিছিল। দক্ষিণ ভাৰতীয়সকলৰ মতে এই সময়তে শ্ৰীকৃষ্ণই নৰকাসুৰক বধ কৰিছিল। পশ্চিম ভাৰতত বিশ্বাস— বিষ্ণুৱে বালিৰ যজ্ঞভংগ কৰি মৰ্ত্যৰ পৰা বালিক নৰকৰ ৰজা হ'বলৈ পঠিয়াইছিল। অসম, পশ্চিমবংগকে ধৰি কিছু অঞ্চলত বিশ্বাস কৰে যে দেৱী পাৰ্বতীয়ে মা কালীৰ ৰূপত অসুৰক বধ কৰিছিল। দীপাৱলীত লোক বিশ্বাস অনুসৰি সকলোৱে বাহিৰৰ অপশক্তিক ৰোধ কৰিবলৈ ঘৰ চৌহদত দিয়া বা মাটিৰ চাকিৰে উজ্জ্বলাই তোলে। দীপাৱলীত অসম, পশ্চিমবংগত মা কালীৰ পূজা কৰা হয় যদিও মহাৰাষ্ট্ৰ, ৰাজস্থানকে ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যত লক্ষ্মী পূজা পালন কৰে।

জয়পুৰত দীপাৱলীৰ উৎসাহ আৰু আনন্দই সুকীয়া। গোটেই বছৰটোৱে ইয়াৰ বাসিন্দাসকল যেন দীপাৱলীৰ অপেক্ষাতে থাকে। জয়পুৰত প্ৰায় এমাহ আগৰ পৰা দীপাৱলীৰ প্ৰস্তুতি আৰম্ভ হয়। মন্দিৰ, দুৰ্গ, ঘৰ, দোকান, অফিচ, ৰাস্তাৰ দুয়োপাৰৰ ফুটপাথ, পাৰ্ক সকলোবোৰ চাফ-চিকুণ কৰাৰ লগতে নতুনকৈ ৰং কৰে। অসমত বিয়া-বাৰুৰ বাবে ঘৰখন সজোৱাৰ ধৰণে প্ৰতিবছৰে দীপাৱলীৰ সময়ত গোটেই জয়পুৰখন

**জুৰি বৰ্মন**

আকৌ এবাৰ সুন্দৰভাৱে সজাই তোলে। সেইবাবে হয়তো ৰজাদিনীয়া স্থানসমূহ পৰ্যটকৰ আকৰ্ষণৰ অন্য এটা কাৰণ হৈ পৰে। দীপাৱলীৰ সময়ৰ পৰা মাৰ্চলৈ দেশী-বিদেশী পৰ্যটকেৰে গোটেই জয়পুৰ ভৰি পৰে। অৱশ্যে অন্য সময়তো আহে যদিও



তুলনামুলকভাৱে কম।

জয়পুৰত দীপাৱলী পাঁচদিনীয়াকৈ উদ্‌যাপন কৰা হয়। দীপাৱলীৰ দুদিন আগত অৰ্থাৎ কৃষ্ণা ত্ৰয়োদশীত আৰম্ভ হয় ধনতেৰাছ। এই দিনটো ইয়াত অতি পৱিত্ৰ হিচাপে জ্ঞান কৰা হয়। সকলোৱে ঘৰখনৰ প্ৰয়োজনীয় যিকোনো নতুন বস্তু ঘৰ, গাড়ী, তামৰ পাত্ৰ, সোণ-ৰূপ, বাচন-বৰ্তন আদি ক্ৰয় কৰে।

দ্বিতীয় দিনটো অৰ্থাৎ দীপাৱলীৰ এদিন আগত ছোটী দীপাৱলী। সেইদিনা বহু পৰিয়ালে কাপোৰ, ঘৰ সজোৱা সামগ্ৰী, ফটকা, ফুল, মিঠাই ইত্যাদি কিনিবলৈ বজাৰলৈ যায়। বহুতে আকৌ দৰিদ্ৰ লোকক কাপোৰ, মিঠাই বিভিন্ন খোৱা বস্তু দান কৰে। সন্ধিয়া ঘৰৰ পদূলিত মাটিৰ চাকি জ্বলায়। দীপাৱলী অৰ্থাৎ অমাৱস্যাৰ দিনটোত পালন কৰে লক্ষ্মী পূজা। সৰু ল'ৰা-ছোৱালীৰ পৰা বৃদ্ধলৈ ধনী-দুখীয়া সকলোৱে নতুন কাপোৰ পিন্ধে। চিৰা, বাদাম, নাৰিকল, চুজি, ঘেঁহু আদিৰে ঘিঁ বা তেলত ভাজি পূজাৰ বাবে ঘৰতে প্ৰসাদ তৈয়াৰ কৰে। সন্ধিয়া পূজাৰ শেষত সকলোৱে বাহিৰলৈ ফুৰিবলৈ যায়। দীপাৱলীত আত্মীয় আৰু বন্ধুবৰ্গৰ মাজত উপহাৰ, মিঠাই ভগোৱা এটা পৰম্পৰাৰ লেখীয়া। ঘৰৰ চৌহদত বৈদ্যুতিক লাইট ব্যৱহাৰ কৰিলেও ৰং-বিৰঙৰ মাটিৰ চাকি জ্বলায়।

দীপাৱলীৰ পিছদিনা অন্নকূট বা গোবৰ্ধন পূজা। অন্নকূট মানে পৰ্বতৰ খাদ্য। সেইদিনা চাউল, দাইল, চিৰা, চুৰ্মা, বিভিন্ন পাচলিৰ সম্পূৰ্ণ নিৰামিষ ভোগ প্ৰস্তুত কৰে। প্ৰথমতে শ্ৰীকৃষ্ণক ভোগ দিয়ে আৰু পাছত পৰিয়ালৰ সকলোৱে সেয়া গ্ৰহণ কৰে। বিভিন্ন মন্দিৰত গোবৰ্ধন পূজা পাতে। বহু ৰাজস্থানী পৰিয়ালৰ ঘৰৰ পদূলিত গোবৰ আৰু মাটিৰে মূৰ্তি সাজি পূজা কৰা দেখিবলৈ পাইছো।

দীপাৱলীৰ পঞ্চম দিনটো হ'ল ভাইদুজ। ভ্ৰাতৃ-ভগ্নীৰ মাজত থকা সম্পৰ্কৰ উৎসৱ। সেইদিনা ছোৱালীবোৰে পিতৃ বা ভ্ৰাতৃ গৃহলৈ যায়। তেওঁলোকে ভ্ৰাতৃৰ কপালত ফোট দি দীৰ্ঘায়ু কামনা কৰে। আকৌ ভ্ৰাতৃ বা পিতৃ গৃহৰ পৰা ছোৱালীবোৰক কাপোৰ, অলংকাৰ আদি উপহাৰ দিয়ে। দীপাৱলীৰ সময়ত জয়পুৰখন আটক ধুনীয়াকৈ সজোৱা হয়। Walled City ৰ জোহ্বাৰী বজাৰ, বাপু বজাৰ, সঞ্চয় বজাৰ, বড়ি চোপৰ আদিৰ বৈদ্যুতিক কাৰুকাৰ্য চাবলগীয়া। গোটেই নিশা মানুহৰ ভিৰ। বৃহৎ জুৱেলাৰী, ৰেষ্টুৰেণ্ট কাপোৰৰ দোকান, শ্বপিং মল আদিৰ সন্মুখত মণ্ডপ সজাই (অসমৰ দুৰ্গাপূজাৰ দৰে) গণেশ, লক্ষ্মী আদি দেৱ-দেৱীৰ প্ৰতিমা ৰখাও দেখিছো। এলবাৰ্ট হল, হাৱা মহল, নাহৰগড় দুৰ্গ, জল মহল, বিড়লা মন্দিৰ ইত্যাদি সকলোবোৰ বেলেগ বেলেগ ধৰণে সজোৱা হয়।

অক্ষয়ধাম মন্দিৰটো সৰু বৃন্দাবন বুলিয়ে কয়। জল মহলৰ সন্মুখৰ পানীত হোৱা প্ৰতিবিম্ব, নাহৰগড় দুৰ্গৰ পৰা গোটেই জয়পুৰৰ দৃশ্যই সকলোকে আকৰ্ষিত কৰে। বহুকেইটা মহল আৰু দুৰ্গত পোহৰ আৰু শব্দৰ খেল প্ৰদৰ্শন কৰা হয়।

দীপাৱলীৰ চাকিৰ জৈৱিক পোহৰে সকলোৰে জীৱনলৈ শান্তি, সমৃদ্ধি, সুখ আৰু সুস্বাস্থ্য কঢ়িয়াই আনক, সেয়ে আশা।

*ফোন ঃ ৯৪০১০৬৫১৩৬*

# জ্যেষ্ঠ নাগৰিকৰ বেদনা আৰু সমাজৰ দায়িত্ব

**অভিমত**

**যোৱা** 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'জ্যেষ্ঠ নাগৰিকৰ বেদনা আৰু সমাজৰ দায়িত্ব' শীৰ্ষক লিখনিৰ লেখক সম্পাদক প্ৰাঞ্জলসেন ডেকালৈ যাচিছোঁ ধন্যবাদ। সমাজৰ গৰিষ্ঠ সংখ্যক জ্যেষ্ঠ নাগৰিক মৰ্মবেদনা উপলব্ধি কৰি এখন বাস্তৱ চিত্ৰ অংকন কৰি সমাজ সচেতন ব্যক্তি আৰু চৰকাৰৰ দৃষ্টি গোচৰ কৰাৰ বাবে ধন্যবাদৰ পাত্ৰ।

চৰকাৰৰ তৰফৰ পৰা জ্যেষ্ঠ নাগৰিকসকলৰ বাবে কিছুমান আঁচনি ঘোষণা কৰিছে যদিও বাস্তৱত সঠিক ৰূপায়ণ হোৱা পৰিলক্ষিত হোৱা নাই। তদুপৰি কিছুমান আঁচনি বাস্তৱ সন্মত নহয়। উদাহৰণ স্বৰূপে 'বৃদ্ধ পেঞ্চন আঁচনি।' প্ৰত্যেকজন মানুহৰ মনত জ্যেষ্ঠজনৰ প্ৰতি সন্মান, সহানুভূতি, সহায়, দয়া আৰু মানৱতাবোধ জগাই তুলিব পাৰিলেহে সমাজ সংস্কাৰ হ'ব। জ্যেষ্ঠসকল আজি যি অৱস্থাত উপনীত হৈছে, কনিষ্ঠসকলেও সময়ৰ গতিত এদিনাখন সেই স্থানতে অৱস্থান কৰিব লাগিব। গতিকে সময় থাকোতে সময়ৰ আঁত ধৰি বৰ্তমান আৰু ভৱিষ্যতৰ চিন্তা কৰি অহংকাৰৰ বিনাশ কৰি নিজক নিৰূপণ কৰিবৰ হ'ল।

সাধাৰণতে ৬০ বছৰৰ দেওনা পাৰ হোৱাৰ লগে লগে শৰীৰত নানা ধৰণৰ ৰোগৰ উপসৰ্গই দেখা দিয়ে। এইখিনি সময়ত মানুহজন মানসিক আৰু আৰ্থিক ভাৱে দুৰ্বল হৈ পৰে। এইখিনি সময়ত পৰিয়ালৰ লোক সকলো খোৱা লোৱাৰ প্ৰতি যত্নশীল হ'ব লাগে আৰু ভাল ব্যৱহাৰ কৰিব লাগে। কিন্তু গৰিষ্ঠ সংখ্যক জ্যেষ্ঠ নাগৰিকৰ ক্ষেত্ৰত ইয়াৰ বিপৰীত প্ৰতিচ্ছবি ভাহি থাকে। জীয়াই থকাৰ ইচ্ছা শক্তি লাহে লাহে লোপ পাবলৈ ধৰে আৰু শৰীৰৰ পীড়া সহ্য কৰি জীয়াই থাকে। গতিকে চৰকাৰৰ তৰফৰ পৰা জ্যেষ্ঠ নাগৰিকসকলক বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি জ্যেষ্ঠ নাগৰিকসকলক আনন্দ মুখৰ পৰিৱেশত ৰাখিবলৈ সকলোৱে যত্ন কৰিব লাগে।

সম্পাদক প্ৰাঞ্জলসেন ডেকাই এনে এটা তত্ত্বগধুৰ বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি আন্তৰিকতাৰে অনুধাৱন কৰি সুন্দৰ ভাৱে জ্যেষ্ঠ নাগৰিকসকলৰ বেদনা উপস্থাপন কৰিছে, তাৰ বাবে পুনৰ ধন্যবাদ জ্ঞাপন কৰিলো।

**জ্যোতিষ চন্দ্ৰ দত্ত**
হাতীগাঁও, গুৱাহাটী
ফোন ঃ ৯৮৫৪০৪১৮১৫

## সুধাকণ্ঠৰ জীৱন দৰ্শন

**বিমল কুমাৰ হাজৰিকা**

**জ্যোতি** বিষ্ণুৰ সুযোগ্য উত্তৰাধিকাৰী ড০ ভূপেন হাজৰিকা আছিল একাধাৰে গায়ক, সুৰকাৰ, কথাছবিৰ পৰিচালক, সংগীত পৰিচালক, কবি, আবৃত্তিকাৰ, অভিনেতা আৰু এক অনন্য কণ্ঠৰ অধিকাৰী। সকলো দিশতে বুৎপত্তি থকা ভূপেনদা সৌ সিদিনালৈকে আছিল এক জীৱন্ত কিম্বদন্তী। অসম আৰু অসমীয়াক তেওঁ হাড়ে-হিমজুৰে জানিছিল। অসমৰ নদ-নদী পাহাৰ-পৰ্বত, বিভিন্ন জনগোষ্ঠী সম্পৰ্কে তেওঁৰ জ্ঞান আছিল প্ৰচুৰ। এক কথাত ক'বলৈ গলে ড০ ভূপেন হাজৰিকাৰ সমগ্ৰ জীৱন লুইতৰ বিশাল আকৰ্ষণৰ মাজত বুৰ গৈ আছিল। লুইতৰ পাৰত গঢ় লৈ উঠা সুপ্ৰাচীন ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতা সম্পৰ্কেও তেওঁ সচেতন আছিল, গৰ্বিত আছিল। লুইতক অসম আৰু অসমীয়াৰ জীৱন প্ৰবাহৰ প্ৰতীক হিচাপে গ্ৰহণ কৰা ড০ হাজৰিকাই নতুনকৈ স্থাপন হোৱা গুৱাহাটী বিশ্ববিদ্যালয়খনে লুইতৰ পাৰ জিলিকাই তুলিব বুলি সৰ্বান্তঃকৰণেৰে বিশ্বাস কৰিছিল। লুইতৰ পাৰ জিলিকোৱা মানে অসম আৰু অসমবাসীৰ জীৱনলৈ জ্ঞানৰ অনন্ত সুধা বৰিষণ হোৱা— যি বৰিষণত 'নতুন গতি খেদা ডেকা-গাভৰু জাকে' জীৱন যুদ্ধত সক্ৰিয় ভূমিকা ল'বলৈ আগবাঢ়ি আহিব। গীতটোত বহু ভাবৰ স্ফুৰণ ঘটিছে। যেনে, 'সাঁচি পাতে ভাষা দিব/ চিফুঙে আশা দিব/ ৰংঘৰে মেলিব দুৱাৰ।' অকল সেয়াই নহয় এন্ধাৰ ঠেলি জ্ঞানৰ পোহৰে সমাজক 'মহান মানৱতা' সাবটিবলৈও প্ৰবুদ্ধ কৰিব।

অসমৰ নতুন পুৰুষৰ প্ৰতি ভূপেনদাৰ আছিল গভীৰ আস্থা। ১৯৭৯ৰ পৰা অসমৰ নতুন পুৰুষে জাতিৰ অস্তিত্বক জীৱন্ত কৰি ৰাখিবৰ বাবে যি সংগ্ৰাম কৰিছে সেই সংগ্ৰামক সন্মান কৰি মহান শিল্পীজনে ৰচনা কৰিছিল 'লুইতপৰীয়া ডেকা বন্ধু' গীতটো। অসম দৰদী শিল্পী জনৰ দৃঢ় বিশ্বাস এই মৰণপণ সংগ্ৰামত ডেকা শক্তি জয়ী হ'ব। শিল্পীয়ে সেয়েহে উদাত্ত কণ্ঠে গাই উঠিছে, পুৰণি পুৰুষে হাত সাবটি বহুতো হেৰুৱালে/ উদাৰতাক শতৰুৱে/ দুৰ্বলতা বুলি ক'লে/ আজি বজ্ৰৰ দৰে গৰ্জন কৰি/ শতৰুক ওফৰাই/ জীয়াই থকাৰ যুঁজত নামিছো/ মৃত্যু শপত খাই।' আনহাতে, 'লুইতপৰীয়া তেজাল ডেকা' গীতটোৰ মাজেৰে লুইতৰ পাৰৰে অসমীয়া জাতিৰ ত্যাগ আৰু শৌৰ্যৰ নিটোল ছবি এখন দাঙি ধৰিবলৈ সমৰ্থ হৈছে। 'লুইতপৰীয়া তেজাল ডেকা'ৰ আত্ম বলিদানে শিল্পীজনৰ হৃদয় মন চুই গৈছে আৰু সেয়ে উদাত্তকণ্ঠে গাই উঠিছে 'শৰীৰ তোমাৰ আজি শব্দ বিহীন/ জ্যোতিত বিলীন হ'লা/ পিছে প্ৰকাশৰ যেন/ আগ্নেয়গিৰি হৈ/ আৰ্তনাদ হ'লা/ আৰ্তনাদ হ'লা/ তুমি আজি অমৰ হ'লা।'

ৰবি ঠাকুৰৰ গীতত যিদৰে জীৱনৰ সকলো অভিজ্ঞতা ভাস্বৰ হৈ উঠিছে, যাযাবৰী জীৱনতো সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাই তদ্ৰূপ অভিজ্ঞতাক গীতৰ মাজেৰে বাংময় ৰূপ দিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাসমূহৰ মাজত পাৰ্থক্যৰ সীমাৰেখাডাল মণিব নোৱাৰা বিধৰ, সুধাকণ্ঠৰ গীতসমূহতো কবিতাৰ লক্ষণসমূহ বিৰাজমান। আবৃত্তিকাৰৰ কণ্ঠত অমৱা গীতসমূহো সুৰীয়া কবিতা হৈ পৰে। উদাহৰণ ভূপেনদা নিজেই। গীত, সুৰ আৰু কণ্ঠৰ যুগলবন্দী সততে আনৰ ক্ষেত্ৰত দেখা নাযায়। সুধাকণ্ঠ নিঃসন্দেহে এটি ব্যতিক্ৰম। কবিতাৰ ব্যঞ্জনাৰে চহকী সুধাকণ্ঠৰ গীতসমূহ কালজয়ী। ১৯৫০ত লেখা তেওঁৰ গীত যিদৰে এতিয়াও প্ৰাসংগকি হৈ আছে ২০০৮ত লেখা গীতসমূহো সেই প্ৰাগংগিকতাৰে চিৰ জ্যোতিষ্মান হৈ আছে।

গীত ৰচনাৰ মূল উদ্দেশ্য ব্যাখ্যা কৰি ভূপেনদাই কৈছিল— গানবোৰ মানুহৰ গান হ'ব লাগিব। সেয়ে, ভূপেন দাই তেতিয়াই কৈছিল— বৰ্তমানটো এদিন যেতিয়া অতীত হৈ যাব তেতিয়াও মোৰ কিছুমান গীত প্ৰাসংগিক হৈ থাকিব'। সুধাকণ্ঠৰ সেই উক্তিৰ যথাৰ্থতা এতিয়া প্ৰতিপন্ন হৈছে। ৰূপকোঁৱৰৰ আৰু কলাগুৰুৰ দৰে সুধাকণ্ঠও আছিল হাড়ে-হিমজুৰে অসমীয়া প্ৰাণ ব্যক্তি। অসমীয়া সমাজ জীৱনৰ নিটোল ছবি তেওঁৰ গীতসমূহত বাংময় হৈ উঠিছে।

ৰূপকোঁৱৰৰ আৰু কলাগুৰুৰ দৰেই ভূপেন হাজৰিকায়ো সৰ্বগুণাকৰ মহাপুৰুষ শংকৰদেৱৰ ব্যক্তিত্বৰ প্ৰভাৱত অনুপ্ৰাণিত হৈছিল। সুমধুৰ কণ্ঠেৰে তেওঁ গাইছিল—'নামঘৰ সাজিলা'/ ৰাইজখন থাপিলা/ একতাৰ আসনত আনি।'/ য'তেই সুযোগ পাইছে সাম্য-মৈত্ৰীৰ গান গাইছে, বিভেদ পৰিহাৰ কৰি সকলো একগোট হোৱাৰ আহ্বান জনাইছে। ভূপেনদাৰ মতে সকলো জনগোষ্ঠীৰ সমন্বয়তহে অসম। ভূপেনদাই বিশ্বাস কৰিছিল 'পাহাৰ- ভৈয়াম একে কৰা, ৰামধেনুৰ দৰেই তোমাৰ ভাষাৰ মৰমবোৰে মিলন সেতু গঢ়ে।' ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশৰ বাসিন্দা তেওঁ। অহৰহ তেওঁ ৰূপহী আৰু গুণৱতী অসমখনৰ প্ৰেমত আচ্ছন্ন।



শদিয়াৰ পৰা ধুবুৰীলৈ যাযাবৰী জীৱন প্ৰক্ৰিয়াত ভূপেনদাই যাৰেই সংস্পৰ্শলৈ আহিছে তাকেই তেওঁৰ গীত আৰু কথাৰে মূৰ্ভিমন্ত কৰি তুলিছে।যিদৰে জ্যোতি প্ৰসাদে অসমৰ গাঁও-ভূঁইৰ জীৱন-যাত্ৰাক সপ্ৰশংস দৃষ্টিৰে চাইছিল, অজ্ঞাত ৰাস পৰ্বত যিদৰে বিষ্ণু প্ৰসাদে অসমৰ জনগোষ্ঠী সমূহৰ অতি ওচৰৰ পৰা পাবলৈ আৰু জানিবলৈ সক্ষম হৈছিল ভূপেনদায়ো অসমীয়া জনগোষ্ঠীৰ বৰ্ণাঢ্য জীৱন শৈলীৰ প্ৰতি আগ্ৰহান্বিত হৈ পৰিছিল আৰু গীতৰ মাজত তেনে এখন সুজলা-সুফলা শস্য-শ্যামলা অসমী আইৰ চিত্ৰ অংকন কৰি তেওঁৰ শিল্পী সুলভ মনৰ স্বাক্ষৰ এৰি থৈ গৈছে।

ব'হাগ আহিলেই অসমীয়াৰ হিয়া-মন ৰাইজাই হয়। প্ৰতিজন অসমীয়াই বিহুৰ মঞ্চত ভূপেনদাক চাবলৈ, ভূপেনদাৰ গীত শুনিবলৈ, কবিতা কবিতা লগা সুৰীয়া শব্দৰ কথা শুনিবলৈ অধীৰ আগ্ৰহেৰে বাট চাই আছিল। ভূপেনদাই সেই কথা জানিছিল। অসমীয়াৰ হিয়া-মন পৰশি যোৱা গীতৰ সম্ভাৰৈলে তেওঁ বিহু তলীত উপস্থিত হৈছিল। সুযোগ বুজি সোৰোপা এলেহুৱা অসমীয়া জাতিক সঞ্জীৱনী মন্ত্ৰেৰে উদ্বুদ্ধ কৰিবলৈ প্ৰয়াস কৰিছিল। 'বৰদৈচিলা'ক একতাৰ প্ৰতীকৰূপে কল্পনা কৰি তেওঁ উদাত্ত কণ্ঠে গাইছিল, 'তাই অসমলৈ আগতে আহিছিলে/ আহি, হিলদল ভঙা এটা মন দিছেলে/ আৰু নানা জাতি-উপজাতি একে কৰিছেলে।' কিন্তু সময় সলনি হ'ল। 'আজি বছৰেকৰ মূৰত তাই আহে আৰু যায়। অসমীয়াৰ মনটোত থিতাপি নলয়।' শিল্পী প্ৰাণে সেইটো সহ্য কৰিব নোৱাৰি 'বৰদৈ চিলাজনীৰ আগচুলি থপিয়াই/ মাটিলৈ নমাই আনি/ অসমীয়াৰ মনটোত সুমুৱাই দিবলৈ/ ব'হাগেই বতৰ কিজানি' বুলি অনুভৱ কৰে। 'নতুন পুৰুষে কিছু কাম কৰাৰ ব'হাগেই বতৰ কিজানি' বুলি সকীয়নিও দিয়ে।

অসমৰ হিন্দু-মুছলমানৰ সম্প্ৰীতি এটি আপুৰুগীয়া দৃশ্য। সমগ্ৰ দেশতে ইয়াৰ উদাহৰণ বিৰল। মানৱতাবাদৰ গীত গাই ফুৰা যাযাবৰী শিল্পীজনে সমন্বিত অসমৰ অপৰূপ ছবিখন তেওঁৰ কালজয়ী গীতৰ মাজেৰে চিৰ যুগমীয়া কৰি থৈ গৈছে। 'ৰমজানৰে ৰোজা গ'ল' তেনে এটা গীত যি গীতৰ মাধ্যমেৰে মহান শিল্পীজনে হৃদয়ৰ স'তে হৃদয়ৰ সাঁকো গঢ়াৰ অনুপম দৃষ্টান্ত দাঙি ধৰিছে। তেওঁ মনত পেলাই দিছে মন্দিৰ নগৰী হাজোতে থকা পোৱামক্কাৰ কথা, শংকৰদেৱ আৰু আজান ফকীৰৰ কথা, ফৰমুদ আলি, বাহাদুৰ গাঁওবুঢ়াৰ অকৃত্ৰিম দেশ প্ৰেমৰ কথা। শিল্পীজনে প্ৰশ্ন কৰিছে, 'এই বেহতৰিণ দোস্তি ভাঙে সেই দুচমন কোন?'

মহান শিল্পীজনৰ এই ভাৱনাৰ আমি বাৰু অংশীদাৰ হ'ব নোৱাৰোনে? বিচ্ছিন্নতাবাদৰ গৰাহত পৰি সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতি বিসৰ্জন দিমনে? উচিত হ'বনে? সাম্প্ৰতিক সময়ৰ অসমত সুধাকণ্ঠৰ জীৱন দৰ্শনক সুঁৱৰি চোৱাৰ সময় হৈছে। সুন্দৰৰ সেনানী দলে অসুন্দৰক নিৰ্মূল কৰা প্ৰয়োজন হৈছে। সুধাকণ্ঠৰ গীতবোৰে আমাক সেইদৰেই সকীয়াই দিয়ে। শিল্পী প্ৰাণৰ হেঁপাহৰ ছবিখন আলফুলে ধৰি ৰখাটোৱেই হ'ব সময়ৰ আহ্বান।

## ভূপেন হাজৰিকাৰ গীত বিকৃত-কৰণৰ শুভাৰম্ভ?

**ভবানী প্ৰসাদ অধিকাৰী**

**২০১২ৰ** তিনি জুন অসমৰ সংগীত জগতৰ বাবে বিশেষত্বপূৰ্ণ। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ এটি গীতৰ সুৰৰ লহৰত বাজি উঠিল একেলগে ৫৪০৬ খন গিটাৰ। 'হোপ ইভেণ্টছ' নামৰ এটি সংগঠনে আয়োজন কৰা এই অভিনৱ অনুষ্ঠানটোৱে সংগীত শিল্পী, শিল্পৰসিকসকলক উজ্জীৱিত কৰিলে। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়াম প্ৰাংগণত অনুষ্ঠিত অগতানুগতিক অনুষ্ঠানটোৰ প্ৰতি ৰসজ্ঞসকলৰ দৃষ্টি নিবদ্ধ হৈছিল। আয়োজকসকলে লক্ষ্য নিৰ্ধাৰণ কৰিছিল ১০ হেজাৰ গিটাৰ বাদকে অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ। হয়তো প্ৰতিকূল বতৰৰ বাবে লক্ষ্য পূৰণ নহ'ল। গীণিজ বুকত নহ'লেও লিমকাৰ সৰ্বভাৰতীয় অভিলেখ ভংগ কৰিলে। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এয়া গৌৰৱৰ বিষয়।



আমাৰ সকলোৰে শ্ৰদ্ধা আৰু মৰমৰ বিশ্ৰুত শিল্পী ভূপেন হাজৰিকাৰ কালজয়ী গীত 'বিস্তীৰ্ণ পাৰৰে'ৰ সুৰ গিটাৰত ঝংকৃত হোৱাৰ লগে লগে আমাৰো হৃদয়তন্ত্ৰীত অনুৰণিত হৈছিল। সাতভনীৰ শিল্পীসকলৰ আঙুলিৰ পৰশত গীতটোৰ কলিবোৰ বাংময় হৈ পৰিছিল। সেয়া ভূপেনদাৰ অমৰ সৃষ্টিৰ যাদুকৰী গুণ। অংশগ্ৰহণকাৰী গিটাৰ শিল্পীসকলৰ বাবে প্ৰস্তুত কৰা 'বিস্তীৰ্ণ পাৰৰে' গীতটোৰ 'গিটাৰ ব'ৰ্ডছ' বাধ্যতামূলক আছিল। সেই অনুসৰি ইণ্টাৰনেটযোগে ৰোমান হৰফত গীতটো উপলব্ধ হৈছিল। মোৰ পুত্ৰও এজন গিটাৰ বাদকৰূপে অনুষ্ঠানত অংশগ্ৰহণকাৰী হোৱা বাবে গীতৰ একাংশৰ ফটো কপি এটা পাই বিচূৰ্তি খালো গীতটোৰ লিপ্যন্তৰ ইমানেই আঁসোৱাহপূৰ্ণ যে অসমীয়া নজনা লোকে ইয়াক এইদৰে গ্ৰহণ কৰিলে ভূপেন হাজৰিকাৰ প্ৰতি চৰম অন্যায় কৰা হ'ব।

গিটাৰ বাদন কাৰ্যসূচীৰ উদ্যোক্তাসকলে বিতৰণ কৰা ৰোমান লিপিৰ 'বিস্তীৰ্ণ পাৰৰে' গীতটো অসমীয়ালৈ লিপ্যন্তৰ কৰিলে এনে হয় ঃ

ব্ৰিস্তীৰ্ণোৰ পাৰোৰে ওখোয়ংখ্যো জোনোৰে  
হাহাকাৰ শুনিয়ু নিশোদ্ধে নিৰোবে  
বুঢ়া লুইত তুমি বুঢ়া লুইত বুৱাআ কিয়ো  
নোইতি কোতাআৰ স্খলন দেখিয়ু  
মানোৰতাৰ পোতোন দেখিয়ু  
নিৰ্লোজ্যো ওলোস ভাআবেয় বুৱাআ কিয়ো  
গ্যাআন বিহীন নিৰোস্যোৰোৰ  
খাইদ্যো বিহীন নাগৰিকোৰ  
নেতৃৰিনোতত নিমাআত কিয়ো  
সোহোশ্ৰো বাআৰিসাআৰ উন্মাআদোনাৰ  
ওভিগ্যোতাআৰেই  
পোংগু মানোবোক সোবোল সোংগ্ৰাআমী  
আৰু অগ্ৰোগাআমী কোৰি নুতুলাআ কিয়ো

অসমীয়া লিপিৰ লগতে ৰোমান (ইংৰাজী) লিপিৰ গীতটো গাঁথি দিয়া হ'ল।

**Important-The below given guitar chords are mandatory for the participants**

C C  
Bristirnor parore, okhoynkho jonore  
c G  
Hahakar xuniyu, nixobdhe nirobe  
C G C  
Burha luit tumi Burha luit buwaa kiyo  
INTERLUDE  
F  
Noitikotaar skhalan dekhiyu  
F  
Manovotar poton dekhiyu  
C G  
Nirlojyo olox bhaabey buwaa kiyo  
F  
Gyaan bihin niroxyoror  
F  
Khaidyo bihin nagorikor  
C G  
Netribinotat nimaat kiyo  
INTERLUDE  
C C  
Xohoshro baarixaar unmaadonar  
C  
Obhigyotaarei  
G F  
Pongu manobok xobol xongraami  
G G C  
aru ogrogaami Kori nutulaa kiyo  
REPEAT FIRST PARAGRAPH

এতিয়া পাঠকে বিচাৰ কৰক ওপৰৰ ইংৰাজী লিপ্যন্তৰ শুদ্ধ হৈছেনে? এই বিকৃত ৰূপটো ইণ্টাৰনেটযোগে বিশ্বত প্ৰচাৰ হৈ গ'ল। 'বিস্তীৰ্ণ পাৰৰে' গীতটোৰ একাংশহে গিটাৰ ক'ৰ্ডৰ বাবে দিয়া হৈছিল। শুদ্ধ আৰু সম্পূৰ্ণ ৰূপটো ইয়াত সন্নিবিষ্ট কৰা হ'ল। গীতটোৰ আগ কথা হিচাপে স্বভাৱ সুলভ বাক্ ভংগীৰে ভূপেনদাই এইখিনি কথা কৈছিল ঃ 'লুইতক সন্মান কৰোঁ। আৰু সন্মান কৰোঁ বাবেই মৰমো কৰোঁ। মৰমৰ জনকহে খঙেৰে প্ৰশ্ন কৰিব পাৰোঁ যাৰ স'তে সহস্ৰজনৰ সুখ-দুখ জড়িত থাকে....।

**'বিস্তীৰ্ণ পাৰৰে' গীতটো**

বিস্তীৰ্ণ পাৰৰে  
অসংখ্য জনৰে  
হাহাকাৰ শুনিও  
নিঃশব্দে নীৰৱে  
বুঢ়া লুইত তুমি  
বুঢ়া লুইত বোৱা কিয়?

নৈতিকতাৰ স্খলন দেখিও  
মানৱতাৰ পতন দেখিও  
নিৰ্লজ্জ অলসভাৱে বোৱা কিয়?  
জ্ঞান বিহীন নিৰক্ষৰৰ  
খাদ্যবিহীন নাগৰিকৰ  
নেতৃত্বহীনতাত নিমাত কিয়?  
সহস্ৰ বাৰিষাৰ  
উন্মাদনাৰ  
অভিজ্ঞতাৰে  
পঙ্গু মানৱক  
সবল সংগ্ৰামী,  
আৰু অগ্ৰগামী  
কৰি নোতোলা কিয়?  
ব্যক্তি যদি ব্যক্তিকেন্দ্ৰিক  
সমষ্টি যদি ব্যক্তিত্ব ৰহিত  
তেনে শিথিল সমাজক নাভাঙা কিয়?

তুমিয়ে যদি ব্ৰহ্মাৰে পুত্ৰ  
সেই পিতৃত্ব তেনে নাম মাত্ৰ  
নহ'লে প্ৰেৰণা নিদিয়া কিয়?  
উন্মত্ত ধৰাৰে  
কুৰুক্ষেত্ৰৰে  
শৰশয্যাকে  
আলিংগন কৰা  
ভীষ্মৰূপী  
অজস্ৰ বীৰক  
জগাই নোতোলা কিয়?



*ফোন ঃ ৯৮৬৪০-৭৯০১৯*

## চলচ্চিত্ৰ পৰিচালক ড০ ভূপেন হাজৰিকা

**ড০ বসন্ত কুমাৰ শৰ্মা**

**'সুধাকণ্ঠ'**, 'যাযাবৰ'— ড০ ভূপেন হাজৰিকাই বহুধা বিভক্ত কৰ্ম, সৃষ্টিৰ মাজেৰে অফুৰন্ত সজ, মানসিক প্ৰকৃতি প্ৰতিফলন কৰাৰ উপৰি বহল মানৱ সমাজ গঢ়ি মানৱীয় প্ৰমূল্যক বহল পৰিসৰত সবল, সুস্থ ৰূপত প্ৰতিষ্ঠা কৰাত অতুলনীয় অৱিহণা আগবঢ়োৱা বিশেষভাৱে প্ৰণিধানযোগ্য। ভাল ছাত্ৰ, দক্ষ অধ্যাপক, মৌলিক দিশ উন্মোচিত কৰা গৱেষক হিচাপে সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হোৱা হাজৰিকাই খ্যাতি সম্পন্ন পৰিচালক হিচাপে চলচ্চিত্ৰ জগতত মৰ্যাদা লাভ কৰাটো মনকৰিবলগীয়া।

গীতিকাৰ, সুৰকাৰ, 'আমাৰ প্ৰতিনিধি'ৰ সুযোগ্য সম্পাদক, অসম সাহিত্য সভাৰ শিৱসাগৰ অধিবেশনৰ সভাপতি, চলচ্চিত্ৰ জগতলৈ নিৰৱচ্ছিন্নভাৱে অৱদান আগবঢ়োৱাৰ বাবে ১৯৯২ত 'দাদা চাহেব বঁটা'ৰে সন্মানিত কৰা শিল্পী মহীয়ান হাজৰিকাই চিৰ তৰুণ মনোভাবেৰে, দুৰন্ত শক্তি গতিৰে অসমীয়া চলচ্চিত্ৰ পৰিচালনা কৰি গোটেই দিশত 'নতুন মাত্ৰা' দিয়াৰ লগতে নতুন বাৰ্তাৰ বীজ সঞ্চাৰিত কৰা উল্লেখযোগ্য। বিভিন্ন সৃজনশীল কামৰ ফাঁকত ৰৈ যোৱা সময়-সুবিধাক সদ্ব্যৱহাৰ কৰি হাজৰিকাই মুঠ ১০খন পূৰ্ণ দৈৰ্ঘ্যৰ কাহিনীমূলক চলচ্চিত্ৰ পৰিচালনা কৰি উত্তৰ পুৰুষক প্ৰেৰণা উৎসাহ যোগাই গৈছে।



১৯৫৬ৰ ৩০ নৱেম্বৰত মুক্তি লাভ কৰা 'এৰা বাটৰ সুৰ' ছবিয়ে হাজৰিকাক দক্ষ পৰিচালক হিচাপে পৰিচিতি দিয়াৰ লগতে গীত-কথাৰে মাটি-জাতিৰ নিৰ্মোহ গোন্ধ, লোককৃষ্টি উপস্থাপন কৰিছিল। প্ৰথম চলচ্চিত্ৰ 'এৰা বাটৰ সুৰ' কম সময়ৰ ভিতৰতে প্ৰেক্ষাগৃহত জনপ্ৰিয়তা অৰ্জন কৰা একেই আপাহতে অনস্বীকাৰ্য।

১৯৫৮ত নামনি অসম বিশেষকৈ গোৱালপাৰা (অবিভক্ত)ৰ জনজীৱনৰ গাঁথনি, শ্ৰমজীৱী ব্যক্তিৰ সাংস্কৃতিক স্পৃহা উদঙাই দি পৰিচালনা কৰা দ্বিতীয় চলচ্চিত্ৰৰ 'মাহুত বন্ধুৰে' অসমীয়া চলচ্চিত্ৰৰ মাজত সুকীয়া আসন লাভ কৰিছে। হাতীৰ মাউতৰ বৈচিত্ৰ্যময় জীৱনৰ ফাঁকত ৰৈ যোৱা আনন্দ-বিষাদ প্ৰতিফলন হোৱা, গৌৰীপুৰীয়া কৃষ্টিৰ মসৃণ দিশ প্ৰতিফলিত কৰা হৈছিল।

১৯৬১ৰ ২৪ নৱেম্বৰত মুক্তি লাভ কৰা 'শকুন্তলা'ত ড০ হাজৰিকাৰ সূক্ষ্ম দৃষ্টিভংগী আৰু পৰিচালনাৰ দায়বদ্ধতা প্ৰকট হৈছে। কালিদাসৰ 'অভিজ্ঞানম্ শকুন্তলা'ৰ কাহিনীৰ আধাৰত 'শকুন্তলা' ছবিৰ কাহিনী বিন্যাস কৰিলেও অসমীয়া সমাজ ব্যৱস্থাৰ আংশিক ৰেহৰূপ দি হাজৰিকাই ভাৰতীয় প্ৰাচীন ব্যৱস্থাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে। 'শকুন্তলা'ৰ বাবেই পৰিচালক হাজৰিকাই প্ৰশংসা লাভ কৰাৰ লগতে ৰাষ্ট্ৰপতিৰ পৰা ৰূপৰ পদক লাভ কৰাত, অসমীয়া চলচ্চিত্ৰ জগতত থমকি ৰৈ ৰৈ আগবঢ়া সংস্কৃতিপ্ৰেমী, শিল্পীয়ে উৎসাহিত হোৱাটো গৌৰৱেৰে উল্লেখ কৰিব পাৰি।

১৯৬৫ৰ ২২ জানুৱাৰীত মুক্তি লাভ কৰা, হাজৰিকা পৰিচালিত 'প্ৰতিধ্বনি'য়ে চলচ্চিত্ৰ জগতত কাহিনী, আংগিকৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ ইংগিত দাঙি ধৰে। 'প্ৰতিধ্বনি'ত পৱিত্ৰ বৰকাকতী, ইভা আচাও আদিৰ দৰে যশস্বী অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰি পাহাৰ-ভৈয়ামৰ মাজত থকা সম্প্ৰীতি মনোৰমভাৱে প্ৰতিষ্ঠা কৰে। প্ৰকৃতাৰ্থত 'প্ৰতিধ্বনি'ৰ কৰুণ কাহিনীৰ মাজত নিহিত হৈ থকা ভাবধাৰাই সকলো শ্ৰেণী দৰ্শকক আপ্লুত কৰিবলৈ সক্ষম হৈছিল। 'প্ৰতিধ্বনি' হাজৰিকাৰ সফল ছবি বুলি স্বীকাৰ কৰা প্ৰসংগতে ৰাষ্ট্ৰপতিৰ পৰা ৰূপৰ পদক লাভ কৰা বিষয়টো স্বীকাৰ কৰিব লাগিব।

১৯৬৬ৰ ২৫ নৱেম্বৰত মুক্তি লাভ কৰা, ব্যতিক্ৰমধৰ্মী কাহিনী 'লটি-ঘটি'ৰ মাজেৰে হাজৰিকাই দৰ্শকক নতুন মাদকতা,আমেজ দিবলৈ সক্ষম হৈছিল। কলকাতাৰ (কলিকতা) ষ্টুডিঅ'ত অসমীয়া শিল্পীৰ হোৱা লটি-ঘটি হাস্য মধুৰ কথা-কাৰ্যৰে 'লটি-ঘটি'ত দাঙি ধৰি চলচ্চিত্ৰত নতুন দাৱা প্ৰৱৰ্তনৰ প্ৰয়াস কৰিছিল। হাজৰিকা পৰিচালিত 'লটি-ঘটি'য়ে মুক্তি লাভ কৰাৰ পাছতে সৰ্বস্তৰত সমাদৃত হোৱা আৰু ৰাষ্ট্ৰপতিৰ পৰা ৰূপৰ পদক অৰ্জন কৰিছিল।

১৯৬৯ৰ ১৭ অক্টোবৰত মুক্তি লাভ কৰা, হাজৰিকা পৰিচালিত 'চিক্‌মিক্ বিজুলী'য়ে কিছু নেতিবাচক দিশ কঢ়িয়াই অনা আৰু তাৰেই আওতাত একাংশ সাংস্কৃতিক সমালোচকে মত ব্যক্ত কৰি সাময়িকভাৱে হাজৰিকাক পাছলৈ টনাৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। 'চিক্-মিক্ বিজুলী'ৰ প্ৰচাৰৰ গতি-গোত্ৰক চকু চৰহা এক শ্ৰেণীয়ে 'খাজনাতকৈ বাজনা বেছি' বুলি ক'বলৈ এৰা নাছিল। 'চিক্-মিক্ বিজুলী' মুক্তি পোৱাৰ আগে আগে গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাৰ নৱাগত আদৰণি সভাৰ লগত সংগতিপূৰ্ণ অনুষ্ঠানত হাজৰিকাই গান গোৱাৰ ফাঁকত 'চিক্‌মিক্ বিজুলী'ৰ ইতিবাচক দিশসমূহ সৰসভাৱে উপস্থাপন কৰিছিল। একেটা অনুষ্ঠানতে বিশিষ্ট সাহিত্যিক চৈয়দ আব্দুল মালিকে গল্প কোৱাৰ ছলেৰে গল্প কৰি 'ষ্টুডেণ্ট ডে হ'মৰ সন্মুখৰ অস্থায়ী প্ৰেক্ষাগৃহত জমাইছিল। সেই সময়ত বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহ হোৱা নাছিল। স্নাতকোত্তৰ মহলাৰ অসমীয়া বিভাগৰ প্ৰাৰম্ভিক বৰ্ষৰ ছাত্ৰ হিচাপে আমি উপস্থিত আছিলো। 'মদাৰ ফুল হেনো পূজাতো নালাগে' গীতটো গাই 'মদাৰ'ৰ ব্যাখ্যা আগবঢ়োৱাৰ পাছতে 'পক্ষীৰাজ ঘোঁৰা, খট খটকৈ দৌৰা' আৰম্ভ কৰি 'চিক্‌মিক্ বিজুলী'ৰ বিভিন্ন দিশৰ মনোগ্ৰাহী অংশ হৃদয়স্পৰ্শীভাৱে দাঙি ধৰিছিল। শ্ৰমজীৱী মানুহৰ সুখ-দুখ, পোৱা-নোপোৱা প্ৰতিফলিত হোৱা 'চিক্‌মিক্ বিজুলী'য়ে হাজৰিকালৈ গৌৰৱৰ মুকুট কঢ়িয়াই আনিছিল। গুৱাহাটীৰ ফাঁচী বজাৰৰ 'বিজুলী' প্ৰেক্ষাগৃহত মুক্তি পোৱাৰ প্ৰথম দিনাই আমি চাইছিলো আৰু হাজৰিকাৰ বহুমুখী প্ৰতিভাৰ প্ৰতি মূৰ দোঁৱাইছিলো। উল্লেখ্য যে উক্ত চলচ্চিত্ৰত হাজৰিকাই সৰু ভাওত ভাওৰীয়া হিচাপে ওলাই 'নাৰিকলৰ ৰছী তৈয়াৰ কৰা উদ্যোগ খুলিব লাগে' এনে ধৰণৰ সংলাপ ব্যক্ত কৰিছিল। ঠাই বিশেষে কিছু সংখ্যক চলচ্চিত্ৰপ্ৰেমীৰ মাজত 'চিক্‌মিক্ বিজুলী'ৰ নেতিবাচক সমালোচনাই গা কৰি উঠিলেও বুজন সংখ্যকে ভাল অৰ্থত গ্ৰহণ কৰাটো স্মাৰণযোগ্য।

১৯৭৭ত মুক্তি লাভ কৰা, অৰুণাচল প্ৰদেশ চৰকাৰৰ প্ৰয়োজনাত নিৰ্মিত হোৱা 'মেৰী ধৰম মেৰী মা' ছবিয়ে হাজৰিকাক পৰিচালক হিচাপে সুকীয়া মৰ্যাদা প্ৰদান কৰে। হিন্দী ছবিখনত অৰুণাচলৰ জনগণক যথাযথভাৱে প্ৰতিফলিত কৰাৰ উপৰি স্থানীয় পৰিৱেশ, পৰিস্থিতিক কলাসুলভ দৃষ্টিভংগীৰে উপস্থাপন কৰাত পৰিচালকে দক্ষতা প্ৰদৰ্শনত সক্ষম হৈছিল।

১৯৭৯ৰ ১২জানুৱাৰীত মুক্তিলাভ কৰা 'মন প্ৰজাপতি'ত চাৰ্কাছ দলৰ ব্যক্তিৰ সুখ-দুখ, কৰ্ম পদ্ধতি দেখুৱাই দি আৰু তাৰ মাজতে মানৱীয় প্ৰমূল্যক প্ৰতিষ্ঠা কৰি অগতানুগতিক ধাৰা প্ৰৱৰ্তনৰ ইংগিত দিয়া দেখা যায়।

১৯৮৮ত মুক্তিলাভ কৰা 'চিৰাজ'ত (মূলঃ চিৰাজ (গল্প)—লক্ষ্মীধৰ শৰ্মা, চিৰাজ (নাটক) ফণী শৰ্মা হিন্দু-মুছলমানৰ মাজত থকা সম্প্ৰীতি, সম্ভাৰ দাঙি ধৰাৰ উপৰি কাহিনীৰ মাজত বহল মনৰ সমাজ গঢ়াত মনোনিৱেশ কৰা হাজৰিকাই পৰিচালক হিচাপে নিষ্ঠা, সততাৰে দায়িত্ব পালন কৰিছিল।

১৯৯০ত দূৰদৰ্শন প্ৰযোজিত 'মিৰি জীয়ৰী'ত পৰিচালক হাজৰিকাৰ শ্ৰম, কষ্ট প্ৰভূত পৰিমাণে নিহিত হৈ থকা সৰ্বজনবিদিত। ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসৰ কাহিনীৰ আধাৰত নিৰ্মিত হোৱা 'মিৰি জীয়ৰী'য়ে প্ৰেক্ষাগৃহত মুক্তি লাভ কৰিলে সাংস্কৃতিকপ্ৰেমী তথা চলচ্চিত্ৰৰ লগত জড়িত ব্যক্তিয়ে প্ৰভূত পৰিমাণে উপকৃত হ'ব বুলি ভাবিবৰ অৱকাশ আছে।

ড০ ভূপেন হাজৰিকাৰ প্ৰতিভা বহুধা বিভক্ত। কাম অনেক। গতি ক্ষিপ্ৰ, কিছু পৰিমাণে 'দুৰন্ত'। 'যাযাবৰ' হাজৰিকাৰ থকা ঠাই ভিন্ ভিন। 'কামৰ বাবেই মানুহৰ জন্ম—কথাষাৰ হাজৰিকাৰ জীৱনত লিপিট খাই আছিল। তাৰ মাজতো সময়, সুবিধা উলিয়াই ১০খন চলচ্চিত্ৰ (এখন হিন্দী, নখন অসমীয়া) আগবঢ়াই চলচ্চিত্ৰৰ ধাৰাটো শক্তিশালী, বৰ্ণাঢ্য কৰিছিল। উত্তৰ পুৰুষে ড০ হাজৰিকাৰ কৰ্ম পদ্ধতিক আদৰ্শ, নমুনা হিচাপে গ্ৰহণ কৰিব লাগিব।

*ফোন ঃ ৯৪০১৬০২৩৬৭*

## পাঁচ নৱেম্বৰৰ আহিলেই ভূপেনদাৰ প্ৰতি অসমীয়াৰ আবেগে সাৰ পায় কিয়?

**মানসী মিশ্ৰ**

**সুধাকণ্ঠ** ড০ ভূপেন হাজৰিকাৰ মহাপ্ৰয়াণৰ ১০টা বছৰ সম্পূৰ্ণ হ'ল। ৰাজ্যব্যাপী, ৰাজ্যৰ বাহিৰতো এই দিনটোক শ্ৰদ্ধাৰে শিল্পীজনক স্মৰণ কৰিবলৈ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই মুহূৰ্ততো মনলৈ দেখোন এবাৰ ভাব নাহে তেওঁ যে আমাৰ মাজত নাই। প্ৰতিটো বৰ্ষতেই আঠ ছেপ্টেম্বৰ আৰু পাঁচ নৱেম্বৰ দিন দুটা আহিলেই সুখ আৰু দুখৰ সকলো স্মৃতিয়ে চকুৰ সমুখত দেখা দিয়ে। সমগ্ৰ অসমীয়া জাতিৰ আবেগবোৰ যেন নতুনকৈ সাৰ পাই উঠে। বছৰটোৰ বাকী সময়খিনি ভূপেনদা আমাৰ নিচেই কাষতে থকা যেন লাগে। বিহু আহিলেই মঞ্চত উঠি নিজে হাৰমনিয়ামৰ ৰিডত আঙুলি বুলাই গীত গাই থকা যেন লাগে। তেওঁৰ প্ৰতিটো গীতৰ সেই অৰ্থবহ শব্দ, সুৰৰ মায়াবী শক্তি আমাৰ চৌপাশে এতিয়াও বাজি আছে। বিশেষকৈ দেশ তথা সমাজৰ যিকোনো সংকটপূৰ্ণ সময়ত ভূপেনদালৈ বৰকৈ মনত পৰে। তেওঁৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰা যায়। বিগত প্ৰায় এটা বছৰ ধৰি আমাৰ ৰাজ্যখন মহা সংকটৰ মাজেৰে পাৰ হৈছে। প্ৰথমে 'কা' বিৰোধী আন্দোলন আৰু ইয়াৰ পাছতেই ক'ভিড মহামাৰীৰ ভয়াবহতাই বিশ্বৰ লগতে আমাৰ ৰাজ্যখনকো বেয়াকৈ গ্ৰাস কৰিছে। মানুহৰ মনবোৰ সকলোফালে ভাৱাক্ৰান্ত। এনে জটিল মুহূৰ্তত আমাক অনুপ্ৰাণিত কৰিবলৈ, নতুন উৎসাহ, শক্তি যোগাবলৈ কিমান যে সময়, পৰিস্থিতি সাপেক্ষে অতুলনীয় সৃষ্টি কৰিলেহেঁতেন ভূপেনদা এই সময়ত জীয়াই থকা হ'লে। এই দুখবোধে মনটোক বাৰে বাৰে চুই যায়। ভূপেনদা আছিল প্ৰকৃত শিল্পী। তেওঁ জাতি-ধৰ্ম, ধনী-দুখীয়া সকলোকে সৃষ্টিৰ মাজেদিয়ে একত্ৰিত কৰিব পাৰিছিল। প্ৰতিটো সংকটপূৰ্ণ মুহূৰ্ততে সামাজিক দায়বদ্ধতা পালন কৰিব পৰাকৈ বিশাল শক্তি ভূপেনদাৰ মাজত আছিল যিটো আমাৰ সমাজত এতিয়া বাৰুকৈয়ে প্ৰয়োজন হৈছে। সুখ-দুখ, উৎসৱ-আনন্দ, সংঘৰ্ষ, বিপ্লৱ সকলো সময়তে এই ভিন্ন পৰিস্থিতিৰ লগত খাপ খুৱাই আমাৰ সমাজক বাৰ্তা দি গৈছিল। সেইবাবেই তেওঁ এজন শ্ৰেষ্ঠ মানৱ। সেইবাবেই বোধহয় আজি নটা বছৰ পাছতো সুধাকণ্ঠৰ মৃত্যুক অসমীয়া ৰাইজে মানি ল'ব পৰা নাই। একবিংশ শতিকাৰ আজিৰ প্ৰজন্মৰ প্ৰতিনিধি হিচাপে নিশ্চয় গৌৰৱবোধ কৰাৰ স্থল আছে যে সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ বহুতো অনুষ্ঠান স্বচক্ষে নিচেই কাষৰ পৰা প্ৰত্যক্ষ কৰাৰ সুযোগ হৈছিল। সেই ক্ষেত্ৰত আমি নিঃসন্দেহে সৌভাগ্যবান। ভূপেন হাজৰিকাৰ মৃত্যু সময়ত অসমীয়া জাতিয়ে অন্ততঃ বুজি পাইছিল যে তেওঁলোকৰ সুখ-দুখৰ সময়ত কান্ধত কান্ধ মিলাই থিয় হোৱা প্ৰকৃত অভিভাৱকজনক হেৰুৱালে। এই কথা প্ৰমাণিত হৈছিল, প্ৰতিফলিত কৰিছিল দিন-ৰাতি একাকাৰ কৰি শেষ শ্ৰদ্ধা জনাবলৈ অহা লক্ষ লক্ষ জনতাৰ চকুপানীৰ যোগেদি, আবেগ বিহ্বলিত কণ্ঠৰ মাজেদি। ড০ ভূপেন হাজৰিকা আছিল তুলনাবিহীন। তেওঁ কেৱল এজন অনন্য প্ৰতিভাশালী গায়কেই নহয়, তেওঁ এজন মহান গীতিকাৰেই নহয়, তেওঁ মানুহৰ হৃদয়ত শ্ৰেষ্ঠ বুলি স্থান পোৱা শিল্পী-সাহিত্যিকেই নহয় তেওঁ প্ৰতিভাধৰ কবি, সুবক্তা। এই সকলোবোৰ হৈয়ো তেওঁ সকলোৰে ঊৰ্ধ্বত, তেওঁ অনন্য। প্ৰতিজন মানুহৰ হৃদয়ত সোমাই পৰা একবিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়া। তেওঁৰ গান যিয়ে একাত্ম হৈ শুনিছিল প্ৰতিজনেই সেই গানত বিচাৰি পাইছিল জীৱনৰ অভিব্যক্তি। তেওঁ গীত লিখি গৈছিল শিশুৰ বাবে, ডেকা-গাভৰুৰ বাবে, বৃদ্ধৰ বাবে। তেওঁৰ গীতত প্ৰতিফলিত হৈছিল শদিয়াৰ পৰা ধুবুৰীলৈ, টিৰাপ সীমান্তৰ পৰা খাছীভূমিত বাস কৰা বিভিন্নজনৰ হৃদয়ৰ ছবি। তেওঁ গীত সৃষ্টি কৰি গৈছিল কৃষকৰ মুক্তিৰ বাবে, শ্ৰমিকৰ বাবে। সেইবাবে ভূপেনদাৰ কণ্ঠৰ পৰা নিগৰি ওলোৱা এটা শব্দ শুনিলেও অমৃত সুধাপান নকৰা যেন লাগিছিল সকলোৰে। নিজকে যাযাবৰ বুলি কৈ ভালপোৱা ভূপেনদাই সৃষ্টি কৰা প্ৰতিটো গীতৰ একো একোটা শব্দই সমাজক, বিশ্বখনক বিলাই দিছিল একোটা জ্ঞান গভীৰ বাৰ্তা। ড০ ভূপেন হাজৰিকাৰ প্ৰথম পৰিচয় তেওঁ এজন অসমীয়া, আধুনিক অসমৰ নিপুণ খনিকৰ।

তেওঁ আঁতৰি যোৱা ১০টা বছৰ সম্পূৰ্ণ হ'ল। তেওঁৰ আবৰ্তমানত তেওঁক শ্ৰদ্ধা জনাবলৈ বিভিন্ন সভা-সমিতি, সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে; কিন্তু ইয়াৰ মাজতো এবাৰলৈও ভাব নাহে যে ড০ ভূপেন হাজৰিকা নামৰ মানুহজন আমাৰ মাজত নাই। প্ৰতিটো বৰ্ষতে এইটো মুহূৰ্তত এটা কথাই বাৰে বাৰে মনলৈ আহে যে এইজন মহানায়কক একবিংশ শতিকাৰ শ্ৰেষ্ঠ অসমীয়াজনক আমি চিৰদিন আমাৰ মাজত জীয়াই ৰাখিব পাৰিমনে? তেওঁ মহাপ্ৰয়াণৰ সময়তো অসমীয়া জাতিয়ে আবেগ বিহ্বল হৈ বহু কথাই কৈছিল; কিন্তু ইয়াৰ চাৰিভাগৰ এক অংশও নটা বছৰৰ ভিতৰত সম্পূৰ্ণ হোৱা দেখা নগ'ল। প্ৰতিবছৰেই যেন ভূপেনদাৰ জন্ম আৰু মৃত্যুৰ দিন দুটা আহিলেই আবেগবোৰে সাৰ পাই উঠে। এই দিন দুটাত কিছু আনুষ্ঠানিক কাৰ্যসূচী পালন কৰি বছৰটোলৈ সামৰণি মাৰে। ভূপেনদাৰ অনবদ্য সৃষ্টিৰাজিৰ চৰ্চা এই দুটা দিনতে আবদ্ধ ৰাখিলে অনাগত দিনসমূহত ভূপেনদাৰ অনবদ্য সৃষ্টিৰাজি কিমান দিনলৈ জীয়াই ৰাখিব পাৰিম সেয়া সন্দেহৰ বিষয়। আবেগত বহু কথাই কৈ দিব পৰা যায় কিন্তু বাস্তৱ ক্ষেত্ৰত কাৰ্যকৰী কৰাটোহে আচল কথা।




এনেয়ে অসমীয়া জাতিৰ ভাষা-সংস্কৃতিৰ দূৰৱস্থা চলিছে গতিকে এনে সময়ত আমাৰ এই সংস্কৃতিৰ কাণ্ডাৰীসকলৰ সৃষ্টিৰাজিৰ যথোচিত মূল্য দিবলৈ অহোপুৰুষাৰ্থ কৰিব লাগে। অসম আৰু অসমীয়া সংস্কৃতিক ভালপোৱা প্ৰতিজন লোকৰে এই ক্ষেত্ৰত গুৰুদায়িত্ব আছে। নতুন প্ৰজন্মৰ যিসকলে সংগীতৰ চৰ্চা কৰে সেইসকলে ভূপেন হাজৰিকাৰ গীতসমূহকো বাছি ল'ব লাগে। নিজৰ সন্তানক সংগীত শিক্ষা প্ৰদান কৰিবলৈ আগ্ৰহী অভিভাৱকসকলো এই ক্ষেত্ৰত বিশেষ সচেতন হ'ব লাগে। লগতে নতুন প্ৰজন্মক ড০ হাজৰিকাৰ বিশাল পাণ্ডিত্য আৰু অনবদ্য প্ৰতিভাৰ বিষয়ে জনাব লাগে আগ্ৰহেৰে। লগতে এইখিনিতে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগলৈও এটা বিশেষ অনুৰোধ, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জীৱন আৰু প্ৰতিভাৰ ওপৰত জীৱনীমূলক পাঠ এটা বিদ্যালয়ৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰিব লাগে। তেওঁৰ জন্ম দিৱস আৰু মৃত্যু দিৱসৰ দিন দুটাও শিক্ষানুষ্ঠানসমূহত অনুষ্ঠিত কৰিব লাগে। অলপ চেষ্টা আৰু যত্ন কৰিলেই এয়া কৰিব পৰা যাব। আজিৰ নতুন প্ৰজন্মই যে ভূপেন হাজৰিকাৰ বিশাল সৃষ্টিৰাজিক ভৱিষ্যতৰ দিনসমূহলৈ কঢ়িয়াই লৈ যাব লাগিব। ইয়াকে কৰিবলৈ যাওঁতে তেওঁৰ বিষয়ে ভালদৰে অৱগত হোৱাৰ লগতে সৃষ্টিৰাজিৰ নিয়মীয়া চৰ্চা আৰু অনুশীলন হ'ব লাগিব। অন্যথা কেৱল মাথোন আবেগেৰে ভূপেনদাৰ সৃষ্টিৰাজিক স্থায়ী কৰাটো সম্ভৱ হৈ নুঠিব।

*ফোন ঃ ৮৬৩৮০৬০৫৭৩*

# দক্ষিণ আফ্ৰিকাৰ ঔপন্যাসিক ডেমন গেলগটলৈ ২০২১ৰ বুকাৰ বঁটা

**নিউজ ব্যুৰ', লণ্ডন, ৪ নৱেম্বৰ ঃ** ২০২১ বৰ্ষৰ বুকাৰ বঁটা লাভ কৰিলে দক্ষিণ আফ্ৰিকাৰ ঔপন্যাসিক ডেমন গেলগটে। 'দ্য প্ৰ'মিছ' নামৰ উপন্যাসৰ জৰিয়তে দক্ষিণ আফ্ৰিকাৰ এইজন জনপ্ৰিয় লেখকে সাহিত্য জগতৰ অন্যতম সন্মানীয় ব্ৰিটিছ বঁটা লাভ কৰিবলৈ সফল হ'ল। এইবাৰৰ বুকাৰ বঁটাৰ মনোনয়নৰ তালিকাত গেলগটৰ দুখনকৈ গ্ৰন্থ অন্তৰ্ভুক্ত হৈছিল। উল্লেখ্য যে ২০০৩ আৰু ২০১০ বৰ্ষতো দুবাৰকৈ বুকাৰ বঁটাৰ মনোনয়ন তালিকাত গেলগট ৰচিত গ্ৰন্থই স্থান লাভ কৰিছিল। বুকাৰৰ নিৰ্বাচক মণ্ডলীৰ সদস্যই গেলগটৰ 'দ্য প্ৰ'মিছ' উপন্যাসৰ কাহিনী আৰু উপস্থাপনশৈলীক অপূৰ্ব বুলি অভিহিত কৰিছে। বুকাৰ লাভ কৰিবলৈ সক্ষম হোৱা 'দ্য প্ৰ'মিছ' হৈছে গেলগট ৰচিত নৱমখন গ্ৰন্থ। বুকাৰৰ নিৰ্বাচক সমিতিয়ে এইবাৰৰ বঁটা ঘোষণা কৰি কয় যে 'দ্য প্ৰ'মিছ'-এ ২০২১ৰ বুকাৰৰ ছখন নিৰ্বাচিত গ্ৰন্থৰ তালিকাভুক্ত হৈছিল আৰু উপন্যাসখনত লেখকে উপস্থাপন কৰা সাহিত্য



আৰু কলাত্মক শৈলী সকলো বিচাৰকে বিশেষভাৱে প্ৰশংসা কৰিছিল। প্ৰতি বছৰে ইংৰাজী ভাষাত লিখিত আৰু ব্ৰিটেইন তথা আয়াৰলেণ্ডৰ পৰা প্ৰকাশ কৰা সৰ্বশ্ৰেষ্ঠ উপন্যাসক বুকাৰ বঁটাৰে সন্মানিত কৰা হয়। এইবাৰ বুকাৰৰ প্ৰথমখন মনোনয়ন তালিকাত ১৫৮ খন উপন্যাস অন্তৰ্ভুক্ত হৈছিল আৰু ইয়াৰ মাজৰ পৰা বিচাৰক মণ্ডলীয়ে 'দ্য প্ৰ'মিছ'ক শ্ৰেষ্ঠ নিৰ্বাচিত কৰিলে। বুকাৰ বঁটা লাভ কৰা গেলগট হৈছে তৃতীয়জন দক্ষিণ আফ্ৰিকাৰ ঔপন্যাসিক।

## ৰাছিয়াত পণ্যবাহী বিমানৰ দুৰ্ঘটনাত নিহত কমেও নজন



**নিউজ ব্যুৰ', ম'স্কো, ৪ নৱেম্বৰ ঃ** পুনৰ বিমান দুৰ্ঘটনা সংঘটিত হ'ল ৰাছিয়াত। কালি বেলাৰুছৰ বিমান পৰিবহণ সংস্থা গ্ৰডন' এভিয়াৰ পৰিচালিত এ এন ১২ নামৰ পণ্যবাহী বিমানখনে পূব ৰাছিয়াত অৱতৰণ কৰাৰ সময়তে দুৰ্ঘটনাত পতিত হৈছিল। অৱতৰণৰ সময়ত বিমানখন হঠাতে ভাঙি পৰে আৰু অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল। এই ঘটনাত কমেও নজন লোকৰ মৃত্যু হয়। দুৰ্ঘটনাৰ কাৰণ এতিয়াও জানিব পৰা হোৱা নাই। উল্লেখ্য যে যোৱা অক্টোবৰতো ৰাছিয়াত এখন বিমান ভাঙি পৰাৰ ফলত ১৬ জন লোকৰ মৃত্যু হৈছিল।

## বিশ্বৰ মহাশক্তিধৰ দেশ হোৱাৰ লক্ষ্য চীনৰ ঃ পেণ্টাগনৰ প্ৰতিবেদনত চীন সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য হ'ল ফাদিল

# ছবছৰৰ ভিতৰত চীনৰ পাৰমাণৱিক অস্ত্ৰৰ সংখ্যা ৭০০ লৈ হ'ব বৃদ্ধি

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৪ নৱেম্বৰ ঃ** চীন সন্দৰ্ভত আমেৰিকাই এক উদ্বেগজনক তথ্য প্ৰকাশ কৰিলে। পেণ্টাগনে যুগুত কৰা এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, বিশ্বৰ মহাশক্তিধৰ দেশ হোৱাৰ লক্ষ্যৰে চীনে সম্প্ৰতি দ্ৰুতগতিত পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণত মনোনিৱেশ কৰিছে। আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগে কালি পেণ্টাগনৰ এই প্ৰতিবেদন ৰাজহুৱা কৰি কয় যে বেইজিঙে সাম্প্ৰতিক সময়ত নিজৰ পাৰমাণৱিক ক্ষমতা বৃদ্ধিত অগ্ৰাধিকাৰ দিছে। বিশ্বই ধাৰণা কৰাতকৈ বহু দ্ৰুতগতিত নিজৰ পৰমাণু কাৰ্যসূচী আগুৱাই নিছে চীনে। চলিত শতাব্দীৰ মধ্যভাগৰ ভিতৰত চীনে আমেৰিকাক অতিক্ৰম কৰি বিশ্বৰ সবাতোকৈ শক্তিধৰ ৰাষ্ট্ৰৰ স্বীকৃতি লাভৰ এক গোপন কাৰ্যসূচী ৰূপায়ণ কৰিছে বুলি এই প্ৰতিবেদনত দাবী কৰা হৈছে। একেখন প্ৰতিবেদনত পেণ্টাগনে প্ৰকাশ কৰা অনুসৰি, আগন্তুক ছবছৰৰ ভিতৰত চীনৰ হাতত থকা পৰমাণু যুদ্ধাস্ত্ৰৰ সংখ্যা ৭০০ লৈকে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। বৰ্তমানৰ গতিত বেইজিঙে পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ নিৰ্মাণ অব্যাহত ৰাখিলে ২০৩০ লৈকে চীনৰ পৰমাণু অস্ত্ৰৰ সংখ্যাই ১০০০ সীমা অতিক্ৰম কৰাৰ সম্ভাৱনা আছে। অৱশ্যে এই প্ৰতিবেদনত বৰ্তমানে চীনৰ



হাতত কিমানসংখ্যক পাৰমাণৱিক যুদ্ধাস্ত্ৰ আছে সেই তথ্য পেণ্টাগনে উল্লেখ কৰা নাই।

এবছৰ পূৰ্বে আমেৰিকাৰ প্ৰতিৰক্ষা বিভাগৰ মুখ্য কাৰ্যালয় পেণ্টাগনে তথ্য প্ৰকাশ কৰি কৈছিল যে বৰ্তমানে চীনৰ হাতত ২০০তকৈ কমসংখ্যক পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰ আছে যদিও চলিত দশকৰ অন্তলৈকে চীনৰ পৰমাণু অস্ত্ৰৰ সংখ্যা দ্বিগুণ বৃদ্ধিৰ সম্ভাৱনা আছে। উল্লেখ্য যে বৰ্তমানে আমেৰিকাৰ হাতত বিশ্বৰ ভিতৰতে সৰ্বাধিক ৩,৭৫০ টা পৰমাণু অস্ত্ৰ আছে। আমেৰিকাই অৱশ্যে দাবী কৰা অনুসৰি দেশখনে পৰমাণু অস্ত্ৰৰ সংখ্যা বৃদ্ধিৰ কোনো পৰিকল্পনা গ্ৰহণ কৰা নাই। শেহতীয়াভাৱে কৃত্ৰিম উপগ্ৰহৰ জৰিয়তে লাভ কৰা ফটোত এই কথা ধৰা পৰিছিল যে চীনৰ কমেও তিনিটা স্থানত 'মিছাইল ছাইল'ত' নিৰ্মাণ কৰা হৈছে। সমগ্ৰ বিশ্বৰ অজ্ঞাতে জি জিনপিং শাসিত কমিউনিষ্ট দেশখনে নিজৰ পাৰমাণৱিক শক্তি বৃদ্ধিৰ লক্ষ্যৰে নতুন নতুন পৰমাণু অস্ত্ৰ-শস্ত্ৰৰ নিৰ্মাণ আৰু পৰীক্ষণ অব্যাহত ৰাখিছে বুলিও পেণ্টাগণে এই প্ৰতিবেদনত দাবী কৰিছে।

## আফগানিস্তানত চৰম খাদ্য সংকট, পাকিস্তানৰ বাধাত খাদ্য প্ৰেৰণ কৰিব পৰা নাই ভাৰতে



**নিউজ ব্যুৰ', কাবুল, ৪ নৱেম্বৰ ঃ** যোৱা ১৫ আগষ্টত তালিবানে কাবুল দখল কৰাৰ পাছৰে পৰা আফগানিস্তানত খাদ্য সংকট অব্যাহত আছে। ৰাজনৈতিক অস্থিৰতাৰ পৰিণতিত আফগান নাগৰিকে এতিয়া দুবেলাৰ আহাৰৰ বাবে হাহাকাৰ কৰিব লগা হৈছে। এনে পৰিস্থিতিত দুৰ্দশাগ্ৰস্ত আফগান নাগৰিকক সহায় কৰিবলৈ প্ৰয়োজনীয় খাদ্য সামগ্ৰী প্ৰেৰণৰ বাবে তৎপৰতা প্ৰদৰ্শন কৰিছে ভাৰতে। কিন্তু ভাৰতৰ এই পদক্ষেপত বাধাদান কৰিছে পাকিস্তানে। বৈদেশিক মন্ত্ৰণালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, আফগানিস্তানৰ খাদ্য সংকট দূৰ কৰিবলৈ ভাৰতে ৫০ হেজাৰ মেট্ৰিক টন গম প্ৰেৰণৰ সিদ্ধান্ত লৈছিল। স্থলপথৰে ট্ৰাকৰ জৰিয়তে ভাৰতে পাকিস্তানৰ মাজেদি আফগানিস্তানলৈ এইদৰে গম প্ৰেৰণৰ যো-জা চলাইছিল। ইয়াৰ বাবে ইছলামাবাদৰ পৰা ভাৰতে অনুমতি বিচাৰিছিল। কিন্তু ভাৰতৰ আবেদনক অগ্ৰাহ্য কৰিলে পাকিস্তানে। বৰ্তমানলৈকে পাকিস্তানে ভাৰতক দেশখনৰ মাজেদি পাঁচ হেজাৰ ট্ৰাক প্ৰেৰণৰ বাবে প্ৰয়োজনীয় অনুমতি দিয়া নাই।



## কানপুৰত পুনৰ ৫৯ জিকা আক্ৰান্তক চিনাক্ত, আক্ৰান্তৰ সংখ্যা ৯৫ জনলৈ বৃদ্ধি

**নিউজ ব্যুৰ', কানপুৰ, ৪ নৱেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ কানপুৰত জিকা ভাইৰাছৰ সংক্ৰমণৰ আতংক অব্যাহত আছে। মাত্ৰ এদিনতে চহৰখনত ৫৯ জন জিকা আক্ৰান্ত লোকক চিনাক্ত কৰা হৈছে। এইসকল আক্ৰান্তৰ মাজত ২৩ গৰাকী হৈছে মহিলা। স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি, বৰ্তমানলৈকে কানপুৰত জিকা ভাইৰাছত আক্ৰান্ত লোকৰ সংখ্যা ৯৫ জনলৈ বৃদ্ধি পালে। ইয়াৰ পূৰ্বে যোৱা বুধবাৰে কানপুৰত ২৫ জন লোক জিকাত সংক্ৰমিত হৈছিল। কানপুৰৰ বিমানকোঠৰ আশে-পাশে থকা অঞ্চলত এই আটাইকেইজন ৰোগীয়ে বাস কৰে। উক্ত অঞ্চলত জিকাৰ ব্যাপক সংক্ৰমণ চিনাক্ত হোৱাৰ পাছতে স্বাস্থ্য বিভাগে প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিছে।



## ক'ভাক্সিন ল'লেও প্ৰৱেশ কৰিব পাৰিব আমেৰিকাত

**নিউজ ব্যুৰ' নতুন দিল্লী, ৪ নৱেম্বৰ ঃ** জি-২০ৰ বৈঠকৰ মাজতে বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ মুৰব্বী টেড্ৰ'ছ আধানম ঘেব্ৰিয়েছাছৰ স'তে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিছু সময় বাৰ্তালাপ কৰিছিল। ইয়াৰ পাছতে কালি বহু প্ৰতীক্ষিত এক সুখবৰ লাভ কৰিলে দেশবাসীয়ে। ভাৰত বায়'টেকে প্ৰস্তুত কৰা ক'ভিডৰ প্ৰতিষেধক ক'ভাক্সিনক স্বীকৃতি দিলে হুৱে। হুৱ এই স্বীকৃতিৰ পাছতে গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'লে আমেৰিকাই। এতিয়াৰে পৰা ভাৰত বায়'টেকৰ এই প্ৰতিষেধক গ্ৰহণ কৰা ব্যক্তিয়ে আমেৰিকাত প্ৰৱেশৰ অনুমতি লাভ কৰিব বুলি জ' বাইডেন প্ৰশাসনে আজি জানিবলৈ দিয়ে।

# পূৰ্বে ৰাইজৰ ধনৰে কবৰস্থানৰ নিৰ্মাণ হৈছিল, এতিয়া বিজেপিয়ে মন্দিৰ নিৰ্মাণ কৰিছে ঃ আদিত্যনাথ

## পেগাছাছ ছফটৱেৰ নিৰ্মাণকাৰী ইজৰাইলী প্ৰতিষ্ঠানক ক'লা তালিকাভুক্ত কৰিলে আমেৰিকাই



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৪ নৱেম্বৰ ঃ** আমেৰিকাই ইজৰাইলৰ এন এছ অ' গ্ৰুপ আৰু কেডিৰু নামৰ প্ৰতিষ্ঠান দুটাক ক'লা তালিকাভুক্ত কৰিলে। এতিয়াৰে পৰা এই দুই কোম্পানীয়ে আমেৰিকাত কোনো ধৰণৰ ব্যৱসায়িক কাম-কাজ চলাব নোৱাৰিব। উল্লেখ্য যে ইজৰাইলৰ এন এছ অ' গ্ৰুপে বহু বিতৰ্কিত পেগাছাছ ছফটৱেৰ তৈয়াৰ কৰিছিল। আমেৰিকাৰ বাণিজ্য বিভাগে প্ৰকাশ কৰা অনুসৰি ইজৰাইলৰ এই দুটা প্ৰতিষ্ঠানে বিদেশী চৰকাৰক গুপ্তচৰগিৰিত ব্যৱহাৰ কৰা ছফটৱেৰ বিক্ৰী কৰিছিল আৰু এই ছফটৱেৰৰ জৰিয়তে চৰকাৰী বিষয়া, নেতা, সাংবাদিকৰ ম'বাইল ফোনত নজৰ ৰখা হৈছিল।

**নিউজ ব্যুৰ' অযোধ্যা, ৪ নৱেম্বৰ ঃ** ৰাইজৰ ধন এতিয়া অপব্যয় নকৰে উত্তৰ প্ৰদেশৰ চৰকাৰে। সেই ধনৰে ৰাজ্যৰ উন্নয়নৰ লগতে মন্দিৰ নিৰ্মাণ কৰা হয়। পূৰ্বৰ চৰকাৰে ৰাইজৰ ধনৰে উত্তৰ প্ৰদেশত কবৰস্থান নিৰ্মাণ কৰিছিল। নাম উল্লেখ নকৰাকৈ সমাজবাদী পাৰ্টিক এইদৰে আজি কটাক্ষ কৰিলে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে। দীপাৱলী উপলক্ষে




ৰাম কথা পাৰ্কত আয়োজিত এক অনুষ্ঠানত অংশ লোৱাৰ সময়ত মুখ্যমন্ত্ৰীজনে ৰাজ্য চৰকাৰৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে পূৰ্বৰ চৰকাৰৰ কাম-কাজক কঠোৰভাৱে সমালোচনা কৰে। যোগীয়ে ঘোষণা কৰি কয় যে অহা বছৰৰ হোলীলৈকে উত্তৰ প্ৰদেশত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আঁচনিখন অব্যাহত ৰখা হ'ব। অযোধ্যাত ৰাম মন্দিৰৰ নিৰ্মাণৰ লগতে উত্তৰ প্ৰদেশত ৫০০ টা মন্দিৰ আৰু ধৰ্মীয় স্থানৰ উন্নয়নৰ বাবে বিজেপি চৰকাৰে কে'বাখনো আঁচনি গ্ৰহণ কৰা বুলি আদিত্যনাথে জানিবলৈ দিয়ে।

# চিচি টিভিৰ ফুটেজত ধৰা পৰিল শ্বাহৰুখৰ প্ৰবন্ধক পূজাৰ গাড়ী ঃ বিপদ বৃদ্ধি গ'ছাভিৰ

**নিউজ ব্যুৰ' মুম্বাই, ৪ নৱেম্বৰ ঃ** মুম্বাইৰ বহুচৰ্চিত প্ৰমোদতৰীৰ নিষিদ্ধ মাদক দ্ৰব্যৰ পাৰ্টিৰ গোচৰৰ অন্যতম সাক্ষী কিৰণ গ'ছাভিৰ বিপদ বৃদ্ধি পাব পাৰে। মুম্বাই আৰক্ষীয়ে লাভ কৰা চিচি টিভিৰ এক ভিডিঅ' ফুটেজত অভিনেতা শ্বাহৰুখ খানৰ প্ৰৱন্ধক পূজা দদলানিৰ নীলা ৰঙৰ মাৰ্চিডিজ গাড়ীৰ উপস্থিতি ধৰা পৰিলে। এই চিচি টিভিৰ ফুটেজ ল'ৱাৰ পৰেলত গ্ৰহণ কৰা হৈছিল। পূজাই আৰিয়ানক এন চি বিৰ কৱলৰ পৰা মুক্ত কৰিবলৈ গ'ছাভিক ৫০ লাখ টকা আদায় দিবলৈ ল'ৱাৰ পৰেললৈ আহিছিল বুলি প্ৰভাকৰ ছাইল নামৰ আন এজন সাক্ষীয়ে শপতনামাত দাবী কৰিছিল। প্ৰমোদতৰীৰ গোচৰত উৎকোচ গ্ৰহণৰ অভিযোগৰ



সন্দৰ্ভত সম্প্ৰতি এছ আই টিয়ে তদন্ত অব্যাহত ৰাখিছে। মুম্বাই আৰক্ষীয়ে শেহতীয়াভাৱে লাভ কৰা চিচি টিভিৰ ফুটেজৰ জৰিয়তে ল'ৱাৰ পৰেলত পূজা আৰু গ'ছাভিয়ে সাক্ষাৎ কৰাৰ অভিযোগ সত্য প্ৰমাণিত হৈছে। ছাইলে অভিযোগ কৰা অনুসৰি, আৰিয়ানক এন চি বিৰ জিম্মাৰ পৰা মুক্ত কৰি অনাৰ বাবে গ'ছাভিয়ে শ্বাহৰুখৰ ব্যক্তিগত প্ৰৱন্ধকৰ পৰা ৫০ লাখ টকাৰ উৎকোচ গ্ৰহণ কৰিছিল। এই ধনৰ আদান-প্ৰদানৰ বাবে ল'ৱাৰ পৰেলিত পূজা আৰু গ'ছাভিয়ে সাক্ষাৎ কৰিছিল বুলি গোচৰটোৰ অন্যতম সাক্ষী ছাইলে দাবী কৰিছিল। চিচি টিভিৰ ফুটেজৰ ভিডিঅ'ত পূজাৰ নীলা ৰঙৰ মাৰ্চিডিজ গাড়ীখন উক্ত স্থানত উপস্থিত থকাৰ প্ৰমাণ হিচাপে আৰক্ষীয়ে সংগ্ৰহ কৰিছে।



## আৰিয়ান কাণ্ডত ছেম ডিছুজাৰ অগ্ৰিম জামিন আবেদন নাকচ

**নিউজ ব্যুৰ', মুম্বাই, ৪ নৱেম্বৰ ঃ** শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানৰ মাদক দ্ৰব্যৰ গোচৰত শেহতীয়াভাৱে এটা নতুন নাম সাঙোৰ খালে। ছেম ডিছুজা নামৰ এজন ব্যক্তিয়ে সম্প্ৰতি দাবী কৰিছিল যে আৰিয়ানক নাৰ্ক'টিকছ কন্ট্ৰ'ল ব্যুৰ' (এন চি বি)ৰ হাতৰ পৰা মুক্ত কৰিবলৈ কিৰণ গ'ছাভি নামৰ এজন ব্যক্তিক শ্বাহৰুখৰ প্ৰৱন্ধক পূজা দদলানিয়ে ৫০ লাখ টকাৰ উৎকোচ যাচিছিল। ডিছুজাই লগতে দাবী কৰি কৈছিল যে গ'ছাভি আৰু পূজাৰ মাজত তেওঁ নিজে যোগাযোগ স্থাপন কৰি দিছিল। যোৱা বুধবাৰে অগ্ৰিম জামিন বিচাৰি বোম্বে উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল ডিছুজা। আজি আদালতে ডিছুজাৰ অগ্ৰিম জামিন আবেদন প্ৰত্যাখ্যান কৰে। এই গোচৰত গ'ছাভি আৰু পূজাক পৰিচয় কৰি দিয়াৰ বাহিৰে আন কোনো ভূমিকা তেওঁৰ নাছিল বুলি ডিছুজাই দাবী কৰিছে।

# আৰিয়ান কাৰাগাৰত থকাৰ সময়ত শ্বাহৰুখলৈ পত্ৰ লিখি কি কৈছিল ৰাহুলে ?



**নিউজ ব্যুৰ', মুম্বাই, ৪ নৱেম্বৰ ঃ** মাদক দ্ৰব্যৰ কাণ্ডত শ্বাহৰুখ খানৰ পুত্ৰ আৰিয়ান খানৰ গ্ৰেপ্তাৰৰ আঁৰত ষড়যন্ত্ৰ নিহিত থকা বুলি একাংশ লোকে দাবী কৰিছিল। ইয়াৰ আঁৰত গভীৰ ৰাজনৈতিক ষড়যন্ত্ৰ থকা বুলিও শ্বাহৰুখৰ একাংশ অনুৰাগীয়ে মন্তব্য কৰিছিল। বিশেষকৈ বিজেপি বিৰোধী একাধিক ৰাজনৈতিক দলে আৰিয়ানৰ গ্ৰেপ্তাৰৰ নেপথ্যেত ৰাজনীতি জড়িত থকা বুলিও অভিযোগ কৰিছিল। এইবাৰ আৰিয়ানৰ গ্ৰেপ্তাৰৰ ঘটনাৰ স'তে নাম সাঙোৰ খালে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীৰ। আৰিয়ান কাৰাগাৰত থকাৰ সময়তে ৰাহুলে শ্বাহৰুখলৈ পত্ৰ প্ৰেৰণ কৰি জনপ্ৰিয় অভিনেতাজনৰ পৰিয়ালৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিছিল। শ্বাহৰুখ আৰু তেওঁৰ পত্নী গৌৰী খানলৈ যোৱা ১৪ অক্টোবৰত লিখা পত্ৰত কংগ্ৰেছ নেতাজনে এইদৰে কৈছিল, 'আৰিয়ানৰ স'তে কি ধৰণৰ ব্যৱহাৰ কৰা হৈছে, তাৰ বাবে আমি দুখিত। কোনো শিশুৰ স'তে এই ধৰণৰ আচৰণ কৰা উচিত নহয়। আমি প্ৰত্যক্ষ কৰি আহিছো আপুনি কিদৰে মানুহক সহায় কৰে। মই নিশ্চিত এইসকল লোকৰ আশীৰ্বাদ আপোনাৰ স'তে আছে। সমগ্ৰ দেশ আপোনাৰ কাষত আছে।'

## ৰাছিয়াত এদিনতে ক'ভিডত মৃত্যু ১,১৮৯ জনৰ



**নিউজ ব্যুৰ', ম'স্কো, ৪ নৱেম্বৰ ঃ** ক'ভিড ভাইৰাছৰ নতুন প্ৰজাতিৰ সংক্ৰমণে ৰাছিয়াত পুনৰ ত্ৰাসৰ সৃষ্টি কৰিছে। সমগ্ৰ কৰ'না কালত সম্প্ৰতি ৰাছিয়াত সৰ্বাধিকসংখ্যক লোকৰ দৈনিক ক'ভিডত মৃত্যু হৈছে। যোৱা ২৪ ঘণ্টাত ৰাছিয়াত ৪০,৪৪৩ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। দেশখনত বৰ্তমানলৈকে ৮,৬৩৩,৬৪৩ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। ইফালে, এদিনতে দেশখনত এহেজাৰৰো অধিক লোকৰ এই ভাইৰাছৰ সংক্ৰমণত মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত ৰাছিয়াৰ বিভিন্ন অঞ্চলত ১,১৮৯ জন লোকৰ প্ৰাণ কাঢ়িলে ক'ভিডৰ সংক্ৰমণে। বৰ্তমানলৈকে ৰাছিয়াত ২,৪২,০৬০ জন লোকৰ ক'ভিডত মৃত্যু হ'ল। বিগত এসপ্তাহত পঞ্চমবাৰৰ বাবে বৃহস্পতিবাৰে দেশখনত পুনৰ সৰ্বাধিকসংখ্যক লোক ক'ভিড সংক্ৰমণিত হ'ল। ৰাছিয়াত বিগত পাঁচদিন ধৰি তলাবন্ধ অব্যাহত আছে। কিন্তু তলাবন্ধৰ পাছতো দেশখনত কৰ'না ভাইৰাছৰ সংক্ৰমণ নিয়ন্ত্ৰণ কৰাটো সম্ভৱ হোৱা নাই।



## বিশ্বত কৰ'না আক্ৰান্তৰ সংখ্যা ২৪.৮৪ কোটি হ'ল, ৫০.৩ লাখৰ মৃত্যু

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৪ নৱেম্বৰ ঃ** আমেৰিকাৰ জনছ হপকিন্স বিশ্ববিদ্যালয়ৰ পৰিসংখ্যা অনুসৰি, বিশ্বজুৰি কৰ'নাত আক্ৰান্ত হোৱা ৰোগীৰ সংখ্যাই ২৪.৮৪ কোটিৰ সীমা অতিক্ৰম কৰিলে। এই মাৰাত্মক ভাইৰাছৰ গোলকীয় সংক্ৰমণে বৰ্তমানলৈকে বিশ্বৰ বিভিন্ন দেশত ৫০.৩ লাখৰো অধিক লোকৰ প্ৰাণ হৰিলে। কেৱল আমেৰিকাতে বৰ্তমানলৈকে ৪৬,১৪০,৫০৯ জন লোক কৰ'নাত আক্ৰান্ত আৰু ৭,৪৮,১৭৩ জন লোকৰ এই ভাইৰাছত মৃত্যু হ'ল।


## পাকিস্তানত আটা, ঘিঁউ, দাইলত চৰকাৰে দিব ৰাজসাহায্য, হ্ৰাস পাব মূল্য



**নিউজ ব্যুৰ', ইছলামাবাদ, ৪ নৱেম্বৰ ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰী ইমৰান খানে দেশখনৰ জনসাধাৰণক অত্যাৱশ্যকীয় সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ পৰা সকাহ দিবলৈ পদক্ষেপ গ্ৰহণ কৰিলে। দৰিদ্ৰ পৰিয়ালক নিত্য ব্যৱহাৰ্য সামগ্ৰী সুলভ মূল্যত যোগান ধৰাৰ বাবে ইমৰান চৰকাৰে ১২০ বিলিয়ন টকাৰ পেকেজৰ কথা ঘোষণা কৰিলে। ইমৰানে এই সিদ্ধান্তক পাকিস্তানৰ ইতিহাসৰ সৰ্ববৃহৎ কল্যাণকাৰী আঁচনি বুলি দাবী কৰে। ৰাষ্ট্ৰক সম্বোধন কৰি ইমৰানে কয় যে ৰাজসাহায্য প্ৰদানৰ ফলত আগন্তুক ছমাহৰ বাবে দৰিদ্ৰ পৰিয়ালসমূহে ৩০ শতাংশ কম মূল্যত ঘেঁহুৰ আটা, ঘিঁউ আৰু দাইল ক্ৰয় কৰিব পাৰিব। উল্লেখ্য যে সম্প্ৰতি পাকিস্তানৰ বজাৰত এইসমূহ নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ যথেষ্ট মূল্যবৃদ্ধি হৈছে।

## চীনত ২৪ ঘণ্টাত পুনৰ ক'ভিড আক্ৰান্ত ১০০ জন, এহেজাৰ চিকিৎসাধীন

**নিউজ ব্যুৰ', বেইজিং, ৪ নৱেম্বৰ ঃ** চীনত ক'ভিডৰ নতুন সংক্ৰমণ বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ এশজনৰো অধিক লোক ক'ভিডত সংক্ৰমিত হ'ল। বুধবাৰে বেইজিঙত নজন ক'ভিড ৰোগীক চিনাক্ত কৰা হৈছিল। ইয়াৰ পাছতে প্ৰশাসনে বেইজিঙত একাধিক কঠোৰ ক'ভিড বিধি প্ৰৱৰ্তন কৰে। বেইজিঙৰ বাসিন্দাসকলক চীনৰ আন অঞ্চললৈ যোৱাৰ ক্ষেত্ৰতো প্ৰশাসনে বাধা আৰোপ কৰিছে। চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে প্ৰকাশ কৰা অনুসৰি, দেশখনত শেহতীয়াভাৱে ক'ভিডত আক্ৰান্ত হোৱা লোকসকলক ৯৩ জন স্থানীয়ভাৱে আৰু ১৬ জন বিদেশৰ পৰা এই ভাইৰাছত সংক্ৰমিত হৈছিল। সম্প্ৰতি চীনৰ চিকিৎসালয়ত ১,০০০ জন ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে। এইসকল ৰোগীৰ মাজৰ এজন ৩৭ বছৰীয়া আক্ৰান্তৰ অৱস্থা সংকটজনক বুলি স্বাস্থ্য বিভাগে জানিবলৈ দিয়ে। চীনৰ ৭৬ শতাংশ জনসংখ্যাৰ টিকাকৰণৰ পাছতো দেশখনত ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণে উদ্বেগ বৃদ্ধি কৰিছে।





## ফেব্ৰুৱাৰীৰ পাছত প্ৰথমবাৰলৈ ডেৰ লাখৰ তললৈ নামিল সক্ৰিয় ৰোগীৰ সংখ্যা

**নিউজ ব্যুৰ', নতুন দিল্লী, ৪ নৱেম্বৰ ঃ** দেশৰ দৈনিক ক'ভিড সংক্ৰমণ বুধবাৰৰ তুলনাত আজি প্ৰায় এহেজাৰ বৃদ্ধি পালে।যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ১২,৮৮৫ জন লোক। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি ভাৰতত বৰ্তমানলৈকে তিনি কোটি ৪৩ লাখ ২১ হেজাৰ ২৫ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। ইফালে যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত মৃতকৰ সংখ্যাও ৪৬১ জনলৈ বৃদ্ধি পালে। কেৱল কেৰালাতে বিগত এদিনত প্ৰাণ হেৰুৱালে ৩৬২ জন ক'ভিড ৰোগীয়ে। আক্ৰান্তৰ সংখ্যা হ্ৰাস পাবলৈ ধৰাত দেশত সম্প্ৰতি সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যাও হ্ৰাস পাইছে। বৃহস্পতিবাৰে সক্ৰিয় ৰোগীৰ সংখ্যা ডেৰ লাখৰ তললৈ নামিলে। যোৱা ২১ ফেব্ৰুৱাৰীৰ পাছত এয়ে প্ৰথমবাৰ ভাৰতত সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যা ডেৰ লাখৰ তললৈ নামিলে। বৰ্তমানে ভাৰতত এক লাখ ৪৮ হেজাৰ ৫৭৯ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

■ ওদালগুৰিত নতুন শিক্ষা নীতি সম্পৰ্কে জিলা পৰ্যায়ৰ পৰামৰ্শমূলক সভা ■ বিটিআৰৰ শৈক্ষিক খণ্ডত আমূল পৰিৱৰ্তনৰ চিন্তা-চৰ্চা কৰা হৈছে ■ শিশুক এ বি চি ডি নজনাকৈ পদ্য-গল্পৰ শিক্ষা দিলে ফলপ্ৰসূ ফল পোৱা নাযায়

# প্ৰাথমিক বিদ্যালয়ত ইংৰাজী বিষয়ৰ শিক্ষক নিয়োগৰ আহ্বান

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ৪ নৱেম্বৰ ঃ** ওদালগুৰিত কালি বিটিআৰ নতুন শিক্ষা নীতি সম্পৰ্কীয় অংশীদাৰসকলৰ জিলা পৰ্যায়ৰ পৰামৰ্শমূলক সভা অনুষ্ঠিত হয়। ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° লুক দৈমাৰীৰ অধ্যক্ষতাত শিক্ষা নীতিৰ বিশেষজ্ঞসকলক লৈ এই সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিত নিজৰ ভাষণ প্ৰসংগত ড° দৈমাৰীয়ে কয়, 'বিটিআৰ শিক্ষা নীতি হৈছে প্ৰমোদ বড়োৰ এক সপোন। ইয়াৰ দ্বাৰা অঞ্চলটোৰ শিক্ষাৰ মানদণ্ড উন্নত হ'ব। এই শিক্ষা নীতি সম্পৰ্কে আমি বিভিন্নজনৰ পৰা পৰামৰ্শৰ আহ্বানেৰে এই সভাখন অনুষ্ঠিত কৰা হৈছে। এই পৰামৰ্শসমূহ সঠিকভাৱে গ্ৰহণ কৰি বলৱৎ কৰি আমি অঞ্চলটোৰ শিক্ষাৰ মান উন্নত কৰিব পাৰিম।' সভাত শিক্ষা নীতি প্ৰস্তুতকৰণৰ বিশেষজ্ঞ সমিতিৰ সদস্য নীলকান্ত গয়াৰীয়ে কয়, 'বিটিচিৰ মুৰব্বীগৰাকীৰ আহ্বানমৰ্মে বিটিআৰৰ প্ৰতিখন জিলাতে জিলা পৰ্যায়ৰ বিশিষ্ট লোক শিক্ষাবিদসকলৰ স'তে আলোচনা কৰি পৰামৰ্শ গ্ৰহণ কৰি থকা হৈছে। এই শিক্ষা নীতিত বহুতো আসোঁৱাহ থাকিব পাৰে। সেইসমূহ আমি কেনেদৰে আসোঁৱাহমুক্ত কৰিব পাৰো সেই সম্পৰ্কে ব্যৱস্থা হাতত লোৱা হ'ব। একেদৰে শিক্ষা নীতিৰ দফাসমূহত কিছু যোগ হ'বই পাৰে। সেয়েহে বুদ্ধিজীৱী, শিক্ষাবিদ তথা দল-সংগঠনসমূহৰ পৰা এনে প্ৰস্তাৱ গ্ৰহণ কৰিছো। যাতে এই শিক্ষা নীতি আসোঁৱাহমুক্ত হৈ এক সুন্দৰ নীতিৰে শৈক্ষিক দিশত নতুন দিগন্তৰ সূচনা হয়।' সভাত বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে কয়, 'বিটিচি চৰকাৰৰ নতুন শিক্ষা নীতিৰ ওপৰত এই সভা আয়োজন কৰা হৈছে। এই সভাৰ উদ্যোক্তাক ধন্যবাদ জ্ঞাপন কৰিছো। দল-সংগঠন, বুদ্ধিজীৱীৰ পৰামৰ্শৰ দ্বাৰা শিক্ষা নীতিৰ জৰিয়তে বিটিচিৰ শিক্ষা বিভাগত নতুনত্ব আহিব। কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা নীতি ইতিমধ্যে আৰম্ভ হৈছে। বৰ্তমান চৰকাৰী বিদ্যালয়সমূহৰ অৱস্থা অতি শোচনীয়। বিদ্যালয়ত পৰ্যাপ্ত শিক্ষক নাই, আন্তঃগাঁথনিৰ অভাৱ, স্বাস্থ্যজনিত ব্যৱস্থা, খোৱাপানীৰ ব্যৱস্থা বহু বিদ্যালয়ত নাই। যাৰ বাবে অভিভাৱকসকলে নিজৰ সন্তানক লৈ ব্যক্তিগত বিদ্যালয়লৈ ঢাপলি মেলিছে। অসমীয়া-বড়ো মাধ্যমত পঢ়া শিক্ষাৰ্থীসকলে ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ কঠিন বুলি অভিভাৱকসকলে মনতে ভাবে। যাৰ বাবে চৰকাৰী অসমীয়া-বড়ো মাধ্যমৰ ক্ষেত্ৰতো যাতে উপযুক্ত শিক্ষা দিব পাৰি তাৰ বাবে এই নতুন শিক্ষা নীতি প্ৰস্তুতৰ ব্যৱস্থা কৰিছে। ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰাথমিক বিদ্যালয়ত ইংৰাজী শিকোৱা পদ্ধতি সঠিক হোৱা নাই। শিশুৱে বিদ্যালয়ত এবিচিডি নজনাকৈ পদ্য-গল্পৰ শিক্ষা দিলে ফলপ্ৰসূ ফল পোৱা নাযাব। বিটিআৰৰ নতুন শিক্ষা নীতিৰ দ্বাৰা প্ৰাথমিক বিদ্যালয়ত নতুনকৈ বিশেষ ইংৰাজী শিক্ষক নিযুক্তি দিয়াৰ প্ৰয়োজন আছে। বৰ্তমান বিটিচিৰ শিক্ষা বিভাগে অঞ্চলটোত আমূল পৰিৱৰ্তনৰ চেষ্টা কৰিছে। বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, খোৱাপানী, স্বাস্থ্যৰ বাবে কাম আৰম্ভ কৰিছো। উপযুক্ত শিক্ষাৰ দ্বাৰাহে এখন আদৰ্শ সমাজ গঢ়াত সুবিধা হয়। সেয়েহে এখন সুস্থ সমাজ গঢ়িবলৈ শিক্ষাৰ মান উন্নতমানৰ হ'ব লাগিব।' এই পৰামৰ্শমূলক সভাত এবছু, নেপালী সাহিত্য সভা আদিবাসী ছাত্ৰ সন্থা, চাওতালী ছাত্ৰ সন্থা, ৰাভা ছাত্ৰ সন্থা, বড়ো মহিলা সংগঠন, বড়ো প্ৰাথমিক শিক্ষক সন্থা, ওদালগুৰি মহকুমা প্ৰাথমিক শিক্ষক সন্মিলন, হাইস্কুল শিক্ষক সন্থা, এবিএমছু, মাধ্যমিক শিক্ষক সন্থা, একাডেমিক কাউন্সিল, এমআৰএছডি, আস্থা আদি দল-সংগঠন আৰু বেচৰকাৰী সংগঠনৰ নেতৃত্বই পৰামৰ্শ প্ৰদান কৰে। প্ৰায়সকল সংগঠনে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন, পৰ্যাপ্ত শিক্ষক নিযুক্তি, শিক্ষকসকলক অন্য কামৰ পৰা ৰেহাই প্ৰদান, অৱসৰৰ পাছতে সেই পদত শিক্ষক নিযুক্তি, বিদ্যালয় প্ৰাদেশিকীকৰণ, অঞ্চলভেদে বসতিপ্ৰধান জনগোষ্ঠীৰ শিক্ষক নিযুক্তিৰ পৰামৰ্শ আগবঢ়ায়। পৰামৰ্শমূলক সভাত বিশেষজ্ঞ সমিতিৰ হৈ কোকৰাঝাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য লাইশ্বৰাম লাড্ডু সিং, এবছু নেতা খৌৰমদৌৰ ৰাৰী, ৰঞ্জন কুমাৰ বৰুৱা, ওদালগুৰি বিদ্যালয়সমূহৰ পৰিদৰ্শক জয়পাল সিং ব্ৰহ্ম, ভূমিধৰ বড়োৰ উপৰি বহু লোক উপস্থিত থাকে। সভাৰ পূৰ্বে বিশেষজ্ঞ সমিতিৰ দলে ওদালগুৰিৰ কে'বাখনো চৰকাৰী বিদ্যালয় পৰিদৰ্শন কৰে।




## গোৱালপাৰা পঞ্চৰত্ন কালী মন্দিৰৰ মাটিক লৈ দুই ফৈদৰ মাজত সংঘাত

■ অভিযোগ-প্ৰতি অভিযোগত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৪ নৱেম্বৰ ঃ** গোৱালপাৰা সদৰ থানাৰ অন্তৰ্গত পঞ্চৰত্ন কালী মন্দিৰৰ মাটিক কেন্দ্ৰ কৰি দুই ফৈদৰ মাজত চলা সংঘাতক লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় একাংশ ৰাইজে অভিযোগ কৰা মতে, শতবৰ্ষ গৰকা পঞ্চৰত্ন কালী মন্দিৰটোত স্থানীয় লোকসকলে যুগ যুগ ধৰি পূজা-অৰ্চনা কৰি আহিছে। কিন্তু স্থানীয় ৰামকৃষ্ণ চৌধুৰীয়ে মন্দিৰৰ মাটিখিনি বেদখল কৰি পুখুৰী খান্দিবলৈ উঠি-পৰি লাগিছে আৰু মন্দিৰটো ভাঙি দিয়াৰ ভাবুকি দিছে। ইপিনে, পঞ্চৰত্ন ৰাজহ গাঁৱৰ ৯৫ নম্বৰ দাগৰ ১১ লেচা মাটি কালী মন্দিৰৰ নামত থকা বুলি বালিজানা ৰাজহ চক্ৰৰ বিষয়াই যোৱা ১৯ এপ্ৰিলত এক প্ৰমাণপত্ৰ দিয়ে। এবছৰ পূৰ্বে মন্দিৰ চৌহদত পঞ্চায়ত কৰ্তৃপক্ষই এখন চাৰিবেৰৰ দেৱালো নিৰ্মাণ কৰি দিছে। এনে ক্ষেত্ৰত ৰামকৃষ্ণ চৌধুৰীয়ে মন্দিৰৰ মাটিখিনি বেদখল কৰি পুখুৰী খান্দিবলৈ উঠিপৰি লগা বুলি অভিযোগ উত্থাপিত হৈছে। ইপিনে, ৰামকৃষ্ণ চৌধুৰীয়ে কয় যে পঞ্চৰত্নৰ কালী মন্দিৰৰ মাটিখিনিৰ লগতে মন্দিৰৰ চাৰিওফালে থকা এবিঘা তিনি কঠা ১৪ লেচা মাটি তেওঁৰ পিতৃ ৰামলাল তিওৰৰ নামত পট্টাভুক্ত হৈ আছে। ইয়াৰে ১১ লেচা মাটি তেওঁৰ পিতৃয়ে মন্দিৰৰ নামত দান কৰিছিল। সম্প্ৰতি পিতৃৰ নামত থকা মন্দিৰৰ চাৰিওফালৰ পট্টাভুক্ত ভূমিত চৌধুৰীয়ে পুখুৰী খান্দিব বিচাৰি আছে। সেয়ে মন্দিৰটোৰ অনিষ্ট হোৱাৰ আশংকাত আৰু মন্দিৰলৈ যোৱাৰ কোনো পথ নথকা বাবে পথাৰৰ মাজৰ পৰা ৰাস্তাৰ কাষত মন্দিৰটো স্থানান্তৰ কৰি পুনৰ নিৰ্মাণ কৰিব খুজিছে। এই সন্দৰ্ভত ৰাইজৰ লগত কে'বালানি আলোচনা হৈছিল। কিন্তু একাংশ ৰাইজে ৰামকৃষ্ণৰ সিদ্ধান্তৰ বিৰোধিতা কৰি মন্দিৰটো পূৰ্বৰ ঠাইতে ৰাখিব বিচাৰিছে। এই সন্দৰ্ভত ৰামকৃষ্ণ চৌধুৰীয়ে আদালতৰ দ্বাৰস্থ হৈছে আৰু ছগৰাকী লোকৰ বিৰুদ্ধে গোচৰ চলি আছে। তদুপৰি উক্ত ছজন লোকে বিবাদিত কালী মন্দিৰটোত বেআইনী কাম-কাজ কৰি থকা বুলি যোৱা পহিলা নৱেম্বৰত স্থানীয় ২৩গৰাকীকৈ লোকে জিলা আৰক্ষী অধীক্ষকক এখন লিখিত অভিযোগ দাখিল কৰিছে। এইদৰে কালী মন্দিৰ স্থানান্তৰ কৰাক কেন্দ্ৰ কৰি সম্প্ৰতি অঞ্চলটোৰ দুই ফৈদৰ মাজত তীব্ৰ সংঘাত চলিছে। সেয়ে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে বিষয়টো তদন্তমৰ্মে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

## অসুস্থ পুত্ৰৰ চিকিৎসাৰ বাবে আৰ্থিক সাহায্যৰ আবেদন দৰিদ্ৰ অসহায় মাতৃৰ

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ৪ নৱেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰ কল'নীৰ বাসিন্দা প্ৰয়াত দীনেশ দাসৰ পুত্ৰ এসপ্তাহ পূৰ্বে সুজিত দাস (৫) ব্ৰেইন ষ্ট্ৰ'কত আক্ৰান্ত হৈ গুৰুতৰ অসুস্থ হৈ পৰে। অতি দৰিদ্ৰ পৰিয়ালৰ যুৱকজনক প্ৰথমে গোসাঁইগাঁও আৰ এন বি অসামৰিক চিকিৎসালয়লৈ নিয়াৰ পাছত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাল লৈ যাবলৈ নিৰ্দেশ দিয়ে। সেই মতে ৰাইজৰ পৰা কিছু সহায় লৈ গুৰুতৰভাৱে অসুস্থ যুৱকজনক জি এম চি এইছ ত ভৰ্তি কৰা হয়। কিন্তু যুৱকজনৰ শাৰীৰিক পৰীক্ষা-নিৰীক্ষা কৰা আৰু চিকিৎসাৰ বাবে প্ৰয়োজনীয় ধনৰ অভাৱত এতিয়া বিনা চিকিৎসাতে হাস্পতালত পৰি থাকিব লগীয়া হৈছে। আৰ্থিক অনাটনত ভোগা অতি দৰিদ্ৰ পৰিয়ালটোত উপাৰ্জনশীল কোনো ব্যক্তি নাই। যাৰ ফলত আৰ্থিক অভাৱত পুত্ৰৰ চিকিৎসাৰ খৰচ যোগাৰ কৰিব নোৱাৰি অসহায় মাতৃগৰাকীয়ে বিটিচিৰ স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে, শ্ৰীৰামপুৰৰ পৰিষদীয় সদস্য সজল কুমাৰ সিংহৰ কৃপাদৃষ্টি কামনা কৰাৰ লগতে ৰাইজৰ পৰা আৰ্থিক সহায় বিচাৰি আবেদন কৰিছে। ইচ্ছুক ব্যক্তিসকলক ষ্টেট বেংক অৱ ইণ্ডিয়া (এছবিআই)ৰ আৰু আই এফ চি নম্বৰ এছবিআইএন০০১৩২৫৫ আৰু ২০৪৭৭২১১৬০২ একাউণ্ট নম্বৰত আৰ্থিক সহায়ৰ বাবে কাতৰ আবেদন জনাইছে ষ্ট্ৰ'কত আক্ৰান্ত হৈ জীৱন-মৃত্যুৰ লগত যুঁজি থকা সুজিত দাসৰ অসহায় মাতৃয়ে।

## জনসংখ্যা সমাধান ফাউণ্ডেছনৰ প্ৰতিজ্ঞা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ৪ নৱেম্বৰ ঃ** জনসংখ্যা সমাধান ফাউণ্ডেছন গোলাঘাট জিলা সমিতিৰ প্ৰতিজ্ঞা দিৱস পালন কৰা হয়। শংকৰদেৱ শিশু নিকেতন গোলাঘাটত যোৱা তিনি নৱেম্বৰত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে ফাইণ্ডেছনৰ অধ্যক্ষ মহেন্দ্ৰ নাথ শইকীয়াই। সম্পাদক দীপ কলিতাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত ফাউণ্ডেছনৰ এটা সাংঘিক গীত পৰিৱেশন কৰা হয়। এক আধ্যাত্মিক পৰিৱেশৰ মাজেৰে ভাৰত মাতাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু বন্দেমাতৰম গীতেৰে সভাৰ আৰম্ভণি কৰা হয়। সভাত সংযোজক সুবোধ বৰা, মিডিয়া প্ৰভাৰী প্ৰণৱ চক্ৰৱৰ্তী, শ্বেৰ বাহাদুৰ চেত্ৰী, ড° যতীন নাথ আদি ব্যক্তিসকলে প্ৰতিজ্ঞা দিৱসৰ লগত সংগতি ৰাখি বহু তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। গোলাঘাট জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা ফাউণ্ডেছনৰ বিষয়ববীয়াসকলে সভাত গৌৰৱময়ী ভাৰত মাতৃক সাক্ষী কৰি পূৰ্বপুৰুষসকলক স্মৰণ কৰি পৱিত্ৰ ৰাষ্ট্ৰীয় পতাকাৰ সন্মুখত ভাৰতৰ সংস্কৃতি আৰু ৰাষ্ট্ৰৰ সৰ্বাংগীণ উন্নয়নৰ হকে প্ৰতিজ্ঞা লয়। অনাগত দিনত সকলোৰে সহায়-সহযোগ কামনা কৰি শলাগৰ শৰাই অগবঢ়াই বিবেকানন্দ শৰ্মাই। এক বিবৃতিৰ জৰিয়তে ফাউণ্ডেছনৰ সম্পাদক দীপ কলিতাই জানিবলৈ দিয়ে।

■ দৰং মহাবিদ্যালয়ত সোঁৱৰণী গ্ৰন্থ উন্মোচন

## সুদক্ষ প্ৰশাসক-শিক্ষকৰূপে নজিৰ স্থাপন কৰিবলৈ সক্ষম হৈছে সুৰেশ মণ্ডলে

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ৪ নৱেম্বৰ ঃ** এগৰাকী সুদক্ষ প্ৰশাসক, শিক্ষক আৰু পিতৃ হিচাপে নজিৰ স্থাপন কৰিবলৈ সক্ষম হৈছিল দৰং মহাবিদ্যালয় ভূগোল বিভাগৰ অধ্যাপক প্ৰয়াত সুৰেশ প্ৰসাদ মণ্ডলে। প্ৰখৰ মেধা সম্পন্ন এইজন অধ্যাপকৰ প্ৰচেষ্টাত ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনৰ ভূগোল বিভাগ ৰাজ্যৰ ভিতৰতে উজলি উঠিবলৈ সক্ষম হৈছিল। এক সাধাৰণ জীৱন যাপন কৰা অসাধাৰণ পাণ্ডিত্যৰ অধ্যাপকজনে নিজেই কঠোৰ পৰিশ্ৰম আৰু নিয়মানুৱৰ্তিতা বজাই ৰখাত গুৰুত্ব আৰোপ কৰিছিল। উল্লেখ্য যে কেৱল ভূগোল বিভাগৰে নহয় মহাবিদ্যালয়খনৰ সকলো ছাত্ৰ-ছাত্ৰীৰ বাবেই এক আদৰ্শ তথা শ্ৰদ্ধা আৰু প্ৰিয় অধ্যাপক মণ্ডলৰ প্ৰচেষ্টাতে মহাবিদ্যালয়খনত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ গোটো গঢ় লৈ উঠিছিল। যোৱা বৰ্ষত আকস্মিকভাৱে বিয়োগ ঘটনা অধ্যাপক মণ্ডলৰ কৰ্মৰাজি আৰু স্মৃতি যুগমীয়া কৰি ৰখাৰ উদ্দেশ্যে পৰহি তেজপুৰৰ দৰং মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপক মণ্ডলৰ প্ৰথম মৃত্যুবাৰ্ষিকীৰ দিনটোত বিশিষ্ট শিক্ষাবিদজনক স্মৃতিচাৰণৰে তেওঁৰ কৰ্মৰাজিৰ স্মৰণ কৰিলে সহযোগী তথা ৰাজ্যখনৰ বহু সংখ্যক গুণগ্ৰাহী অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীয়ে। দৰং মহাবিদ্যালয়ৰ মণ্ডল সোঁৱৰণী সমিতিৰ উদ্যোগত আৰু দৰং মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ সহযোগত অধ্যাপক মণ্ডলৰ প্ৰথম মৃত্যু বাৰ্ষিকীৰ স্মৃতিচাৰণ সভাত এখন সোঁৱৰণী গ্ৰন্থ উন্মোচন কৰা হয়। এই সোঁৱৰণী আৰু গ্ৰন্থ উন্মোচনী সভাত সভাপতিত্ব কৰে দৰং মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি তথা মহাবিদ্যালয়খনৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক উপেন্দ্ৰনাথ শৰ্মাই। সভাত আদৰণী ভাষণ আগবঢ়ায় দৰং মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সোঁৱৰণী সমিতিৰ সভাপতি ড° জয়শংকৰ হাজৰিকাই। সভাত উদ্দেশ্য ব্যাখ্যা কৰে উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ অধ্যাপিকা তথা সোঁৱৰণী সমিতিৰ সম্পাদক ড° স্বপ্নালী গগৈয়ে। অনুষ্ঠানৰ স'তে সংগতি ৰাখি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী আৰু পুৰণিগুদামৰ ড° বিকেবি কলেজৰ প্ৰাক্তন অধ্যক্ষ ভূপেন শইকীয়াৰ সম্পাদনাত প্ৰকাশ কৰা সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰে কটন মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ প্ৰাক্তন অধ্যাপক ড° সুৰেণ তালুকদাৰে। সভাত প্ৰয়াত অধ্যাপক মণ্ডলৰ স্মৃতিচাৰণ কৰি তেওঁৰ ব্যক্তিত্ব, সান্নিধ্য, কৰ্মপটুতা আৰু গুণৰাজিৰ বিষয়ে আলোকপাত কৰা হয়। সভাত অংশগ্ৰহণ কৰি অধ্যাপক মণ্ডলৰ শিক্ষক জীৱনৰ বিভিন্ন দিশৰ বিষয়ে বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৱনী কুমাৰ ভাগৱতী, ড° অশোক কুমাৰ বৰা, কটন মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° সুৰেন তালুকদাৰ, ড° নাৰায়ণ ছেত্ৰী, ড° ভবেন চন্দ্ৰ কলিতা, ড° ৰঞ্জন শইকীয়া, তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পৰীক্ষা নিয়ন্ত্ৰক ড° ভুৱনেশ্বৰ চহৰীয়া, ড° অপূৰ্ব দাস, জেবি কলেজৰ ড° মৃণাল নাথ, অৰুণাচল ব'মডিলাৰ চৰকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° হৰেন্দ্ৰ নাথ বৰাই। তদুপৰি প্ৰয়াত অধ্যাপকজনৰ স্মৃতি সোঁৱৰণ কৰি বক্তৃতা প্ৰদান কৰে দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন সতীৰ্থ অধ্যাপক ড° প্ৰবীণ শৰ্মা, ড° সতীশ চন্দ্ৰ ভট্টাচাৰ্য, ড° ৰমেশ চন্দ্ৰ গোস্বামী, ড° জিতেন গোস্বামী, ড° ৰামচৰণ ডেকা আৰু পূৰ্ণেশ্বৰ নাথে। শিক্ষক ধ্ৰুৱভূষণ মহন্তই শিক্ষাগুৰু জনাৰ বিশাল ব্যক্তিত্ব আৰু জ্ঞান দানৰ পাৰদৰ্শিতাৰ বিষয়ে স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত প্ৰয়াত অধ্যাপকজনৰ পুত্ৰ বৰ্তমান দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ অধ্যাপক ডাক্তৰ দীপম পুষ্মম মণ্ডল আৰু জীয়ৰী ডাক্তৰ ভাৰতী পুষ্মম মণ্ডলেও পিতৃৰ জীৱনাদৰ্শ সুঁৱৰি স্মৃতি ৰোমন্থন কৰে। সভাত শলাগৰ শৰাই আগবঢ়ায় দৰং মহবিদ্যালয়ৰ ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক তথা সোঁৱৰণী গ্ৰন্থ সম্পাদনা সমিতিৰ সদস্য ড° হেমন্তজ্যোতি নাথে।

## 'গোল্ডেন বুক অৱ ৰেকৰ্ডছ'ৰ স্বীকৃতি নেঘেৰিটিঙৰ শিক্ষকলৈ

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণ গাঁও, ৪ নৱেম্বৰ ঃ** ভাৰতবৰ্ষৰ ১৩৩গৰাকী অৰ্জুন বঁটা বিজয়ীৰ জীৱনৰ আধাৰত উত্তৰ প্ৰদেশৰ কানপুৰৰ বাণীয়া প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা 'অৰ্জুন বিজেতা ঃ কাব্য ধাৰা' শীৰ্ষক কবিতা সংকলনখনে এইবাৰ গোল্ডেন বুক অৱ্ ৱৰ্ল্ড ৰেকৰ্ডছ'ৰ স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছে। অৰ্জুন বিজেতাসকলৰ জীৱনৰ আধাৰত প্ৰথম প্ৰকাশ পোৱা হিন্দী ভাষাৰ এই কাব্য সংকলনখনত ১৩৩জন অৰ্জুন বঁটা প্ৰাপকৰ ভিতৰৰে অসমৰ জয়ন্ত তালুকদাৰৰ বিষয়ে দেৰগাঁৱৰ নেঘেৰিটিং হাইস্কুলৰ হিন্দী বিষয়ৰ শিক্ষক জৈনেন্দ্ৰ চৌহানে লিখা কবিতাটো সন্নিৱিষ্ট হৈছে, যাৰ বাবে চৌহানক গোল্ডেন বুক অৱ্ ৰেকৰ্ডছ ফালৰ পৰা সন্মানিত কৰি বঁটা আগবঢ়াইছে। জৈনেন্দ্ৰ চৌহানৰ এনে কৃতিত্বৰ ববে নেঘেৰিটিং হাইস্কুলৰ শিক্ষক গোট আৰু ছাত্ৰ-ছাত্ৰীসকলে আজি বিদ্যালয়ত চৌহানক সম্বৰ্ধনা জনোৱাৰ লগতে বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী স্বপ্নালী খাউণ্ডে গোল্ডেন বুক অৱ্ ৰেকৰ্ডছ ফালৰ পৰা চৌহানলৈ প্ৰেৰণ কৰা বঁটা প্ৰদান কৰে।

## সৰুক্ষেত্ৰীত প্ৰথম শীতকালীন শস্য কৰ্তন সমীক্ষা আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ৪ নৱেম্বৰ ঃ** প্ৰধানমন্ত্ৰী শস্য বীমা যোজনাৰ অধীনৰ শীতকালীন শালিধানৰ শস্য কৰ্তন সমীক্ষাৰ কাম আৰম্ভ হৈছে। অৰ্থ আৰু পৰিসংখ্যা বিভাগৰ অধীনত আৰম্ভ হোৱা শীতকালীন শস্য কৰ্তন সমীক্ষাৰ কাম বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিত জিলাৰ ভিতৰতে প্ৰথম আৰম্ভ হৈছে। এইমৰ্মে আজি জিলাখনৰ সৰুক্ষেত্ৰী মৌজাৰ অমৃখোৱাৰ দেৱান ক্ষেত্ৰী পথাৰত শালিধানৰ শীতকালীন শস্য কৰ্তন সমীক্ষাৰ কাম সম্পন্ন কৰা হয়। প্ৰধানমন্ত্ৰী শস্য বীমা যোজনাৰ অধীনৰ শীতকালীন শস্য কৰ্তন সমীক্ষাৰ কাম যোৱা পহিলা নৱেম্বৰত সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত খৰিয়াত আৰম্ভণি কৰে অৰ্থ আৰু পৰিসংখ্যা বিভাগ, বৰপেটাৰ উপ-অধিকৰ্তা প্ৰফুল্ল চন্দ্ৰ নাথে। সিদিনা খৰিয়াৰ কৃষক মুছিৰাম সৰকাৰ আৰু জীৱন সৰকাৰৰ খেতিপথাৰত শীতকালীন শস্য কৰ্তন সমীক্ষা কৰা হৈছে। সমীক্ষাত অৰ্থ আৰু পৰিসংখ্যা বিভাগ, সঞ্চালকালয় কাৰ্যালয়ৰ পৰিসংখ্যা বিষয়া দিপুকণ ডেকা, বৰপেটা কাৰ্যালয়ৰ পৰিদৰ্শক কল্যাণী বৈশ্য, ক্ষেত্ৰ সহায়ক অৰ্চনা বৈশ্য, ফচল বীমা যোজনাৰ বিকাশ শৰ্মা, প্ৰাঞ্জল শৰ্মা, ৰাজীৱ শৰ্মা, জীৱন মণ্ডল উপস্থিত থাকে। আনহাতে, ইয়াৰ অংশ হিচাপে আজি আমৃখোৱাৰ দেৱান ক্ষেত্ৰী পথাৰত জিলাখনৰ দ্বিতীয় শস্যকালীন সমীক্ষাৰ কাম সম্পন্ন কৰা হয়। আজিৰ দেৱান ক্ষেত্ৰী পথাৰত হৰিহৰ বৰ্মন, বীৰেন বৰ্মনৰ খেতিপথাৰত উক্ত সমীক্ষাত অৰ্থ আৰু পৰিসংখ্যা বিভাগ, বৰপেটাৰ উপ-অধিকৰ্তা প্ৰফুল্ল চন্দ্ৰ নাথ, অৰ্থ আৰু পৰিসংখ্যা বিভাগ, সঞ্চালকালয় কাৰ্যালয়ৰ পৰিসংখ্যা বিষয়া দিপুকণ ডেকা, বৰপেটা কাৰ্যালয়ৰ পৰিদৰ্শক কল্যাণী বৈশ্য, ক্ষেত্ৰ সহায়ক অৰ্চনা বৈশ্য, ফচল বীমা যোজনাৰ জিলা প্ৰবন্ধক মোজাম্মিল হুছেইন, বিকাশ শৰ্মা, প্ৰাঞ্জল শৰ্মা, ৰাজীৱ শৰ্মাই অংশগ্ৰহণ কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰী শস্য বীমা যোজনাৰ অধীনৰ শীতকালীন শস্য কৰ্তন সমীক্ষাৰ কাম সম্পন্ন কৰাত কৃষকসকলে বিভাগীয় বিষয়া-কৰ্মচাৰীৰ লগতে বীমা কৰ্মীসকলৰ কৰ্মত সন্তুষ্টি প্ৰকাশ কৰিছে।

## কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত বিনামূলীয়া ইউনিফৰ্ম বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৪ নৱেম্বৰ ঃ** মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠান কমলাবাৰী উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত চৰকাৰে যোগান ধৰা নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰীসকলৰ মাজত যোৱা তিনি নৱেম্বৰত বিনামূলীয়া ইউনিফৰ্ম বিতৰণ কৰা হয়। এই উদ্দেশ্যে আয়োজিত সভাত সভাপতিত্ব কৰি মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিদ্যালয় উন্নয়ন সমতিৰ সভাপতি নৰেণ ঠাকুৰীয়াই শিক্ষানুষ্ঠানখনৰ অতীতৰ গৌৰৱ অক্ষুন্ন ৰাখিবলৈ আহ্বান জনায়। সভাত অৱসৰপ্ৰাপ্ত শিক্ষক তথা মাজুলী জিলা সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞাই ছাত্ৰীসকলক অধ্যয়নৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনোৱাৰ লগতে সাহিত্য, সংস্কৃতি আৰু ক্ৰীড়াৰ ক্ষেত্ৰত পূৰ্বৰ সুনাম অটুট ৰখাৰ আহ্বান জনায়। বৰ্তমান শিক্ষা বিভাগে বিদ্যালয় একত্ৰীকৰণৰ ক্ষেত্ৰত মাজুলীৰ প্ৰথমখন নাৰীৰ উচ্চ শিক্ষানুষ্ঠানখনৰ ঐতিহ্যত আঘাতহনাৰ দৰে সিদ্ধান্ত নল'বলৈ দাবী জনায়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক যোগেন শইকীয়াই আঁত ধৰা সভাতেই কলা উৎসৱৰ বাবে বিদ্যালয়ৰ পৰা দুগৰাকী ছাত্ৰীক নিৰ্বাচন কৰা হয়। অনুষ্ঠানত শিক্ষক জীৱন শইকীয়া, অতুল হাজৰিকা, গীতাঞ্জলি বৰা, উত্তম শইকীয়া আৰু পম্পী হাজৰিকাই সহযোগিতা আগবঢ়ায়।

## হালাকুৰাত বোৱাৰী নিৰ্যাতনৰ অভিযোগ ঃ স্বামী-শাহু-শহুৰৰ বিৰুদ্ধে গোচৰ

**অগ্ৰদূত বাৰ্তা**

**আগমনী, ৪ নৱেম্বৰ ঃ** ধুবুৰী জিলাৰ আগমনী ৰাজহ চক্ৰৰ হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত দীঘলটাৰী গাঁৱতো বোৱাৰী নিৰ্যাতনৰ এক ঘটনা পোহৰলৈ আহিছে। ঘটনাটো সংঘটিত হয় যোৱা ৩০ অক্টোবৰৰ সন্ধিয়া। সিদিনা পিংকী খাতুন নামৰ বোৱাৰীগৰাকীক পিতৃগৃহৰ পৰা ৫০ হেজাৰ টকা বিচাৰি স্বামী আশ্ৰাফুল ইছলাম আৰু তেওঁৰ পিতৃ-মাতৃয়ে শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলোৱাৰ অভিযোগ তুলি হালাকুৰা আৰক্ষী তালাচী চকীত এখন এজাহাৰ দাখিল কৰে। প্ৰাপ্ত তথ্য মতে, হালাকুৰা আৰক্ষী তালাচী চকীৰ অন্তৰ্গত দীঘলটাৰী গাঁৱৰ আনোৱাৰ হুছেইন নামৰ লোকজনৰ কন্যা পিংকীৰ কেইবছৰমান পূৰ্বে একেখন গাঁৱৰে ছৈয়দ আলীৰ পুত্ৰ আশ্ৰাফুল ইছলামৰ লগত বিয়া হয়। বৰ্তমান দুয়োৰে তিনি বছৰীয়া এটি কন্যা সন্তানো আছে। কিন্তু অভিযোগ মতে, বিয়াৰ পাছৰে পৰা স্বামী আশ্ৰাফুল আৰু তেওঁৰ পিতৃ-মাতৃয়ে পিংকীক পিতৃগৃহৰ পৰা টকা বিচাৰি শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলাই আহিছে। শেহতীয়াকৈ ঘটনাৰ দিনা স্বামী আৰু স্বামীৰ পিতৃ-মাতৃয়ে ঘৰৰ কামৰ বাবে পিংকীক পিতৃগৃহৰ পৰা ৫০ হেজাৰ টকা আনিবলৈ কয়। পিংকীয়ে অস্বীকাৰ কৰাত স্বামী আৰু স্বামীৰ পিতৃ-মাতৃয়ে লাঠি, লোৰ ৰড আদিৰে মাৰধৰ কৰে। ওচৰতে থকা পিংকীৰ পিতৃয়ে খবৰ পাই আগবাঢ়ি অহাত তেওঁকো মাৰধৰ কৰাৰ অভিযোগ উঠিছে। স্বামী আৰু স্বামীৰ পিতৃ-মাতৃৰ আক্ৰমণত আঘাতপ্ৰাপ্ত হৈ পিতৃ-কন্যাই হালাকুৰা আৰক্ষী তালাচী চকীলৈ গৈ আৰক্ষীক সম্পূৰ্ণ ঘটনা বিৱৰি কোৱাৰ লগতে ঘটনা সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে।

## মৰাণৰ খোৱাং ঘাটত অগ্নিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৪ নৱেম্বৰ ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং আৰক্ষী থানাৰ অন্তৰ্গত খোৱাংঘাটত আজি পুৱতি নিশা দুখন ব্যৱসায়ী প্ৰতিষ্ঠানত অগ্নিকাণ্ড সংঘটিত হয়। অগ্নিকাণ্ডত ব্যৱসায়িক প্ৰতিষ্ঠাতে পুৱতি নিশা ২.৩০ বজাত অগ্নিকাণ্ড সূত্ৰপাত হোৱাত মৰাণ অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিয়াত অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নুমুৱালৈ চেষ্টা কৰে যদিও দুয়োখন ব্যৱসায়ী প্ৰতিষ্ঠানত থকা সকলো সামগ্ৰী জুইত জাহ যায়। অগ্নিকাণ্ডৰ ফলত দুয়োখন ব্যৱসায়ী প্ৰতিষ্ঠানত ২০ লক্ষাধিক টকাৰ সামগ্ৰী জুইত জাহ যায়।



*নগাঁৱৰ ননৈত ৰাইজে শ্ৰম দানেৰে কৰিলে দলং মেৰামতি।*

## নগাঁও নিৰ্বাচনী জিলাৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ

■ ৩০ নৱেম্বৰৰ ভিতৰত শুধৰণি, নাম অন্তৰ্ভুক্তি বা কৰ্তনৰ বাবে দাখিল কৰিব পাৰিব দাবী-ওজৰ-আপত্তি

**বিশেষ সংবাদদাতা**

**নগাঁও, ৪ নৱেম্বৰ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নগাঁও জিলাৰ নিৰ্বাচনী বিষয়াৰ অধীনত থকা সাতটা বিধানসভা সমষ্টি ক্ৰমে ৰহা (অঃ জাঃ), সমষ্টি, ধিং বিধানসভা সমষ্টি, বটদ্ৰৱা সমষ্টি, ৰূপহীহাট সমষ্টি, নগাঁও সমষ্টি, বঢ়মপুৰ সমষ্টি আৰু চামগুৰি সমষ্টিৰ খচৰা ভোটাৰ তালিকা পৰহি প্ৰকাশ কৰি ভোটাৰ তালিকাৰ সংশোধনীৰ কাম আৰম্ভ কৰা হৈছে। এই উপলক্ষে যোৱা এক নৱেম্বৰত নগাঁও উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক সজাগতা সভাত উপস্থিত স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলসমূহৰ সভাপতি-সম্পাদক, নিৰ্বাচক পঞ্জীয়ন বিষয়া তথা বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আদিৰ লগত আলোচনা কৰি জিলা উন্নয়ন আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা নিৰ্বাচনী বিষয়াই কয় যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে উপযুক্ত লোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত তথা মৃত/স্থানান্তৰিত আদি ব্যক্তিৰ নাম কৰ্তন আৰু ভোটাৰ তালিকাত থকা ভুলসমূহৰ শুধৰণি প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে। ২০২২ৰ এক জানুৱাৰীত যিসকল ভাৰতীয় নাগৰিকৰ বয়স ১৮ বছৰ সম্পূৰ্ণ কৰিব অথবা যিসকলৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হোৱা নাই প্ৰ-পত্ৰ নম্বৰ-ছয় যোগে আবেদন কৰিব পাৰিব। মৃত ব্যক্তি, স্থানান্তৰিত অথবা দুবাৰকৈ নাম অন্তৰ্ভুক্ত হৈ থকা ভোটাৰে প্ৰ-পত্ৰ নম্বৰ-সাত পূৰণ কৰি নাম কৰ্তন কৰিব পাৰিব। নাম অথবা অন্যান্য তথ্য শুধৰণিৰ বাবে প্ৰ-পত্ৰ নম্বৰ-আঠ যোগে শুধৰণি কৰিব পাৰিব। একেটা সমষ্টিৰ ভিতৰত কোনোবাই ভোট কেন্দ্ৰ সাল-সলনি কৰিব বিচাৰিলে প্ৰ-পত্ৰ নম্বৰ (ক)ৰ জৰিয়তে সাল-সলনি কৰিব পাৰিব। উক্ত প্ৰ-পত্ৰসমূহ বিনামূল্যে বিএলঅ'ৰ ওচৰত পাব। কালিৰ পৰা আৰম্ভ কৰা এই সংশোধনী প্ৰক্ৰিয়াৰ বাবে ওপৰোক্ত ফৰ্মসমূহ ভোটাৰসকলে ৩০/১১/২০২১ৰ ভিতৰত দাখিল কৰিব লাগিব বুলি উল্লেখ কৰে। আগন্তুক ২০২২ৰ পাঁচ জানুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ভোটাৰসকলে সংশোধনী প্ৰক্ৰিয়াৰ সন্দৰ্ভত অধিক তথ্য জানিবৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়, চক্ৰ বিষয়াৰ কাৰ্যালয় অথবা ভোট কেন্দ্ৰত নিয়োজিত হৈ থকা ভোট গ্ৰহণ কেন্দ্ৰৰ বুথ পৰ্যায়ৰ বিষয়াৰ স'তে যোগাযোগ কৰিব পাৰিব। ইয়াৰ উপৰি অন্তৰ্ভুক্তিৰ দাবী বা আপত্তিৰ বাবে অনলাইন www.nvsp.in/Voter Helpline App ৰ যোগেদি আবেদন কৰিব পাৰিব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া অংকিতা গগৈয়ে এক বিবৃতিযোগে জনাইছে।



# প্ৰব্ৰজিত শ্ৰমিকক শুকান ৰেছন যোগানৰ সিদ্ধান্ত ল'লে কেবিনেটে

*এক পৃষ্ঠাৰ পৰা* ধন আগবঢ়োৱা হ'ব। প্ৰথম পৰ্যায়ত নখন জিলাত এই কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ২৮, ২৯ আৰু ৩০ নৱেম্বৰত চেক প্ৰদান কৰিবলগীয়া জিলাকেইখন হ'ল শিৱসাগৰ, গোলাঘাট, শোণিতপুৰ, মাজুলী, পশ্চিম কাৰ্বি আংলং, ডিমা হাছাও, দক্ষিণ শালমাৰা, চৰাইদেউ আৰু যোৰহাট। বৈঠকত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি, যিসকল মহিলাই ঋণ লৈয়ো বেংকৰ লগত লেনদেন বন্ধ কৰিছে তেওঁলোকে শীঘ্ৰে মুকলি কৰিবলগীয়া এটা বিশেষ পৰ্টেলত প্ৰথমে আবেদন কৰিব লাগিব। উল্লেখ্য যে অসমত ১১ লাখ ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা মহিলা আছে বুলি বৈঠকত উল্লেখ কৰা হয়।

ক্ষুদ্ৰ বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ ৰেহাইৰ উপৰি ভূমিৰ নামজাৰি, পুৰোহিত আৰু নামঘৰীয়াক বিত্তীয় সাহায্য, প্ৰব্ৰজনকাৰী শ্ৰমিকক শুকান খাদ্য যোগান, ক'ভিডৰ এশ শতাংশ প্ৰতিষেধক প্ৰদান নিশ্চিত কৰা আদি বিষয়তো আজিৰ বৈঠকত সিদ্ধান্ত গৃহীত হয়। মাটিৰ পট্টা সন্দৰ্ভত গৃহীত সিদ্ধান্ত অনুসৰি অসম চৰকাৰে ভূমিহীনক যি ভূমিপট্টা প্ৰদান কৰি আহিছে, সেই ভূমি নামজাৰি কৰিবলৈ পূৰ্বৰ দৰে কমেও ১০ বছৰলৈ এতিয়াৰে পৰা অপেক্ষা কৰিব নালাগে। তিনি বছৰৰ ভিতৰতে সেই কাম সম্পূৰ্ণ কৰিব পাৰিব। উল্লেখ্য যে বিগত চৰকাৰৰ দিনত দুই লাখ ভূমিহীন লোকক মাটিৰ পট্টা প্ৰদান কৰা হৈছিল। ভূমি সন্দৰ্ভত লোৱা আন এক সিদ্ধান্ত অনুসৰি, সংৰক্ষিত খণ্ড আৰু আবেষ্টনীৰ ভূমি বিক্ৰী কৰিবলৈ অনুমোদন বিচাৰি দিছপুৰলৈ ফাইল প্ৰেৰণ কৰিব লাগিছিল; কিন্তু এতিয়াৰে পৰা উপায়ুক্ত পৰ্যায়তে সেই কাম কৰিব পাৰিব। অৱশ্যে উপায়ুক্তই মাটি ক্ৰয় কৰিব লগীয়া লোকজন জনজাতি তথা সংৰক্ষিত শ্ৰেণীৰ হয় নে নহয়, সেয়া নিশ্চিত কৰিব লাগিব। এই সিদ্ধান্তৰ জৰিয়তে সংৰক্ষিত খণ্ড আৰু আবেষ্টনীৰ ভূমি ক্ৰয়-বিক্ৰয়ৰ প্ৰক্ৰিয়া ত্বৰান্বিত হ'ব বুলি বৈঠকে আশা প্ৰকাশ কৰে। ইপিনে, ক'ভিড প্ৰতিষেধকৰ সন্দৰ্ভত ভোটাৰ তালিকাত নাম থকা ১৮ বছৰৰ ওপৰৰ সকলোৰে প্ৰতিষেধক লোৱাটো নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীৰ পৰা আৰম্ভ কৰি মন্ত্ৰী-বিধায়কসকলেও ক্ষেত্ৰ পৰ্যায়ত কাম কৰাৰ সিদ্ধান্ত লোৱা হয়। এই সন্দৰ্ভত কোৱা হৈছে যে প্ৰতিটো ভোটকেন্দ্ৰৰ ভিত্তিত প্ৰতিষেধক প্ৰদান অভিযান ৰাজ্যত আৰম্ভ হ'ব। ভোটকেন্দ্ৰ এটাৰ ভোটাৰ তালিকা হাতত লৈ স্বাস্থ্য বিভাগৰ দলে প্ৰতিটো ভোটাৰ পৰিয়ালৰ ঘৰে ঘৰে যাব। যিবোৰ পৰিয়ালত প্ৰতিষেধক গ্ৰহণ কৰা নাই, তেওঁলোকক থিতাতে প্ৰতিষেধক প্ৰদান কৰা হ'ব। প্ৰতিটো ভোটকেন্দ্ৰৰ অধীনৰ অঞ্চলত এই অভিযানত সংগ দিব মন্ত্ৰী, বিধায়ক, চৰকাৰী বিষয়া আদিয়ে। মুখ্যমন্ত্ৰীয়ে নিজেও এটা ভোটকেন্দ্ৰত এই অভিযানত ভাগ ল'ব।

আজি কেবিনেট বৈঠকত পুৰোহিত আৰু নামঘৰীয়াসকলক ১৫ হেজাৰ টকাকৈ এককালীন সাহায্য প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তাৰ বাবে পুৰোহিত আৰু নামঘৰীয়াসকলে এটা বিশেষ প'ৰ্টেলত বিতং তথ্য-পাতিসহ নাম পঞ্জীয়ন কৰিব লাগিব। উল্লেখ্য যে এই সাহায্য লাভ কৰিবলৈ হ'লে এজন পুৰোহিত আৰু নামঘৰীয়াই ন্যূনতম চাৰি বছৰ দায়িত্ব পালন কৰিব লাগিব। তদুপৰি তেওঁৰ বাৰ্ষিক আয় তিনি লাখ টকাৰ অধিক হ'ব নালাগিব। তেওঁলোকৰ আয়ৰ প্ৰমাণপত্ৰ নিজেই দাখিল কৰিব পাৰিব। এই বৈঠকত অসম প্ৰব্ৰজিত শ্ৰমিক খাদ্য সুৰক্ষা আঁচনি এখনতো অনুমোদন দিয়া হয়। এই আঁচনিখনৰ অধীনত ক'ভিডৰ ফলত হোৱা ক্ষতিগ্ৰস্ত প্ৰব্ৰজিত শ্ৰমিকসকলক শুকান খাদ্য যোগান ধৰা হ'ব। জিলা প্ৰশাসন এই খাদ্য বিতৰণৰ দায়িত্বত থাকিব। তেনে শ্ৰমিকৰ তথ্য ই-শ্ৰম নামৰ এটা প'ৰ্টেল আৰু অন্যান্য ক্ষেত্ৰত উপলব্ধ হ'ব। তদুপৰি চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চিকিৎসা পাঠ্যক্ৰমত আসন সংৰক্ষণৰ এক সিদ্ধান্তও কেবিনেটে গ্ৰহণ কৰে। সেই অনুসৰি এমবিবিএছ পাঠ্যক্ৰমত ২৪খন আসন আৰু বিডিএছ পাঠ্যক্ৰমত তিনিখন আসন জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এতিয়াৰে পৰা সংৰক্ষিত হ'ব। এমবিবিএছৰ আসনকেইখনৰ ভিতৰত ১৮খন ব্ৰহ্মপুত্ৰ উপত্যকাৰ আৰু ছখন বৰাক উপত্যকাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে সংৰক্ষিত কৰা হ'ব। তেনেদৰে দন্ত চিকিৎসকৰ ক্ষেত্ৰত দুখন আসন ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে আৰু এখন বৰাক উপত্যকাৰ বাবে সংৰক্ষিত হ'ব বুলি কেবিনেটে সিদ্ধান্ত লয়।

# যুদ্ধাস্ত্ৰ ৰপ্তানিৰে শক্তিশালী হ'ব অৰ্থনীতি

*এক পৃষ্ঠাৰ পৰা* ১৯৪৮ত নৌচেৰাৰ পাক বাহিনীৰ স'তে যুঁজত ছহিদ হোৱা ব্ৰিগেডিয়াৰ মহম্মদ উছমানসহ আন ভাৰতীয় সেনা জোৱানৰ স্মাৰকত প্ৰধানমন্ত্ৰীয়ে শ্ৰদ্ধা নিবেদন কৰে।

এই উদ্‌যাপনতে প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষ প্ৰতিৰক্ষাত সমৃদ্ধ হৈছে। আগন্তুক সময়ত লক্ষ্মীও আহিব। দীপাৱলীৰ দিনা এইদৰে কয় প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁ কয় যে প্ৰতিৰক্ষা খণ্ডত ভাৰত বহুত আগুৱাই গৈছে। পূৰ্বতে এটা অস্ত্ৰৰ সৰু যন্ত্ৰাংশ সলনি কৰিবৰ বাবেও বিদেশৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিছিল। ভাৰতে এতিয়া নিজে অস্ত্ৰ প্ৰস্তুত কৰিছে। আগন্তুক সময়ত এই অস্ত্ৰ বিদেশলৈ ৰপ্তানি হ'ব।' মোদীয়ে কয় যে অস্ত্ৰ ৰপ্তানি কৰিলে ভাৰতৰ অৰ্থনীতি আৰু অধিক সমৃদ্ধ হ'ব। আগন্তুক দিনত ভাৰতে অতি শীঘ্ৰ অস্ত্ৰ ৰপ্তানিকাৰী দেশৰূপে বিশ্বতে প্ৰতিষ্ঠা লাভ কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে।

এই মুহূৰ্তত বিশ্বৰ পাঁচ অস্ত্ৰ ক্ৰয় কৰা দেশৰ তালিকাত দ্বিতীয় স্থানত আছে ভাৰত, প্ৰধান স্থানত আছে ছৌদি আৰৱ। আনহাতে, ৰপ্তানিৰ ক্ষেত্ৰৰ প্ৰথম পাঁচখন দেশ হৈছে ক্ৰমে আমেৰিকা, ৰাছিয়া, ফ্ৰান্স, জাৰ্মানী আৰু চীন। তেওঁ কয় যে বিগত এবছৰত দেশৰ অস্ত্ৰৰ হিচাপ-নিকাচত নিৰ্ধাৰিত পুঁজিৰ ৬৫ শতাংশ ব্যয় হৈছে দেশীয়ভাৱে নিৰ্মিত অস্ত্ৰ ক্ৰয়ত। ফলত দেশৰ অৰ্থনীতি লাভৱান হোৱাৰ লগতে বা আত্মনিৰ্ভৰ ভাৰতৰ ধাৰণা অধিক মজবুত হৈছে।

প্ৰধানমন্ত্ৰীয়ে সদৰী কৰে যে ভাৰতে এতিয়া তেজছ বিমান, অৰ্জুন টেংকৰ দৰে যুদ্ধাস্ত্ৰ প্ৰস্তুত কৰিছে। অলপতে হৈ যোৱা দুৰ্গা পূজাৰ বতৰত বিজয়া দশমীৰ দিনাখন সাতটা চৰকাৰী সংস্থাক অস্ত্ৰ নিৰ্মাণৰ বিশেষ দায়িত্ব অৰ্পণ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশৰ বহু বেচৰকাৰী সংস্থায়ো প্ৰতিৰক্ষা সামগ্ৰী প্ৰস্তুত কৰিবলৈ আগ্ৰহী হৈছে।

২০১৪ত প্ৰধানমন্ত্ৰীৰ আসন গ্ৰহণৰ পাছতে প্ৰতি দেৱালীতে সেনা বা অৰ্ধসামৰিক বাহিনীৰ স'তে ইয়াক উদ্‌যাপন কৰি আহিছে মোদীয়ে। সেনা-কৰ্মীসকলৰ মনোবল বৃদ্ধি কৰিবলৈ ২০১৪ত চিয়াচেনলৈ গৈছিল তেওঁ। ইয়াৰ পাছতে ভাৰত-পাকিস্তান যুদ্ধৰ ৫০ বছৰীয়া স্মৰণত তেওঁ পঞ্জাৰ সীমান্তলৈ গৈছিল। পৰৱৰ্তী পৰ্যায়ত হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ আদিত তেওঁ দেৱালী উদ্‌যাপন কৰি আহিছে। বিগত লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে চীন সীমান্তৰ সুৰক্ষাৰ দায়িত্বত থকা সেনা আৰু ভাৰত তিব্বতীয় সীমান্ত আৰক্ষী (আইটিবিপি)ৰ জোৱানৰ ওচৰলৈ গৈছিল। নিৰ্বাচনৰ পাছত ২০১৯ত তেওঁ বৌজৰিলৈ গৈছিল। আনহাতে, যোৱা বছৰ ৰাজস্থান সীমান্তত কৰ্তব্যত নিয়োজিত সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ) আৰু সেনা জোৱানৰ স'তে দীপাৱলী উৎসৱত যোগ দিছিল প্ৰধানমন্ত্ৰীয়ে।

# ভূমিস্খলনৰ বাবে বিপদ ঘটিছে জীয়াভৰলীৰ

*এক পৃষ্ঠাৰ পৰা* অহাৰ পৰিণতিত কামেং তথা অসমত জীয়াভৰলী নামপোৱা নৈখনৰ পানীৰ স্বচ্ছতা বিলুপ্ত হয়। তদুপৰি বোকা আৰু শিলৰ বাবেই পানীত অক্সিজেনৰ মাত্ৰা অতিশয় হ্ৰাস পোৱাত ইয়াৰ পানী মাছকে ধৰি অন্যান্য জলচৰ জীৱৰ বাবে বিপজ্জনক হৈ পৰে।

উল্লেখ্য যে এই ভূমিস্খলনৰ কাৰণ ভাৰত-চীন আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ হিমবাহত হোৱা ৩.৪ প্ৰাবল্যৰ ভূমিকম্প বুলিও কোৱা হৈছে। যোৱা ১৩ অক্টোবৰত হোৱা এই ভূমিকম্পৰ ফলত হিমবাহ লৰচৰ হয় আৰু ইয়াৰ পৰিণতিত বহু পৰিমাণৰ বোকা আৰু শিল খহি পৰে কামেং নৈত। ইয়াৰ পাছতে খৰস্ৰোতা নৈখনত অকস্মাৎ পৰিমাণৰ মাছ মৃত বা অৰ্ধমৃত অৱস্থাত উপঙি উঠাৰ লগতে বহু গছ তথা মাছ নৈখনৰ নামনি অংশলৈ বৈ আহে। যোৱা ২৯ অক্টোবৰত অৰুণাচল প্ৰদেশৰ চেপাত এই ভয়াবহ দৃশ্য সৰ্বসাধাৰণৰ লগতে পূব কামেং জিলা প্ৰশাসনৰ দৃষ্টিগোচৰ হোৱাৰ পাছতহে বিষয়টোক লৈ সংশ্লিষ্ট কৰ্তৃপক্ষ সমূহ তৎপৰ হৈ উঠে। অৱশ্যে এই সময়ছোৱাত প্ৰতিকূল বতৰৰ বাবে উপগ্ৰহীয় তথ্য সঠিকভাৱে আহৰণ কৰাত সমস্যাৰ উদ্ভৱ হয়। তেতিয়াই কেন্দ্ৰীয় চৰকাৰৰ আইন মন্ত্ৰী কিৰণ ৰিজিজুৱে কেন্দ্ৰীয় জলশক্তি মন্ত্ৰণালয় আৰু কেন্দ্ৰীয় জল আয়োগৰ যোগাযোগ কৰি গম্ভীৰ বিষয়টো সন্দৰ্ভত অৰুণাচল প্ৰদেশৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ স'তে সমন্বয় ৰক্ষা কৰি চলাৰ নিৰ্দেশ দিয়ে। সম্প্ৰতি এই বিষয়টোত কেন্দ্ৰীয় চৰকাৰৰ এই দুই কৰ্তৃপক্ষই অহৰহ দৃষ্টি ৰখাৰ বিষয়ে সদৰী কৰি সূত্ৰটোৱে লগতে কয় যে বৰ্তমানেও কামেংৰ পানী একেবেৰেই ঘোলা হৈ আছে। উল্লেখ্য যে পাহাৰীয়া ৰাজ্যখনৰ বহুসংখ্যক লোকে এই ঘটনা চীনত কোনো বৃহৎ নিৰ্মাণ কাৰ্যৰ ফল বুলি আশংকা প্ৰকাশ কৰাৰ বিপৰীতে চৰকাৰীভাৱে ভূমিকম্পৰ বাবেহে এই ঘটনা সংঘটিত হোৱা বুলি প্ৰকাশ কৰিছে। অৱশ্যে এই কথা বহুসংখ্যক লোকে মানি ল'ব পৰা নাই। ২৬৪ কিলোমিটাৰ দৈৰ্ঘ বৈ অহা নৈখনৰ পানীত বোকা আৰু শিল পৰাৰ বাবে ঘোলা হৈ পৰিবলৈ এপচেক সময় লাগে নেকি বুলিও প্ৰশ্ন উঠিছে। মন কৰিবলগীয়া যে চেপাত ২৯ অক্টোবৰত কামেংৰ পানী ক'লা আৰু বিষাক্ত হৈ পৰাৰ পাছত শোণিতপুৰৰ এদিন পাছৰে পৰাই জীয়াভৰলীৰ অৱস্থা অনুৰূপ হৈ পৰে। ইপিনে, ঘটনা সন্দৰ্ভত শোণিতপুৰত জলসম্পদ বিভাগৰ এক সূত্ৰই কয় যে ২০১৮ত ব্ৰহ্মপুত্ৰ আৰু ভোগদৈ নৈৰ পানীও এনেদৰে বিষাক্ত হৈ পৰিছিল। পাছত তেজপুৰৰ প্ৰতিৰক্ষা গৱেষণাগাৰত ব্ৰহ্মপুত্ৰৰ পানীৰ এক পৰীক্ষা কৰাত উক্ত পানীত নেফেলোমেট্ৰিক টাৰ্বিডিটি ইউনিট (এনটিইউ)ৰ মাত্ৰা ৭৫০ পোৱা গৈছিল, যিটো প্ৰাণীৰ বাবে অতি বিপজ্জনক। ব্ৰহ্মপুত্ৰত এই মাত্ৰা ৫০ হোৱাটো স্বাভাৱিক যদিও সেই সময়ত এইদৰে এনটিইউৰ মাত্ৰা বৃদ্ধি পোৱাৰ আঁৰতো ভূমিকম্প আছিল বুলি প্ৰকাশ কৰি সূত্ৰটোৱে আৰু কয় যে তেতিয়া ব্ৰহ্মপুত্ৰৰ উৎপত্তি স্থলতে বোকা আৰু শিলে পানীক ভেটা দি ৰাখিছিল আৰু পাছত সেয়া খহাই আনিছিল পানীৰ সোঁতে। অৱশ্যে পৰিষ্কাৰ পানীৰ নৈ জীয়াভৰলীত স্বাভাৱিক অৱস্থাত এনটিইউৰ পৰিমাণ পাঁচতকৈ কম আৰু সেয়ে এই পানী জীৱৰ বাবে কোনোপধ্যেই বিপজ্জনক নহয় যদিও বৰ্তমানে হঠাৎ ৰোগীয়া হৈ পৰা জীয়াভৰলীৰ পানী আজিও শোণিতপুৰত পৰিষ্কাৰ হোৱা নাই। ইপিনে, নৈখনৰ নিজৰ প্ৰকৃত বিচৰণ ক্ষেত্ৰৰ শিলঘৰীয়া মাছ এইবাৰ তেজপুৰৰ ভোমোৰাগুৰিত বহু অধিক পৰিমাণত মাছমৰীয়াই পোৱাৰ অন্তৰালত কামেং তথা জীয়াভৰলীৰ বোকাময় ৰোগীয়া অৱস্থা বুলিয়েই স্থানীয় লোকে মত প্ৰকাশ কৰিছে।

# মন্ত্ৰীয়ে টকা নাখাও বুলি ক'লেই যেনিবা

*এক পৃষ্ঠাৰ পৰা* বাহিৰত এজাহাৰ লিখা মানুহ থাকে। নিয়ম মতে এজাহাৰ লিখিব লাগে উপ-পৰিদৰ্শক আৰু অন্যান্য নিৰ্দিষ্ট বিষয়াই। তাৰপাছত কিয় থানাৰ বাহিৰত এজাহাৰ লিখা এজন বিশেষ মানুহ থাকে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰশ্ন কৰে। এই ভাষণৰ মাজতে মুখ্যমন্ত্ৰীয়ে থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াসকলক এজাহাৰ লিখা লোকজনক গ্ৰেপ্তাৰ কৰিবলৈ নিৰ্দেশ দিয়ে। ১০ দিনৰ ভিতৰত এই কাম কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয়, 'মুঠতে আমি ছিষ্টেমটোৰ পৰা দালালক নোহোৱা কৰিম। আমি বহু সময়ত ভাবি থাকো যে ওপৰত দুৰ্নীতি নোহোৱা হৈছে যেতিয়া তলতো নাই; কিন্তু সেয়া সত্য জানো? যেতিয়া গাঁৱৰ মানুহে অভিযোগ কৰে যে তেওঁলোকক সুলভ মূল্যৰ দোকানৰ ব্যৱসায়ীয়ে প্ৰাপ্যতকৈ কম চাউল দিছে, সেয়া জানো দুৰ্নীতি নহয়? টকা নাখাও বুলি মন্ত্ৰী-বিধায়কে ক'লেই যেনিবা, সেয়া জানো বন্ধ হৈছে? এই যে পাঁচটা নিৰ্বাচনত ৰাইজে আমাক জাপে জাপে আশীৰ্বাদৰ ৰূপত ভোট দিছে, ৰাইজৰ প্ৰতি আমাৰো সম্পূৰ্ণ দায়িত্ব আছে। ৰাইজৰ সেই আশীৰ্বাদ আৰু মূল্য ঘূৰাই দিয়াত এই পাঁচটা বছৰ 'টাৰ্ণিং' বৰ্ষ হ'ব পাৰে। তাৰ বাবেই আমি গোটেই বজাৰখন বন্ধ কৰিব লাগিব। বজাৰখন বন্ধ হ'বই লাগিব। পাঁচটা নিৰ্বাচনী ফলাফলে আমাক বুজাই দিছে যে ভাল কামৰ লগত মানুহ আছে। আমি মানুহক লগত লৈ আগবাঢ়িব লাগিব।'

মুখ্যমন্ত্ৰীয়ে আজি চৰকাৰৰ কে'বাটাও নতুন পদক্ষেপৰ ঘোষণাও কৰে। তেওঁ কয় যে গুৱাহাটীবাসীক অহা মাহত ব্যৱসায়ৰ অনুজ্ঞাপত্ৰ সংগ্ৰহৰ নতুন ব্যৱস্থা চৰকাৰে উপহাৰ দিব। এই ব্যৱস্থা অনুসৰি এতিয়াৰে পৰা কোনো ব্যৱসায়ী অথবা ব্যৱসায় কৰিবলৈ আগবাঢ়ি অহা লোকে অনুজ্ঞাপত্ৰ সংগ্ৰহ প্ৰক্ৰিয়াৰ মাজত ৩০-৩৫ হেজাৰ টকা বিশেষ বিশেষ স্থানত খৰচ কৰাৰ প্ৰয়োজনীয়তা নাথাকিব। কেৱল প্ৰয়োজনীয় তথ্য-পাতিখিনি কম্পিউটাৰত সন্নিবিষ্ট কৰি প্ৰয়োজনীয় মাচুল আদায় দিলেই অনুজ্ঞাপত্ৰ লাভ কৰিব। আনহাতে, আগন্তুক বৰ্ষৰ ১০ মে'ত বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ কাৰ্যভাৰ গ্ৰহণৰ এবছৰ পূৰ্ণ হ'ব। সেই দিনটোৰ পূৰ্বে জনতা ভৱনত জমা হোৱা সকলো ফাইলৰ কাম সম্পূৰ্ণ কৰা হ'ব বুলিও আজি ঘোষণা কৰে মুখ্যমন্ত্ৰী শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয়, 'জনতা ভৱনত দুহেজাৰৰ ওপৰত কৰ্মচাৰী আছে। তেওঁলোকৰ বেছিভাগৰে টেবুলৰ সন্মুখত ফাইলে দ'ম বান্ধি আছে। দিনৰ পাছত দিন ফাইলবোৰ বিভিন্ন কাৰণত ৰৈ থাকে। অথচ সেই ফাইলবোৰত কাৰোবাৰ হতাশা, কাৰোবাৰ হুমুনিয়াহ জড়িত হৈ আছে। আমি লক্ষ্য বান্ধি লৈছো যে অহা ১০ মে'লৈকে অহা প্ৰতিটো ফাইলৰ কাম সেই দিনটোৰ আগতে শেষ কৰিম। আমি এই কাম কৰিব খুজিছো।' প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে অহা ১৮ নৱেম্বৰৰ পৰা অসম চৰকাৰে প্ৰকল্প সদ্‌ভাৱনা নামৰ এখন নতুন আঁচনি আৰম্ভ কৰিব বুলি ঘোষণা কৰে। তেওঁ কয় যে এই আঁচনিখনৰ সহায়ত জনতা ভৱনত ফাইল জমা থকা লোকে নিজে ফাইলৰ কাম কৰিবলৈ দিছপুৰলৈ নাহিলেও হ'ব। তাৰ পৰিৱৰ্তে ফাইলৰ নম্বৰটো তেওঁ কম্পিউটাৰত সন্নিবিষ্ট কৰাৰ পাছত কৰ্মচাৰীয়ে নিজে ফাইলটোক লৈ লোকজনৰ লগত যোগাযোগ কৰিব। ফাইলটোৰ কামৰ ফলাফল কি হ'ব, কি নহ'ব সকলোখিনি চৰকাৰৰ কৰ্মচাৰীয়ে নিৰ্দিষ্ট লোকজনক অৱগত কৰিব। জনতা ভৱনত কমেও দুই লাখ ফাইল জমা আছে বুলিও প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

## গুৱাহাটীক লৈ কে'বাটাও পৰিকল্পনা সদৰী

দিছপুৰৰ উৰণীয়া সেতুখন আজি মুকলি কৰাৰ পাছত ২০২৩ত মালিগাঁও আৰু ছেৰাবভাটিত নিৰ্মীয়মান উৰণীয়া সেতুখন মুকলি কৰা হ'ব বুলি আজি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মালিগাঁৱৰ বিশাল সেতুখনৰ নিৰ্মাণ কাৰ্য ২০ শতাংশ আৰু ছেৰাবভাটিৰ সেতুখনৰ ৩৫ শতাংশ কাম শেষ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ২০২৩ৰ ডিচেম্বৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰৰ দলংখন নিৰ্মাণ হ'ব। মুখ্যমন্ত্ৰীয়ে কয়, 'নিৰ্ধাৰিত সময়ৰ পূৰ্বে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ লক্ষ্য লোক নিৰ্মাণ বিভাগে লৈছে। চলিত বৰ্ষতে চাংসাৰিত স্থাপন কৰা অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানখনো মুকলি হ'ব।' নতুন পৰিকল্পনাৰ ভিতৰত ৰাধা গোবিন্দ বৰুৱা পথ আৰু গীতানগৰ সংযোগ কৰি এখন নতুন উৰণীয়া সেতু নিৰ্মাণৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। শীঘ্ৰেই এই নিৰ্মাণ কাৰ্যৰ কাম আৰম্ভ কৰি ডেৰ বছৰৰ ভিতৰত শেষ কৰাৰ লক্ষ্যও চৰকাৰে লৈছে বুলিও তেওঁ জনায়। ইয়াৰ উপৰি গুৱাহাটীৰ ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত প্ৰতিটো চ'কতে এখনকৈ উৰণীয়া সেতু নিৰ্মাণ হ'ব বুলি ঘোষণা কৰি ড° শৰ্মাই কয় যে গুৱাহাটীক কেন্দ্ৰ কৰি এটি বৃত্ত পথ নিৰ্মাণৰ লক্ষ্যৰে চৰকাৰে কাম কৰি আছে। বাইহাটা চাৰিআলি-কুৰুৱা-নাৰেংগী-গুৱাহাটী-পলাশবাৰী-শুৱালকুছিক সামৰি এই বৃত্ত পথ নিৰ্মাণ হ'ব। তাৰ বাবে কুৰুৱা-নাৰেংগীৰ মাজত আৰু পলাশবাৰী-শুৱালকুছিৰ মাজত দুখন দলং নিৰ্মাণ হ'ব। গুৱাহাটী ক্লাবৰ পৰা বামুণীমৈদামলৈও এখন নতুন উৰণীয়া সেতু হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ইপিনে, গুৱাহাটী পানীযোগান প্ৰকল্পৰ কাম শীঘ্ৰে সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে। গুৱাহাটীৰ সৌন্দৰ্য বৃদ্ধিৰ অংশৰূপে উপায়ুক্তৰ বাসভৱনৰ কাষৰ পৰা মুখ্য ন্যায়াধীশৰ বাসভৱনলৈ ব্ৰহ্মপুত্ৰৰ পাৰত পৰ্যটন অঞ্চল গঢ়ি তোলা হ'ব আৰু আগন্তুক বৰ্ষত এই পৰ্যটন অঞ্চল ৰাইজৰ বাবে মুকলি কৰা হ'ব। ইয়াৰ উপৰি হেঙেৰাবাৰী, মালিগাঁও আৰু ফাঁচী বজাৰৰ গুৱাহাটী কাৰাগাৰৰ স্থানত উদ্যান নিৰ্মাণ কৰা হ'ব। তদুপৰি চানমাৰিত জলসিঞ্চন আৰু জলসম্পদ বিভাগৰ কাৰ্যালয়ৰ ১২ বিঘা ভূমিতো নতুন এখন উদ্যান নিৰ্মাণ কৰা হ'ব। চন্দ্ৰপুৰত থকা তাপবিদ্যুৎ প্ৰকল্পৰ স্থানত সৰুসজাইৰ দৰে এক ক্ৰীড়া প্ৰকল্প নিৰ্মাণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। এই পৰিকল্পনা আৰু পদক্ষেপবোৰ সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'আধুনিক অসমৰ স্বাক্ষৰ গুৱাহাটীয়ে প্ৰতিফলিত কৰে। সেয়েহে গুৱাহাটীৰ উন্নয়নৰ বাবে বহু পৰিকল্পনা আৰু প্ৰচেষ্টা চলিছে। নতুন পৰিকল্পনাবোৰৰ জৰিয়তে গুৱাহাটীক সম্পূৰ্ণ এক আধুনিক ৰূপ দিয়াৰ প্ৰচেষ্টা চলোৱা হ'ব।'

উল্লেখ্য যে আজি উদ্বোধন কৰা উৰণীয়া সেতুখনৰ কাম ২০১৯ত আৰম্ভ কৰা হৈছিল আৰু কাম সম্পূৰ্ণ কৰাৰ সময়সীমা ৩৪ মাহ ধাৰ্য কৰা হৈছিল। কিন্তু ক'ভিডত সৃষ্টি হোৱা জটিল পৰিস্থিতিৰ মাজতো মাত্ৰ ১৪ মাহতে উৰণীয়া সেতুখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয়। অনিল দাস নামৰ অসমৰ এজন নিৰ্মাতাই লোকনিৰ্মাণ বিভাগৰ সহযোগত নিৰ্ধাৰিত সময়ৰ পূৰ্বে দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তোলে। মুখ্যমন্ত্ৰীয়ে আজি ভাষণত উল্লেখ কৰে যে ৰাজ্য চৰকাৰে প্ৰতিটো উন্নয়নমূলক কাম নিৰ্ধাৰিত সময়ৰ পূৰ্বে শেষ কৰাৰ এক লক্ষ্য লৈছে। তদুপৰি অসমে নিজৰ মানৱ সম্পদেৰে বহিঃৰাজ্যৰ প্ৰতিষ্ঠানতকৈ অধিক ক্ষিপ্ৰতাৰে কাম কৰিব পৰাটোও এই সেতুখনে প্ৰতিষ্ঠা কৰিব। প্ৰসংগক্ৰমে তেওঁ কয় যে অসমত মানৱ সম্পদ বুলি ক'লে অসমক ভাল পোৱা মাৰোৱাৰী, বাঙালী সকলোৱেই তেওঁৰ দৃষ্টিত অসমীয়া।

# পঞ্চভূতত বিলীন সংগীত নাটক

*এক পৃষ্ঠাৰ পৰা* গায়ন-বায়ন আৰু নাম-কীৰ্তনেৰে পুৱা ন বজাত বায়নৰ নশ্বৰদেহ নিজ বাসগৃহৰ পৰা সমদল কৰি আনি বৰপেটা চহৰ পৰিভ্ৰমণ কৰাৰ পাছত সত্ৰীয়া মৰ্যাদাৰে নখান্দা নদীৰ তীৰৰ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। যোৱা নিশা প্ৰায় ৮-২০ বজাত শিল্পীগৰাকীয়ে বৰপেটা চহৰৰ কুজিৰদ'ৰ নিজ বাসভৱনতে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৯৮ বছৰ। সত্ৰনগৰী বৰপেটাৰ কুজিৰদ'ৰ সত্ৰীয়া সংস্কৃতিপূৰ্ণ এটি পৰিয়ালত ১৯২৫ৰ তিনি মে'ত বায়নৰ জন্ম হৈছিল। পিতৃ আছিল বলোৰাম বায়ন আৰু মাতৃৰ নাম আছিল ৰবিবালা। আৰ্থিক অৱস্থাই কোঙা কৰি পেলোৱা বায়নে দ্বিতীয় শ্ৰেণীতে শিক্ষা জীৱনৰ অন্ত পেলাই জীৱন জীৱিকাৰ সন্ধানত ঘূৰিব লগা হয়। কিশোৰ অৱস্থাতে তেওঁৰ পিতৃৰ অকাল বিয়োগ ঘটাত তেওঁ এক আহুকলীয়া পৰিস্থিতিৰ সন্মুখীন হয়। বায়নে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি ঘৰখন পোহপাল দিয়াৰ মাজতো ভীমা বায়ন বংশৰ পৰম্পৰাক আগুৱাই নিয়াৰ উদ্দেশ্যে খোলবাদন শিক্ষাৰ প্ৰতি দুৰ্বাৰ হেঁপাহ মনত কঢ়িয়াই ফুৰে। তেওঁ প্ৰথমে ৰামকৃষ্ণ বায়নৰ ওচৰত খোলবাদনৰ শিক্ষা গ্ৰহণ কৰে। ৰামকৃষ্ণ বায়নৰ মৃত্যুৰ পাছত ভগৱান বায়নৰ পৰা খোল বাদনৰ শিক্ষা গ্ৰহণ কৰে। আগ্ৰহ আৰু একাগ্ৰতাৰ বাবেই তেওঁ খোলবাদনৰ সমস্ত শিক্ষা আহৰণ কৰি খোলৰ ওজা হৈ পৰে। ২০ বছৰ বয়সৰ পৰা বৰপেটা সত্ৰৰ সত্ৰীয়া পৰম্পৰাক জীয়াই ৰখাৰ উদ্দেশ্যে নিজকে উৎসৰ্গা কৰে। মনে-প্ৰাণে এগৰাকী সত্ৰীয়া শিল্পীৰূপে পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল বায়ন। তেওঁ বৰপেটা সত্ৰৰ দৌল উৎসৱৰ অন্যতম আকৰ্ষণীয় অনুষ্ঠান বোল বোলনি অনুষ্ঠানত ১৫ বছৰ ধৰি কৃষ্ণৰ চৰিত্ৰত অভিনয় কৰিছিল। ১৯৪৯ত ককা নীলমণি ফুকনৰ আমন্ত্ৰণমৰ্মে কোচবিহাৰত অনুষ্ঠিত হোৱা শংকৰদেৱৰ জন্মোৎসৱত খোলবাদন কৰি খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। খোলবাদনৰ পৰম্পৰাক জীয়াই ৰখাৰ স্বাৰ্থত বিভিন্ন ঠাইলৈ গৈ বিনামূলীয়াকৈ খোলৰ শিক্ষা প্ৰদান কৰিছিল। প্ৰথমে ১৯৭৮ত ভীমা বায়ন বংশৰ কিছু সংখ্যক আগ্ৰহী ল'ৰাক খোলবাদনৰ প্ৰশিক্ষণ দিয়ে। পাছত ১৯৮২ত বৰ্তমানৰ ওদালগুৰি জিলাৰ হৰিশিঙালৈ গৈ ভালেসংখ্যক শিক্ষাৰ্থীক খোলবাদনৰ প্ৰশিক্ষণ দিয়ে।

১৯৮৫ত অসমৰ সাংস্কৃতিক সঞ্চালকালয়ে তেওঁৰ খোলবাদনৰ বোল বাণীবদ্ধ কৰিছিল। বৰ্তমান বৰপেটাৰ শংকৰদেৱ কলাক্ষেত্ৰ হিচাপে পৰিচিত বৰপেটাৰ ভাৰত শংকৰী কলা প্ৰচাৰ সমিতি প্ৰতিষ্ঠানত তেওঁ ১৯৮৭ত ল'ৰা-ছোৱালীক খোলৰ প্ৰশিক্ষণ দিছিল। পৰৱৰ্তী সময়ত চৰকাৰী পৃষ্ঠপোষকতাত বৰপেটা সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত তিনিমহীয়া প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে উপস্থিত থাকি খোলবাদনৰ প্ৰশিক্ষণ দিছিল সত্ৰীয়া শিল্পীগৰাকীয়ে। ইয়াৰ পাছত তেওঁ পৰ্যায়ক্ৰমে ১৯৮৯ত অসমৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত বৰপেটা সত্ৰত অনুষ্ঠিত দুমহীয়া প্ৰশিক্ষণ শিবিৰ, ১৯৯০ত শিশু কল্যাণ সমিতিয়ে আয়োজন কৰা শিবিৰ আৰু ১৯৯২ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এবছৰীয়া প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে উপস্থিত থাকি খোলবাদনৰ প্ৰশিক্ষণ দিয়াৰ লগতে নৱপ্ৰজন্মৰ মাজত সত্ৰীয়া খোলবাদ্যক জনপ্ৰিয় কৰি তুলিছিল। ১৯৯৭ত আকাশবাণী গুৱাহাটী কেন্দ্ৰই তেওঁ বজোৱা খোলৰ বোল বাণীবদ্ধ কৰি প্ৰচাৰ কৰিছিল । ২০১৪ত ভাৰত চৰকাৰৰ সংগীত নাটক একাডেমীৰ অন্তৰ্গত সত্ৰীয়া কেন্দ্ৰৰ ষষ্ঠ সত্ৰীয়া সমাৰোহত খোলবাদন কৰি প্ৰশংসিত হয়। ২০০০ত তেওঁ চৰকাৰৰ পৰা শিল্পী পেঞ্চন লাভ কৰে । সত্ৰীয়া শিল্পী গৰাকীৰ নেতৃত্বতে সংগীত নাটক একাডেমীৰ সৌজন্যত গুৰু শিষ্য পৰম্পৰা শিতানত জলপানিসহ এটি তিনিবছৰীয়া প্ৰকল্প চলি আছে ।প্ৰচাৰ বিমুখ এইগৰাকী সত্ৰীয়া শিল্পীয়ে ১৯৮৭ৰ পৰা ২০১৫লৈ চৰকাৰৰ লগতে সৰু বৰ ২০টা অনুষ্ঠান প্ৰতিষ্ঠানৰ পৰা সন্মান আৰু সম্বৰ্ধনা লাভ কৰে। ২০১৫ত তেওঁক লোকসংগীত শিৰোমণি গোকুল পাঠক বঁটা প্ৰদান কৰা হয় । ২০১৭ত বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ অসমে সত্ৰভূষণ উপাধিৰে সন্মানিত কৰি বায়নৰ সত্ৰীয়া শিল্পী সত্তাক সন্মান জনায়। ২০১৮ত তেওঁক সংগীত নাটক একাডেমীয়ে সংগীত নাটক অকাডেমী বঁটাৰে বিভূষিত কৰে। ২০১৯ত জগন্নাথ বায়নক বৰপেটা শিৰোমণি বঁটা প্ৰদান কৰা হয়। যোৱা ১০ অক্টোবৰত বৰপেটা সত্ৰ চৌহদত স্থাপিত শ্ৰীশ্ৰীমাধৱদেৱ শাস্ত্ৰ অধ্যয়নাগাৰে শিল্পী বায়নক শ্ৰীশ্ৰীমাধৱদেৱ শাস্ত্ৰ অধ্যয়নাগাৰ বঁটা প্ৰদান কৰে। আজন্ম সত্ৰীয়া শিল্পী গৰাকীৰ মৃত্যুত শোকাচ্ছন্ন হৈ পৰিছে সমগ্ৰ বৰপেটা। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি , দল-সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে। বৰপেটাৰ বুঢ়া সত্ৰীয়া বশিষ্ঠ শৰ্মাই শিল্পী গৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি কয় যে ভীমা বায়ন বংশৰ জ্যেষ্ঠ বৰবায়ন জগন্নাথ বায়নে আজীৱন সত্ৰীয়া শিল্পী হিচাপে যুৱ প্ৰজন্মৰ মাজত আদৰ্শ ৰাখি থৈ গ'ল। তেওঁৰ মৃত্যু এক অপূৰণীয় ক্ষতি বুলি বুঢ়া সত্ৰীয়াগৰাকীয়ে মন্তব্য কৰে। বৰপেটা সত্ৰৰ ডেকা সত্ৰীয়া গৌতম পাঠক, সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ জগন্নাথ অধিকাৰীয়েও তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ইপিনে, বৰপেটাৰ বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰয়ো গভীৰ শোক প্ৰকাশ কৰে । তেওঁৰ মৃত্যুত বৰপেটা সত্ৰ পৰিচালনা সমিতি, বৰপেটা সত্ৰৰ শাখা সত্ৰ সমাজ, অসম বৰপেটা সাহিত্য সভা , বৰপেটা লেখিকা সমাৰোহ সমিতি, তাঁতীকুছি, জনান্তিক, বৰপেটা জিলা ছাত্ৰ সন্থা, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাস, বৰপেটা জিলা বিজেপিৰ সভাপতি, সাধাৰণ সম্পাদক ক্ৰমে অনিল দাস আৰু হেমন্ত কুমাৰ দেউৰী, বিশ্ব হিন্দু পৰিষদৰ বৰপেটা জিলা সমিতি, হিন্দু জাগৰণ মঞ্চ, বৰপেটা জিলা শাখা, গোকুল পাঠক স্মৃতিৰক্ষা সমিতি, অনন্তৰাম দাস স্মৃতি প্ৰকাশন, শব্দালাপ, বৰপেটা প্ৰেছ ক্লাব, বৰপেটা প্ৰেছ গীল্ড, ৰংঘৰ, ৰাইজিং ক্লাব, বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সভানেত্ৰী-সম্পাদক ক্ৰমে মাধন ভূঞা শৰ্মা আৰু উৎপল দাস, বিভিন্ন ব্যক্তি তথা দল- সংগঠনে গভীৰ শোক প্ৰকাশ কৰে। আজি পুৱা নবজোত নিজ বাসভৱনত সত্ৰীয়া শিল্পী গৰাকীৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষাল। বিজেপিৰ জিলা সভাপতি অনিল দাস, সম্পাদক হেমন্ত দেউৰী, প্ৰমুখ্যে কে'বাজনো লোক দল-সংগঠনে শেষ শ্ৰদ্ধা নিবেদন কৰে।

আজি সত্ৰীয়া শিল্পীগৰাকীৰ নশ্বৰদেহ প্ৰথমে ৰণজিৎ বৰপূজাৰী পুথিভঁড়াল, শংকৰদেৱ কলাক্ষেত্ৰ, ৰংঘৰ, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থা, বৰপেটা সাহিত্য সভা, বৰপেটা প্ৰেছ ক্লাব, ৰাইজিং ক্লাব, তাঁতীকুছি আদি অনুষ্ঠানে শেষ শ্ৰদ্ধা নিবেদন কৰে।বিশিষ্ট সত্ৰীয়া শিল্পীগৰাকীৰ মৃত্যুত বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, কেবিনেট মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, জিলা বিজেপিৰ সভাপতি অনিল দাস, সম্পাদক হেমন্ত দেউৰী, বৰপেটা জিলাৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰ, প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, শংকৰদেৱ কলাক্ষেত্ৰ, বৰপেটা সাহিত্য সভাৰ সভাপতি ডাঃ কমল কৃষ্ণ দাস, বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কৃষ্ণ কান্ত দাস, খিলঞ্জীয়া সুৰক্ষা বাহিনী, সদৌ বৰপেটা বিহু উদ্‌যাপন সমিতি, গৰিয়া - মৰিয়া-দেশী জাতীয় পৰিষদ, একাডেমী অব খোলবাদ্য, গুৰুমুখী থান সত্ৰৰ সভাপতি দিলীপ কুমাৰ দাস, আদি যথেষ্টসংখ্যক দল- সংগঠনে শোক প্ৰকাশ কৰে ।

# ৰাজহৰ পৰিমাণ হ্ৰাস হোৱাত উন্নয়নমূলক

*এক পৃষ্ঠাৰ পৰা* সংগ্ৰহৰ পৰিমাণ হ্ৰাস কৰিব। ইয়াৰ প্ৰভাৱ উন্নয়নমূলক কাম-কাজত স্বাভাৱিকতে পৰিব। শৰ্মাই লগতে কয়, 'হঠাৎ সংগৃহীত ৰাজহৰ পৰিমাণ হ্ৰাস হোৱাত কিছুমান অসুবিধা হ'ব। কেইদিনমান অসুবিধাৰ সন্মুখীন হৈ চলিব লাগিব। কিছু উপায় নাই। চৰকাৰ ৰাইজৰ লগত আছে। ৰাইজৰ সকাহ হ'বলৈকে সাত টকাকৈ মূল্য হ্ৰাসৰ সিদ্ধান্ত আমি লৈছো।' উল্লেখ্য যে কালি কেন্দ্ৰীয় চৰকাৰেও প্ৰতি লিটাৰ পেট্ৰ'লত পাঁচ টকা আৰু প্ৰতি লিটাৰ ডিজেলত ১০ টকাকৈ হ্ৰাসৰ সিদ্ধান্ত ঘোষণা কৰে। তাৰ ফলত আজি মাজনিশাৰ পৰা কেন্দ্ৰৰ সিদ্ধান্ত কাৰ্যকৰী হয়। কিন্তু অসম চৰকাৰৰ সিদ্ধান্ত কাইলৈ মাজনিশাৰ পৰাহে কাৰ্যকৰী হ'ব। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক আদৰণি জনাই অসম চৰকাৰে নিজাববীয়াকৈ ঘোষণা কৰে। কেন্দ্ৰৰ সিদ্ধান্তৰ নিৰ্দেশনা কালিয়ে ওলোৱাৰ বিপৰীতে অসম চৰকাৰৰ নিৰ্দেশনা আজিহে প্ৰকাশ পাব। গতিকে তৈল প্ৰতিষ্ঠানবোৰে অসম চৰকাৰে হ্ৰাস কৰা মূল্য নিৰ্ধাৰিত সময়ত হ্ৰাস কৰিব। ইয়াৰ ফলত অসমত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ১২ টকা আৰু ডিজেলৰ ১৭ টকা হ্ৰাস পাব।

# কোনে কাঢ়ি নিয়ে আইৰ মুখৰ মাত

*এক পৃষ্ঠাৰ পৰা* আদান-প্ৰদান কৰাটো তেওঁলোকৰ অধিকাৰ।

কিন্তু সাম্প্ৰতিক সময়ত ভাষা ভিত্তিক মানৱীয় অধিকাৰ ভয়ংকৰভাৱে লোপ পাই গৈছে। নব্য উদাৰবাদী অৰ্থনীতিৰ গোলকীয় বজাৰ ব্যৱস্থাত সমগ্ৰ পৃথিৱীৰেই ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষাসমূহ দ্ৰুতগতিত বিপন্ন হৈছে আৰু বহু সংখ্যক ভাষা ইতিমধ্যে বিলুপ্ত হৈছে। উদাৰবাদী অৰ্থনীতিৰ গোলকীয় বজাৰ সংস্কৃতিয়ে ক্ষুদ্ৰ ভাষাৰ প্ৰয়োজনীয়তাক ভয়ংকৰভাৱে উপেক্ষা কৰিছে। সমগ্ৰ বিশ্বতেই ভাষাৰ মহামাৰী হৈছে। এই মহামাৰীয়ে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বিশেষকৈ উত্তৰ-পূব অঞ্চলত সাম্প্ৰতিক সময়ত এক ভয়াবহ ৰূপ লৈছে।

১৯৯৫ৰ এক সমীক্ষা মতে ভাৰতবৰ্ষত পৃথিৱীৰ মুঠ ভূখণ্ডৰ ২.৪ শতাংশ ভূমি অৱস্থিত। পৃথিৱীৰ ২.৪ শতাংশ ভূমিত পৃথিৱীৰ ১৬ শতাংশ লোকে বসবাস কৰে। ১৯৬১ৰ লোকপিয়ল অনুযায়ী ভাৰতবৰ্ষত ১,৬৫২টা মাতৃভাষা জীয়াই আছিল। এই ১,৬৫২টা ভাষাৰ মাত্ৰ ১৮৪টা ভাষাতহে সেই ভাষা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা ১০ হেজাৰৰ ওপৰত আছিল। বাকী প্ৰায় ডেৰ হেজাৰ ভাষাৰ সেই ভাষাত কথা কোৱা মানুহৰ সংখ্যা ১০ হেজাৰতকৈও কম আছিল তেতিয়াই। আনহাতে, ২০০১ৰ লোকপিয়ল মতে ভাৰতবৰ্ষত সেই সময়ত ১,৫৭৬টা জাতীয় মাতৃভাষাৰ বিষয়ে জনা গৈছিল। সেই চনৰ পিয়ল মতেই ১২২টা ভাষাত কথা কোৱা মানুহৰ সংখ্যা ১০ হেজাৰতকৈ বেছি। ভাৰতীয় সংবিধানে স্বীকৃতি দিয়া ভাৰতীয় ভাষা ২২টা। এই ২২টা ভাষাত ভাৰতবৰ্ষৰ ৯৬ শতাংশ লোকে কথা কয় বা পঢ়া-শুনা কৰে। অৰ্থাৎ ভাৰতবৰ্ষৰ আইন এশটা মাতৃভাষাত কথা কোৱা মানুহৰ সংখ্যা মাত্ৰ চাৰি শতাংশ। এই চাৰি শতাংশৰে ২০টা অষ্টিক ভাষা আৰু ৯৮টা চীন তিব্বতীয় ভাষা কোৱা মানুহৰ সংখ্যা মাত্ৰ দুই শতাংশ। ১৯৮৯ৰ লোকপিয়ল মতে ভাৰতবৰ্ষৰ মাত্ৰ ৫০টা ভাষাতহে সাহিত্য সৃষ্টি কাৰ্য চলি আছে। ১০১টা ভাষাত আলোচনী আৰু বাতৰি কাকত আছে। মাত্ৰ ২৪টা ভাষাত চৰকাৰে সাহিত্য বঁটা দিয়ে। ৯০ৰ দশকৰ আগলৈ ভাৰতবৰ্ষত ৬৯টা ভাষাত বিদ্যালয়ত পাঠদান কৰা হৈছিল; কিন্তু এতিয়া মাত্ৰ ৩৩টা ভাষাতহে বিদ্যালয়ত পাঠদান কৰা হয়।

যোৱা কিছু বছৰ ধৰি ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত বিশেষকৈ শিক্ষিত জনসাধাৰণৰ মাজত এনে এক প্ৰৱণতা গঢ়ি উঠিছে যে নিজৰ মাতৃভাষাত নিজৰ সন্তানক শিক্ষা দিয়াৰ আগ্ৰহ দ্ৰুতভাৱে কমি গৈছে। তেওঁলোকৰ মাজত এক ধাৰণাৰ সৃষ্টি হৈছে আৰু তেওঁলোকে ধৰি লৈছে যে নিজৰ মাতৃভাষাত শিক্ষা লাভ কৰাতকৈ বিদেশী ভাষা ইংৰাজীত শিক্ষা লাভ কৰিলে গোলকীয় অৰ্থনীতি তথা সাংস্কৃতিক পৰিবেশত জীৱন আৰু জীৱিকাৰ উন্নতি হয়। তেনে এক বদ্ধমূল ধাৰণাৰ বশৱৰ্তী হৈ সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসম তথা তথা উত্তৰ-পূব ভাৰতবৰ্ষৰ সৰু সৰু ৰাজ্যসমূহৰ বিভিন্ন ভাষিক জনগোষ্ঠীৰ লোকসকলে, বিশেষকৈ উচ্চবিত্ত, মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত লোকসকলে তেওঁলোকৰ পুত্ৰ-কন্যাক নিজ মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ত পঢ়িবলৈ নিদি ইংৰাজী মাধ্যমৰ বিদ্যালয়তহে পঢ়িবলৈ দিয়া হৈছে। এই প্ৰৱণতাৰ বাবেই সম্প্ৰতি ভাৰতবৰ্ষৰ সৰ্বত্ৰে ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি উঠিছে। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা স্থাপিত, কেন্দ্ৰীয় বিদ্যালয়সমূহতো ইংৰাজী আৰু হিন্দীকেহে মাধ্যম হিচাপে ব্যৱহাৰ কৰে। গতিকে উচ্চ আৰু মধ্যবিত্ত ভাষিক, জনগোষ্ঠীৰ পৰিয়ালৰ নতুন প্ৰজন্মৰ বেছিভাগেই এতিয়া মাতৃভাষাৰ বিদ্যালয়ত নপঢ়ি ইংৰাজী মাধ্যমৰ বিদ্যালয়তহে পঢ়ে। এনেকৈ এইসকল উত্তৰ পুৰুষে নিজৰ মাতৃভাষা ভালদৰে লিখিব-পঢ়িব নজনা হয়। আনকি বহুতে ভালদৰে মাতৃভাষাত কথা ক'বও নজনা হয়। তেওঁলোকে নিজৰ জাতি, ভাষা, সংস্কৃতিৰ ইতিহাস নজনা হয়। এনেদৰে কেইটামান প্ৰজন্মৰ পাছত সেই ভাষিক জনগোষ্ঠীৰ এক বৃহৎসংখ্যক মানুহে নিজৰ মাতৃভাষা একেবাৰে নজনা হয়। নজনা হয় নিজৰ জাতি আৰু সংস্কৃতিৰ কথা। এনেদৰেই ভাষা আৰু সংস্কৃতিৰ বিপন্নতা বৃদ্ধি হয়। ভাষা-সংস্কৃতি বিলুপ্তিৰ দিশেৰে আগবাঢ়ে ক্ৰমান্বয়ে।

এনেকুৱা এক পৰিস্থিতিত বহুতে ভাবে ভাষাটোনো কি? ভাষা এটা মনৰ কথা বুজোৱা বা চিন্তা আদান-প্ৰদান কৰা ব্যৱস্থাহে। যিহেতু আজিৰ তাৰিখত পৃথিৱীখন এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত হৈছে। যিহেতু মধ্যবিত্ত, উচ্চবিত্ত পৰিয়ালসমূহৰ একাংশ লোক জীৱিকাৰ বাবে দেশে-বিদেশে থাকিবলগীয়া হয়, সেইবাবেই ইংৰাজী ভাষা শিকাতহে অধিক জোৰ দিয়া হয়। আনকি আজি-কালি গাঁৱে-ভূঞে নিম্নবিত্ত লোকসকলেও ইংৰাজী বিদ্যালয়তেই নিজৰ পুত্ৰ-কন্যাক পঢ়াবলৈ আগ্ৰহ কৰে। তেওঁলোকেও ভাবে যে নিজৰ মাতৃভাষাত পঢ়া-শুনা কৰাতকৈ ইংৰাজী ভাষাত পঢ়া-শুনা কৰা ভাল। তেনে কৰিলে চাকৰি-বাকৰি পোৱাত সুবিধা হয়। আনকি, বহুতৰ ধাৰণা ভালকৈ মাতৃভাষা ক'ব জনাতকৈ ভালকৈ ইংৰাজী ক'ব, জনাটোহে জৰুৰী। ইংৰাজী ক'ব জনা বা ভালকৈ হিন্দী ক'ব জনা মানুহক 'জনা' বা 'জ্ঞানী' মানুহ বুলি ভবাৰ এক ভয়ংকৰ মানসিকতা সৃষ্টি হৈছে। গোলকীয় বজাৰমুখী অৰ্থনীতি, সমাজ ব্যৱস্থা আৰু সাংস্কৃতিক পৰিস্থিতিয়ে ক্ষুদ্ৰ ভাষিক জনগোষ্ঠীসমূহক মাতৃভাষাৰ মূল্য, প্ৰয়োজনীয়তা আদিৰ কথা বুজিবলৈ সুবিধা দিয়া নাই। নিজৰ মাতৃভাষাটো জনাটো কিমান প্ৰয়োজনীয় আৰু মূল্যবান কথা, সেইটো নজনা-নুবুজা শিক্ষিত মানুহৰে এতিয়া সমাজখন ভৰি পৰিছে। তেনে এক পৰিস্থিতিত মানুহে মাতৃভাষাৰ মূল্য অনুধাৱন কৰিব নোৱৰা হৈছে। ফলত মাতৃভাষা লাহে লাহে এলাগী হৈছে।

প্ৰকৃততে পৃথিৱীৰ চুকে-কোণে থকা সৰু-বৰ সকলো ভাষাই হ'ল মানৱ সভ্যতা আৰু ইতিহাসৰ জ্ঞানৰ ভঁৰাল। ভাষা যিমানেই ক্ষুদ্ৰ নহওক কিয়, সকলো ক্ষুদ্ৰ ভাষাই সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যতৰ সুৰক্ষাৰ বাবে একো একোটা জ্ঞান-বিজ্ঞানৰ ভঁৰাল। ভাষা এটাৰ মৃত্যু হ'লে একো একোটা জ্ঞানৰ ভঁৰাল চিৰদিনৰ বাবে হেৰাই যায়। আফ্ৰিকাৰ কোনো এটা চুকৰ এটা ভাষা, ব্ৰাজিলৰ কোনো এক অৰণ্যবাসী গাঁৱৰ এটা ভাষা বা অৰুণাচলৰ কোনো এক ক্ষুদ্ৰ জনগোষ্ঠীৰ এটা অতি ক্ষুদ্ৰ ভাষাৰ বিপন্নতা বা বিলুপ্তি সমগ্ৰ মানৱ সমাজৰ বাবেই এক ডাঙৰ ক্ষতি। আনকি কোনোদিনে আধুনিক শিক্ষাৰ পোহৰ নেদেখা, কোনোদিনে বাহিৰৰ পৃথিৱীখনৰ কথা নজনা অতি ভিতৰুৱা অঞ্চলৰ ভাষা এটাৰো মূল্য অপৰিসীম। কোনে জানে তেনে এক ভাষাত লুকাই আছিল বা আছে সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষাৰ ছাবি-কাঠি। উদাহৰণস্বৰূপে সকলো দুৰ্গম অৰণ্যবাসী অথবা বহিঃবিশ্বৰ লগত সম্পৰ্ক নথকা, কোনো দ্বীপবাসীৰ এমুঠিমান মানুহৰ অতি ক্ষুদ্ৰ ভাষাটোও হেজাৰবিধ উদ্ভিদৰ ঔষধি গুণ, হেজাৰবিধ উদ্ভিদৰ খাদ্য গুণাগুণ, হেজাৰবিধ প্ৰাণী কীট-পতংগৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ অধ্যয়ন সঞ্চিত হৈ আছে। তথাকথিত আধুনিক সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ পৰি তেনে এটা ক্ষুদ্ৰ জাতিৰ ভাষাটোৰ যদি মৃত্যু হয়, তেওঁলোকৰ পাৰম্পৰিক সংস্কৃতি যদি বিলুপ্ত হয় অথবা সেই জাতিটোৰেই যদি বিলুপ্তি ঘটে, তেনেহ'লে সমগ্ৰ বিশ্বৰ, সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষাৰ জ্ঞান-বিজ্ঞানৰ এক বিশাল জ্ঞান ভাণ্ডাৰৰ বিলুপ্তি ঘটে। ভাষাৰ বিলুপ্তি মানেই মানৱ জাতিৰ জ্ঞানৰ ভঁৰালৰ বিলুপ্তি। এই কথা নুবুজাসকলে অথবা এই কথাক আওকাণ কৰাসকলে সমগ্ৰ মানৱ জাতিৰ ভৱিষ্যৎ সুৰক্ষাৰ কথাকেই আওকাণ কৰে। তেওঁলোক একপ্ৰকাৰে মানৱ জাতিৰ শত্ৰু।

এখন দেশ বা এক অঞ্চলৰ সম্পদৰ প্ৰাচুৰ্যতা অথবা তেওঁলোক কিমান চহকী, সেই কথা কেৱল সেই দেশৰ বেংকত থকা ধন-সোণৰ হিচাপেৰেই নিৰ্ণয় কৰা নহয়। এখন দেশ প্ৰকৃতাৰ্থত কিমান চহকী, কিমান প্ৰাচুৰ্যশালী, সেই কথা নিৰ্ভৰ কৰে, সেই দেশৰ ভাষা-সংস্কৃতি, প্ৰাকৃতিক সম্পদ কিমান চহকী তাৰ ওপৰতহে। যদি কোনো এখন দেশ বা কোনো এটা অঞ্চল ভাষাৰ বৈচিত্ৰ্যৰে চহকী, তেনেহ'লে তেওঁলোক জ্ঞানৰ ভঁৰালেৰে চহকী। যদি কোনো এক দেশ বা অঞ্চল সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদেৰে চহকী, তেনেহ'লে তেওঁলোকহে প্ৰকৃতভাৱে চহকী বা প্ৰাচুৰ্যশালী। সেই দেশ অথবা সেই অঞ্চলৰ ভৱিষ্যৎ সুৰক্ষিত। দেশৰ বেংকত থকা ধন-সোণ, মানুহৰ হাতত থকা ধন-সোণ, সুন্দৰ বাট-ঘাট, সুউচ্চ চালে চকুৰোৱা অট্টালিকা এখন দেশৰ সম্পদ হ'ব নোৱাৰে, এখন দেশৰ ভৱিষ্যৎ সুৰক্ষাৰ ব্যৱস্থা হ'ব নোৱাৰে। এখন দেশৰ প্ৰকৃত সম্পদ ভৱিষ্যতৰ প্ৰকৃত সুৰক্ষা হ'ব পাৰে সেই দেশ বা সেই অঞ্চলৰ ভাষিক বৈচিত্ৰ্য, সাংস্কৃতিক বৈচিত্ৰ্য আৰু প্ৰাকৃতিক বৈচিত্ৰ্যহে।

সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতেই মানুহ সচেতন হৈছে প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ক্ষেত্ৰত। জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ এতিয়া সমগ্ৰ বিশ্ব মানৱৰ বাবে এক ডাঙৰ কাৰ্যসূচী হৈ পৰিছে। বিশ্বৰ কোন কোন দেশৰ কোন কোন অঞ্চলত জৈৱ-বৈচিত্ৰ্য সংৰক্ষিত হৈছে, তাক লৈ ব্যাপক গৱেষণা হৈছে। এই গৱেষণাত এটা কথা প্ৰমাণিত হৈছে যে যি যি অঞ্চলত ভাষিক আৰু সাংস্কৃতিক বৈচিত্ৰ্য আছে, তেনেকুৱা অঞ্চলসমূহতেই জৈৱ-বৈচিত্ৰ্য সংৰক্ষিত হৈছে। এই কথাই প্ৰমাণ কৰে যে ভাষা আৰু সংস্কৃতিৰ বৈচিত্ৰ্যৰ স'তে জীৱৰ বৈচিত্ৰ্যৰ এক ডাঙৰ সম্পৰ্ক আছে। জীৱ-বৈচিত্ৰ্য সংৰক্ষণৰ পৃষ্ঠপোষকতা কৰা বহুত লোকে কিন্তু ভাষা আৰু সংস্কৃতি বৈচিত্ৰ্যৰ তাৎপৰ্য অনুধাৱন কৰিব নোৱাৰে। এইটো এটা বৰ পৰিতাপৰ কথা।

আমাৰ উত্তৰ-পূব ভাৰতৰ অৰুণাচল ৰাজ্যত ক্ষুদ্ৰ মজলীয়া ভাষা বহুত আছে; কিন্তু হিন্দী ভাষাৰ আগ্ৰাসনে এই ভাষাসমূহক মৃত্যুমুখলৈ ঠেলিছে। এতিয়া সমগ্ৰ অৰুণাচলতে অৰুণাচলী হিন্দী নামৰ এক খিচিৰি ভাষা জনপ্ৰিয় হৈ উঠিছে। হয়তো হিন্দীৰ ধুমুহাত অৰুণাচলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ভাষাবিলাক বিধ্বস্ত হৈ পৰিব সোনকালে। উল্লেখ্য যে বিশ্বৰ জীৱ-বৈচিত্ৰ্য চহকী অঞ্চলসমূহৰ ভিতৰত অৰুণাচল উল্লেখযোগ্য। অৰুণাচলকে ধৰি উত্তৰ-পূবৰ জনজাতি অধ্যুষিত পাৰ্বত্য অঞ্চলটো জীৱ-বৈচিত্ৰ্যত চহকী। অকল জীৱ-বৈচিত্ৰ্যতে চহকী নহয়, এই অঞ্চলটো ভাষা-বৈচিত্ৰ্য আৰু সংস্কৃতি-বৈচিত্ৰ্যতো চহকী। আচলতে এই অঞ্চলটোৰ ভাষা আৰু সংস্কৃতি বৈচিত্ৰ্যই জীৱ-বৈচিত্ৰ্য বৰ্তাই ৰাখিছে। অঞ্চলটোৰ ভাষা আৰু সংস্কৃতি বিপন্ন হ'লেই জীৱ-বৈচিত্ৰ্যও বিপন্ন হ'ব। যিসকলে ভাবি আছে আমাৰ নিজৰ মাতৃভাষাটো যিহেতু অইন ঠাইত ক'ব নোৱাৰি, সেই ভাষাটোৰে স্কুল-কলেজত পঢ়িব নোৱাৰি গতিকে সেইটো ভাষাকে সামুচি ধৰি থকাৰ অৰ্থ কি? তাতকৈ হিন্দী, ইংৰাজী আদি ডাঙৰ আৰু চহকী ভাষাবিলাক শিকি শিক্ষিত আৰু উন্নত হোৱাটোৱেই বুদ্ধিমানৰ কাম। এনে ধৰণৰ বুদ্ধিমান(?) শিক্ষিত লোকসকলেই এতিয়া মাতৃভাষাৰ শত্ৰু। এনেকুৱা শিক্ষিত লোকৰ বাবেই এতিয়া সমগ্ৰ বিশ্বতে ভাষা, পাৰম্পৰিক সংস্কৃতি আৰু জীৱ-বৈচিত্ৰ্য বিপন্ন হৈছে। ভাষা-সংস্কৃতিৰ বৈচিত্ৰ্যৰ লগতে জীৱ-বৈচিত্ৰ্যও বিলুপ্ত হৈছে। সমগ্ৰ মানৱ জাতি এনেকৈয়ে এতিয়া বিপদৰ মুখামুখি হৈছে। সাম্প্ৰতিক বজাৰ অৰ্থনীতি আৰু বজাৰ নিৰ্ভৰ সমাজ ব্যৱস্থাই ভাষা-সংস্কৃতিৰ মহামাৰী সৃষ্টি কৰিছে।

সাম্প্ৰতিক সময়ৰ সমীক্ষা অনুযায়ী সাম্প্ৰতিক বিশ্বত সৰ্বমুঠ ৬,৫০০ সৰু-বৰ ভাষা বৰ্তি আছে। এই সমীক্ষা মতেই এই ৬,৫০০ ভাষাৰ আধাতকৈও বেছি ভাষা বিলুপ্তিৰ গৰাহত পৰিছে। এই সমীক্ষা মতেই বিশ্বৰ সৰ্বমুঠ ৬,৫০০ ভাষাৰ এক চতুৰ্থাংশ ভাষাৰ মৃত্যু অপৰিহাৰ্য। কাৰণ এইবিলাক ভাষাত কথা কোৱা মানুহৰ সংখ্যা এহেজাৰতকৈও কম। অৰ্থাৎ পৃথিৱীৰ প্ৰায় ১৬শ ক্ষুদ্ৰ ভাষা ব্যৱহাৰ কৰা সেই ভাষা-ভাষী লোক এহেজাৰতকৈ কম। অৰ্থাৎ যিকোনো মুহূৰ্ততে এই ১৬শ ভাষা চিৰদিনৰ বাবে বিলুপ্ত হৈ যাব। পৃথিৱীয়ে যিকোনো মুহূৰ্ততে এইবিলাক ভাষা চিৰদিনৰ বাবে হেৰুৱাব। এইবিলাক ভাষাৰ মৃত্যু হ'ব এই কাৰণেই এই ভাষিক জনগোষ্ঠীসমূহৰ নতুন প্ৰজন্মই এই ভাষাত কথা নাপাতে। তেওঁলোকে এই ভাষা নাজানে। স্বাভাৱিকতে বৃদ্ধ প্ৰজন্মটোৰ মৃত্যু হ'লেই ভাষাটোৰ মৃত্যু হ'ব। সাম্প্ৰতিক সময়ত বিশ্বৰ সৰু সৰু ভাষাসমূহৰ বিপন্নতা আৰু মৃত্যুৰ কাৰণ এইটোৱেই। ক্ষুদ্ৰ ভাষিক জনগোষ্ঠীৰ নতুন প্ৰজন্মই তেওঁলোকৰ নিজ মাতৃভাষাটো শিকিব নোখোজে ৰাজনৈতিক-অৰ্থনৈতিক আৰু সামাজিক কাৰণত। তেওঁলোকে ভাবি লৈছে গোলকীয় গাঁৱলৈ ৰূপান্তৰিত হোৱা পৃথিৱীখনত তেওঁলোকৰ অতি ক্ষুদ্ৰ মাতৃভাষাটোক লৈ জীয়াই থাকিব নোৱাৰি। জীয়াই থাকিবলৈ হ'লে এটা ডাঙৰ ভাষা শিকিব লাগিব। উত্তৰ-পূব ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় ভাষাসমূহৰ কথা বাদ দিলেও এই অঞ্চলৰ আটাইতকৈ ডাঙৰ ভাষা অসমীয়া ভাষাও এই ৰোগত ৰোগাক্ৰান্ত। সমীক্ষা মতে অসমীয়া শিক্ষিত মধ্যবিত্ত আৰু উচ্চবিত্ত লোকসকলৰ নতুন প্ৰজন্মই অসমীয়া ভাষাত শিক্ষা লাভ নকৰে। তেওঁলোকে নিজৰ মাতৃভাষা অসমীয়া লিখিব-পঢ়িব অথবা ভালদৰে ক'বও নাজানে। অসমৰ অন্যকেইটা তুলনামূলকভাৱে বৃহৎ ভাষা— বড়ো, কাৰ্বি, মিচিং, ডিমাছা, ৰাভা, তিৱা, দেউৰী, সোণোৱাল কছাৰী আদি ভাষাসমূহো সেই ৰোগৰেই ৰোগাক্ৰান্ত। এই ভাষাসমূহো এতিয়া ভয়ানকভাৱে বিপন্ন।

ভাষাটো নাজানিলে সেই ভাষিক জনগোষ্ঠীৰ লোকসকলৰ কি লোকচান হয়? ভাৰতবৰ্ষৰ বংগ উপসাগৰত থকা দ্বীপপুঞ্জসমূহত কে'বাটাও ভাষিক জনগোষ্ঠী আছিল। এইবিলাকৰ ভিতৰত জাৰৱা, ওংগি, বেন্টিনেলী, গ্ৰেট আন্দামানীসকল উল্লেখযোগ্য। ২০০৮ত গ্ৰেট আন্দামানীসকলৰ মাত্ৰ ৫১ জন লোকহে আছিল। এওঁলোকৰ ভিতৰত মাত্ৰ পাঁচজনেহে ভাষাটো ক'ব পাৰিছিল। তাৰে আকৌ এজনেও ভাষাটো শুদ্ধকৈ অৰ্থাৎ সৰসৰীয়াকৈ ক'ব নোৱাৰিছিল। তেওঁলোকৰ আটাইখিনি মানুহে হিন্দী বা তামিল আৰু বাংলা ভাষা বুজিছিল আৰু ক'ব পাৰিছিল। আন্দামানত আন্দামানী হিন্দী নামৰ এটা হাইব্ৰিদ (সংকৰ) হিন্দী সকলো জাতিয়ে ক'ব পাৰিছিল।

সেই একেটাই লক্ষণ ফুটি উঠিছে উত্তৰ-পূব ভাৰতত। অৰুণাচলত অৰুণাচলী হিন্দী, হাফলং চহৰত হাফলং হিন্দী, মেঘালয়তো অন্য এক প্ৰকাৰৰ খাচি হিন্দী বা গাৰো হিন্দী চলে। নগালেণ্ডত আগতে নাগামিছ বুলি নগা-অসমীয়া ভাষা চলিছিল বিভিন্ন নগাভাষীসকলৰ মাজত। এতিয়া তাতো এক প্ৰকাৰৰ নগা হিন্দী চলিছে। মুঠতে দেখা গৈছে উত্তৰ-পূব ভাৰতত হিন্দী এক হত্যাকাৰী ভাষা হিচাপে প্ৰতিষ্ঠিত হৈছে। হিন্দীক এই বাবেই হত্যাকাৰী ভাষা বুলি ক'ব পাৰি যে এই ভাষাটো এতিয়া উত্তৰ-পূবৰ বৃহত্তম ভাষা অসমীয়াতো অদ্ভুত ধৰণে সোমাই পৰিছে। যিসকল অসমীয়া মানুহে হিন্দী ভাষাৰ টেলিভিছন চায়, তেওঁলোকৰ বহুতে অসমীয়া ভালেমান শব্দ পাহৰি তাৰ ঠাইত হিন্দী ভাষা কোৱা হৈছে আচৰিত ধৰণে। অসমৰ নগৰৰ কথা বাদেই, গাঁওবিলাকতো কথা ক'ব পৰা বয়সতে শিশুসকলে হিন্দী ক'ব পৰা হয়। আনকি কিছুমান শিশুৱে প্ৰথমে হিন্দী ভাষাটোহে শিকে, পাছতহে অসমীয়া শিকে। হিন্দী সম্প্ৰসাৰণবাদ এক ৰাজনৈতিক ঘটনা। হিন্দী সম্প্ৰসাৰণবাদৰ স'তে গোলকীয় অৰ্থনীতিৰো এক সম্পৰ্ক আছে।

*ফোন ঃ ৯৮৬৪০-২০১১২*